● গুৱাহাটী, যোৰহাট আৰু তেজপুৰৰ পৰা প্ৰকাশিত

গুৱাহাটী (০৩৬১) ২২৬১৯২৩
চাৰ্কুলেচন ঃ ম'বাইল ঃ ৮৪৮৬৯৮০২৮১
বিজ্ঞাপন ঃ ম'বাইল ঃ ৯৮৬৪৮৯৭১৭৫
যোৰহাট ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯
হোৱাটছএপ ঃ ৭৬৩৮০৫৮০৫৪ (সম্পাদনা)
agradoot@gmail.com
editor.agradoot@gmail.com
■ কাকত নাপালে ফোন কৰক ঃ ৯১০১২-৩৮০০৩

# দৈনিক অগ্ৰদূত

সামাজিক দায়বদ্ধতাত অবিচল

## দিগ্‌দৰ্শন

*ঈশ্বৰৰ বহুমাত্ৰিক দিশ অনন্ত; সেয়েহে পৃথিৱীত প্ৰচলিত প্ৰতিটো ধৰ্মই ঈশ্বৰৰ একো একোখন মুখ, একোটা দিশৰ প্ৰতিনিধিত্ব কৰে।*

আলেকজেণ্ডাৰ ছলঝেনিৎছিন
*ন'বেল বঁটাবিজয়ী ৰুছ সাহিত্যিক*



www.dainikagradoot.in

৫ দেশত বাঢ়িল নিবনুৱা, আঠ বছৰত ০.৩৩ শতাংশক নিযুক্তি
১৫ বাৰ্মিংহামৰ বক্সিং ৰিঙত আজি ভাৰত-পাকিস্তান
৪ দেশপ্ৰেমৰ সংজ্ঞা আৰু প্ৰদৰ্শনী

RNI-Regd No. 62953/96 ■ সপ্তবিংশতিতম বছৰ ● ২৮৯তম সংখ্যা ● গুৱাহাটী ● শুকুৰবাৰ ১২ শাওণ ১৪২৯ ভাস্কৰাব্দ ২৯ জুলাই ২০২২ চন ■ DAINIK AGRADOOT ● Guwahati ● Friday 29 July 2022 মূল্য ঃ ৯.০০ টকা

■ জেহাদীৰে জড়িত থকাৰ অভিযোগত মৈৰাবাৰীত গ্ৰেপ্তাৰ মুফটি মোস্তাফা ■ আনছাৰউল্লাহ বাংলা টীমৰ পৰা ধন জমিৰুল হুদা মাদ্ৰাছালৈ ■ ম'বাইল ফোন-বেংক পাছবুক-পাছপ'ৰ্ট জব্দ

# শিক্ষকক গ্ৰেপ্তাৰৰ পাছতে দুই মাদ্ৰাছা ছীল

■ ২০১৯ত মাদ্ৰাছাত বহিঃৰাষ্ট্ৰৰ সন্দেহজনক জেহাদী সংগঠনৰ সদস্যক আশ্ৰয় দিছিল

**অগ্ৰদূত বাৰ্তা**
**মৰিগাঁও/ভূৰাগাঁও, ২৮ জুলাই ঃ** মৰিগাঁৱৰ আৰক্ষীৰ এটা অভিযানকাৰী দলে আজি জেহাদী সংগঠনেৰে জড়িত থকাৰ অভিযোগত মৈৰাবাৰীত চহৰীয়া পামস্থিত জমিৰুল হুদা মাদ্ৰাছাৰ শিক্ষক মুফটি মোস্তাফাক গ্ৰেপ্তাৰ কৰে। আনহাতে, নিশাৰ ভাগত ভাৰতীয় উপ-মহাদেশত অল কায়দা (আকিছ)/আনছাৰউল্লাহ বাংলা টীম (এবিটি)ৰে যোগাযোগ থকাৰ অভিযোগত মৰিগাঁৱৰ মিলনপুৰ ৱাৰ্ডৰ





আফছাৰউদ্দিন ভূঞা (৩৯)কো গ্ৰেপ্তাৰ কৰে বুলি অসম আৰক্ষীয়ে সদৰী কৰিছে। তদুপৰি প্ৰথমবাৰৰ বাবে আজি ৰাজ্যত মৰিগাঁৱৰ মৈৰাবাৰীৰ দুখন মাদ্ৰাছা জিলা প্ৰশাসনে ছীল কৰি দিয়ে। শিক্ষক মোস্তাফাক গ্ৰেপ্তাৰ কৰাৰ লগতে জেহাদীৰে সম্পৰ্ক থকাৰ অভিযোগত মহিলাসহ আন আঠজনক সোধপোছৰ বাবে আটক কৰে আৰক্ষীয়ে। এক সংবাদমেলত জিলাখনৰ আৰক্ষী অধীক্ষক অৰ্পণা নটৰাজনে কয় যে মৈৰাবাৰী *আঠ পৃষ্ঠাত চাওক*



*বিত্তমন্ত্ৰী অজন্তা নেওগৰ গৃহত মহিলাক যৌন নিৰ্যাতনৰ অভিযোগ তুলি মন্ত্ৰীগৰাকীৰ জুমুঠি দাহ মহিলা কংগ্ৰেছৰ।*

■ তিনি জিলাত ২৪ ঘণ্টাত ১০ সন্দেহযুক্ত জেহাদীক গ্ৰেপ্তাৰ

## ধৰ্মীয় মাদ্ৰাছাত শিপাইছে মৌলবাদ, শ্লীপাৰ চেলৰ কাম কৰিছে ঃ মুখ্যমন্ত্ৰী

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ২৮ জুলাই ঃ** দুৰ্ধৰ্ষ সন্ত্ৰাসবাদী সংগঠন অল কায়দাৰ ভাৰতীয় উপ-মহাদেশ (আকিছ)ৰ প্ৰধান গোট চুবুৰীয়া বাংলাদেশৰ জেহাদী আনছাৰউল্লাহ বাংলা টীম (এবিটি)-এ অসমত সন্ত্ৰাসবাদৰ ভয়াৱহ জাল পেলাইছে। বিগত ২৪ ঘণ্টাত অসম আৰক্ষীয়ে এবিটিৰ এটা বৃহৎ গোটক জালত পেলায়। জেহাদী সংগঠনটোৰ স'তে যোগসূত্ৰ থকাৰ অভিযোগত বৰপেটা, মৰিগাঁও আৰু গুৱাহাটীত আৰক্ষীয়ে চলোৱা অভিযানত ইতিমধ্যে ১০জনক গ্ৰেপ্তাৰ কৰা হয় বুলি অসম আৰক্ষীৰ বিশেষ সঞ্চালক প্ৰধান (আইন-শৃংখলা) জি পি সিঙে সদৰী কৰিছে। উল্লেখ্য যে দুদিন পূৰ্বে দুৰ্ধৰ্ষ সন্ত্ৰাসবাদী সংগঠন অল কায়দাত যোগদানৰ উদ্দেশ্যে যোৱা এজন যুৱকক বাংগালুৰুত কৰ্ণাটক আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হোৱাৰ পাছতে এই বৃহৎ সংখ্যক সন্দেহযুক্ত জেহাদীক জালত *১০ পৃষ্ঠাত চাওক*

■ বৰপেটাত বহু যুৱকক শ্লীপাৰ চেল হিচাপে ব্যৱহাৰ কৰিছে আনছাৰউল্লাহ বাংলা টীমে

## জেহাদীৰ সন্দেহত বৰপেটাত গ্ৰেপ্তাৰ আঠ

**বিশেষ সংবাদদাতা**
**বৰপেটা, ২৮ জুলাই ঃ** বৰপেটা সদৰ আৰক্ষী থানাই জেহাদী বিৰোধী অভিযান চলাই ১১ জন লোকক আটক কৰে। অৱশেষে আজি নিশালৈ ইয়াৰে আঠজনক গ্ৰেপ্তাৰ কৰা হয় বুলি তথ্য সদৰী কৰিছে অসম আৰক্ষীৰ বিশেষ আৰক্ষী সঞ্চালকপ্ৰধান (আইন-শৃংখলা) জিপি সিঙে। বৰপেটা জিলাৰ বিভিন্ন স্থানৰ লগতে গুৱাহাটী মহানগৰীত কালি গোটেই নিশা চলে বৰপেটা আৰক্ষীৰ জেহাদী বিৰোধী অভিযান। অভিযান কালত



বৰপেটা জিলাৰ বিভিন্ন স্থানৰ লগতে গুৱাহাটীৰ হাতীগাঁৱৰ পৰা ১১ জন সন্দেহযুক্ত জেহাদীক আৰক্ষীয়ে আটক কৰে। বৰপেটা আৰক্ষীয়ে গুৱাহাটী মহানগৰ আৰক্ষীৰ সহযোগত হাতীগাঁৱৰ পৰা আটক কৰে ছাহানুৰ আলমক। মুজিবৰ ৰহমানৰ পুত্ৰ ধৃত ছাহানুৰ আলমৰ ঘৰ বৰপেটা আৰক্ষী থানাৰ অন্তৰ্গত বানিয়াৰাপাৰা গাঁৱত। আনহাতে, বৰপেটা আৰক্ষীয়ে জিলাখনৰ বিভিন্ন স্থানৰ পৰা আটক কৰা সন্দেহযুক্ত জেহাদীকেইজন হৈছে ক্ৰমে সৰ্থেবাৰী আৰক্ষী থানাৰ অন্তৰ্গত ক্ষুদ্ৰ *আঠ পৃষ্ঠাত চাওক*

## আত্মহত্যাৰ স্থলী

**দেশ-কাল-সমাজ**
**ড° দীনেশ বৈশ্য**



গুণী-জ্ঞানী সুশিক্ষিত উৎকৃষ্ট সচেতন নাগৰিকৰ সৃষ্টি কৰিবলৈ সমাজে এটা শিক্ষা ব্যৱস্থা সৃষ্টি কৰিছে। এই শিক্ষা ব্যৱস্থাটোৱে মানুহক গুণী কৰে, জ্ঞানী কৰে, সুশিক্ষিত আৰু সচেতন কৰি গঢ়ি তোলে। যুগে যুগে চলি অহা সামাজিক, ৰাজনৈতিক, আৰ্থিক বঞ্চনা, নিৰ্যাতন আদিৰ পৰা মানুহক মুক্ত কৰিবলৈ শিক্ষাৰ প্ৰয়োজন। মানৱীয় মূল্যবোধ *১০ পৃষ্ঠাত চাওক*

## অসমৰ অজিত ভূঞাসহ পুনৰ নিলম্বিত হ'ল তিনিজনকৈ বিৰোধী সাংসদ

এই পৰ্যন্ত মুঠ ২৭জন বিৰোধীৰ সাংসদ নিলম্বিত

**■ নিউজ ব্যুৰ'**
**নতুন দিল্লী, ২৮ জুলাই ঃ** সংসদৰ অধিবেশন চলাকালীন বিশৃংখল আচৰণৰ বাবে ৰাজ্যসভাৰ পৰা আৰু তিনিজন বিৰোধী সাংসদক নিলম্বন কৰা হয়। আজি নিলম্বিত হোৱা সাংসদসকলৰ ভিতৰত আছে অসমৰ আঞ্চলিক গণমৰ্চাৰ অজিত কুমাৰ ভূঞা আৰু আম আদমী পাৰ্টিৰ সুশীল *১০ পৃষ্ঠাত চাওক*

## লিডুত চোৰাং কয়লা সৰবৰাহ কৰিবলৈ গৈ এজন শ্ৰমিকৰ মৃত্যু

অবৈধ খনন-সৰবৰাহৰ বৃহৎ ছিণ্ডিকেট চলিছে

**অগ্ৰদূত বাৰ্তা**
**মাৰ্ঘেৰিটা, ২৮ জুলাই ঃ** তিনিচুকীয়া জিলাৰ মাৰ্ঘেৰিটাত অবৈধ কয়লা খনন আৰু সৰবৰাহক কেন্দ্ৰ কৰি বৃহৎ ছিণ্ডিকেট চলি থকাৰ অভিযোগ উঠিছে। মহকুমাটোৰ অন্তৰ্গত পাহাৰাঞ্চলসমূহত অবৈধ কয়লাখনি স্থাপন কৰি একাংশ মাফিয়াই অঞ্চলটোত থকা 'কোক ক'ল' ভাটাসমূহলৈ নিতৌ চোৰাং কয়লা সৰবৰাহ কৰি আছে। অবৈধভাৱে কয়লা খনন কৰি থাকোতে ওপৰৰ পৰা পাহাৰ খহি জীৱন্তে সমাধিস্থ *১০ পৃষ্ঠাত চাওক*



| তাপমাত্ৰা | সৰ্বোচ্চ | সৰ্বনিম্ন |
|---|---|---|
| গুৱাহাটী | ৩১° | ২৬° |
| ডিব্ৰুগড় | ৩২° | ২৫° |
| দিল্লী | ৩৪° | ২৭° |
| কলকাতা | ৩১° | ২৭° |
| মুম্বাই | ৩০° | ২৭° |
| চেন্নাই | ৩৩° | ২৭° |
| বাংগালুৰু | ২৯° | ২১° |
| শ্বিলং | ২২° | ১৮° |

*২৮ জুলাই, ২০২২*

## চেঙা তেল



*এওঁ কিমান দিন কোৱাৰেণ্টাইনত থাকে বাৰু কোনো উত্তৰ আমাৰ হাতত নাই!*

অসামৰ্থতা প্ৰকাশ কৰি শ্ৰম আয়ুক্ত-ডিব্ৰুগড়ৰ উপায়ুক্তলৈ পত্ৰ ■ তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি

## মইনা নায়কক ক্ষতিপূৰণ দিবলৈ অমান্তি লেপেটকটা চাহ বাগিচা কৰ্তৃপক্ষ

**বিশেষ সংবাদদাতা**
**ডিব্ৰুগড়, ২৮ জুলাই ঃ** ৰাজ্য চৰকাৰক অংগুষ্ঠ প্ৰদৰ্শন কৰিলে ডিব্ৰুগড়ৰ লেপেটকটা চাহ বাগিচাই। চৰকাৰ তথা শ্ৰম বিভাগৰ নিৰ্দেশনাক কেৰেপ নকৰি সংশ্লিষ্ট কৰ্তৃপক্ষলৈ আজি পত্ৰ প্ৰেৰণ কৰে। এই পত্ৰৰ বিষয়ে অৱগত হৈ চাহ শ্ৰমিকৰ লগতে দল-সংগঠনসমূহ জাঙুৰ খাই উঠিছে। উল্লেখ্য যে লেপেটকটা চাহ বাগিচাত কৰ্মৰত অৱস্থাত দুৰ্ঘটনাগ্ৰস্ত হৈ অতি গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত হোৱা বাগিচা শ্ৰমিক মইনা নায়কক বাগিচা কৰ্তৃপক্ষই প্ৰথমে ক্ষতিপূৰণ আদায়ত হয়ভৰ দিয়াৰ *১০ পৃষ্ঠাত চাওক*

## ক'ভিড-১৯ প্ৰতিষেধক লৈ কিশোৰীৰ মৃত্যুৰ সন্দেহত উত্তপ্ত পৰিস্থিতি

**অগ্ৰদূত বাৰ্তা**
**চাবুৱা, ২৮ জুলাই ঃ** ক'ভিডৰ প্ৰতিষেধক লোৱাৰ পাছতে এগৰাকী ১৩ বছৰীয়া কিশোৰীৰ মৃত্যু হোৱাৰ সন্দেহত চাবুৱাৰ বালিজান চাহ বাগিচাত আজি আবেলি উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি হয়। সমগ্ৰ দেশত ক'ভিড-১৯ৰ তৃতীয় পালি *১০ পৃষ্ঠাত চাওক*

## যোৰহাটত কলকাতা অভিমুখী বিমান ৰাণৱেৰ পৰা গৈ সোমাল বোকাত



**ষ্টাফ ৰিপ'ৰ্টাৰ**
**যোৰহাট, ২৮ জুলাই ঃ** কথমপি ৰক্ষা পৰিল যোৰহাট বিমানকোঠৰ পৰা কলকাতা অভিমুখী এখন যাত্ৰীবাহী বিমান। আজি বিয়লি কলকাতালৈ যাত্ৰা কৰিবলগীয়া ইণ্ডিগ' বিমানখন উৰাৰ সময়তে সংঘটিত হয় এই অঘটন। বিয়লি ২.২০ বজাত কলকাতালৈ উৰিবলগীয়া বিমানখন উৰণ আৰম্ভ কৰাৰ আগমুহূৰ্তত ৰাণৱেৰ পৰা গৈ বোকাত সোমাই পৰে। লগে লগে যাত্ৰীসকলক নমাই বাছযোগে জিৰণি কক্ষলৈ লৈ অহা হয়। ইফালে, প্ৰায়বোৰ যাত্ৰীৰ কলকাতাৰ পৰা অন্যান্য স্থানলৈ সংযোগী বিমান আছিল। নিশা পৰ্যন্ত বিকল্প কোনো ব্যৱস্থা নকৰাত যাত্ৰীসকলৰ মাজত হাহাকাৰ লাগিছে।

■ দেশভক্তি দিৱসত অংশগ্ৰহণ কৰি ক'লে মুখ্যমন্ত্ৰী ড° শৰ্মাই

## অসমত স্বাধীনতা আন্দোলনৰ চেতনা জাগ্ৰত কৰিছিল তৰুণৰাম ফুকনে

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ২৮ জুলাই ঃ** 'দেশপ্ৰেমৰ জ্বলন্ত আদৰ্শ আৰু অনুপ্ৰেৰণাৰে ভাৰতৰ স্বাধীনতা সংগ্ৰামৰ ইতিহাসত সোণালী আখৰেৰে নিজৰ নাম লিপিবদ্ধ কৰা মহান সংগ্ৰামী সকলৰ অন্যতম হৈছে দেশভক্ত তৰুণৰাম ফুকন। মহাত্মা গান্ধীৰ নেতৃত্বৰ প্ৰতি আনুগত্য প্ৰদৰ্শন কৰি স্বাধীনতা আন্দোলনক নেতৃত্ব দিয়া আত্মত্যাগী, ব্যক্তিত্ববান, দেশপ্ৰাণ পুৰুষসকলৰ *১০ পৃষ্ঠাত চাওক*



প্ৰাণ বচাবলৈহে নিশাই পলাইছিল অসমৰ ১৯ শ্ৰমিক ■ চিবিআই তদন্ত দাবী নেমছুৰ

■ অতি শোচনীয় অৱস্থাত থাকিবলগীয়া হৈছে

## বৃহৎ দালাল চক্ৰই শ্ৰমিকক অৰুণাচললৈ নি ভাবুকিৰে আবদ্ধ কৰি ৰাখে

**ষ্টাফ ৰিপ'ৰ্টাৰ/অগ্ৰদূত বাৰ্তা**
**তেজপুৰ/ঠেলামৰা, ২৮ জুলাই ঃ** 'অসমৰ শ্ৰমিকক শোষণ কৰে অৰুণাচলৰ ঠিকাদাৰ অথবা মালিক পক্ষই। ভাৰত-চীন সীমান্তত এতিয়াও বিভিন্ন জাতি-জনগোষ্ঠীৰ শ শ অসমৰ শ্ৰমিকে কাম কৰি আছে। অলপতে অৰুণাচলৰ পৰা পলায়ন কৰা ১৯জন শ্ৰমিকক কুৰুং কুমে জিলাৰ কালৰিয়াং থানাৰ অন্তৰ্গত সীমান্ত পথ নিৰ্মাণ সংস্থাৰ অধীনত যি পথ নিৰ্মাণৰ কাম চলিছিল তাতেই নিয়োজিত কৰা হৈছিল। এই শ্ৰমিকসকলক অসমৰ পৰা অৰুণাচললৈ নিয়াৰ ক্ষেত্ৰত একাংশ ঠিকাদাৰ আৰু মধ্যভোগী দালাল জড়িত আছে। এই ১৯জন শ্ৰমিকক অসমৰ মধ্যভোগী দালাল বঙাইগাঁৱৰ অভয়াপুৰীৰ ৰেজাউল হক, লখিমপুৰৰ *১০ পৃষ্ঠাত চাওক*

## অজাপ নেতা দুলু আহমেদৰ বিৰুদ্ধে গোচৰ কং বিধায়ক শিকদাৰৰ

**বিশেষ সংবাদদাতা**
**বৰপেটা, ২৮ জুলাই ঃ** অসম জাতীয় পৰিষদৰ উপ-সভাপতি দুলু আহমেদৰ বিৰুদ্ধে মানহানিৰ গোচৰ তৰিলে কংগ্ৰেছ নেতা তথা সৰুক্ষেত্ৰীৰ বিধায়ক জাকিৰ হুছেইনে। সদ্য ৰাষ্ট্ৰপতিৰ নিৰ্বাচনত সৰুক্ষেত্ৰীৰ বিধায়কজনে বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থী দ্ৰৌপদী মুৰ্মুক ভোটদান কৰা *১০ পৃষ্ঠাত চাওক*

■ অসম-ত্ৰিপুৰা-পশ্চিমবংগক সৈ সতৰ্ক কৰি দিলে গৃহ মন্ত্ৰণালয়ে
■ কক্স বাজাৰৰ শৰণাৰ্থী শিবিৰৰ পৰা উধাও বৃহৎসংখ্যক লোক

## বাংলাদেশৰ পৰা ৰহিংগ্যাক আনি ভাৰতত নিয়োগ কৰিছে ঘৰুৱা কামত

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ২৮ জুলাই ঃ** উত্তৰ-পূব ভাৰতত অনুপ্ৰৱেশকাৰী বাংলাদেশী আৰু ৰহিংগ্যাক সংস্থাপনৰ গোপন অভিযান সন্তৰ্পণে অব্যাহত থকাৰ তথ্য উদ্ধাৰ হৈছে। উত্তৰ-পূব ভাৰতৰ ৰাজ্যকেইখনৰ ভিতৰত অসম আৰু ত্ৰিপুৰাৰ লগতে পশ্চিমবংগত এনে তৎপৰতা অধিক বুলি তথ্য উদ্ধাৰৰ পাছত গৃহ মন্ত্ৰণালয়ে আটাইকেইখন ৰাজ্যৰ চৰকাৰক সতৰ্ক কৰি দিছে। ইয়াৰ অংশৰূপে ৰাজ্যবোৰৰ নিজা চোৰাংচোৱা সংস্থাসমূহক অধিক সক্ৰিয়তা অৱলম্বনৰ নিৰ্দেশ দিছে মন্ত্ৰণালয়ে। কেন্দ্ৰীয় সংস্থাসমূহেও সতৰ্কতামূলক তথা চোৰাংচোৱা ব্যৱস্থা ত্বৰান্বিত কৰাক লৈ ৰাজ্যকেইখনৰ লগত নিয়মীয়া যোগাযোগ অব্যাহত ৰখা বুলি অসম আৰক্ষীৰ সূত্ৰই সদৰী কৰে। উল্লেখ্য যে শেহতীয়া সময়ছোৱাত বাংলাদেশৰ কক্স বাজাৰত অৱস্থিত ৰহিংগ্যাৰ বৃহৎ শৰণাৰ্থী শিবিৰৰ পৰা বহু লোক উধাও হৈছে। ইয়াৰে কিছুসংখ্যক ৰহিংগ্যা শৰণাৰ্থীয়ে ভাৰতত বাহৰ পতাৰ তথ্য পোহৰলৈ আহিছে। *১০ পৃষ্ঠাত চাওক*

■ মুৰ্মুক 'ৰাষ্ট্ৰপত্নী' বুলি কংগ্ৰেছ সাংসদৰ মন্তব্যক কেন্দ্ৰ কৰি উত্তপ্ত পৰিস্থিতি ■ কংগ্ৰেছ সভানেত্ৰীক ক্ষমা খোজাৰ দাবীত সৰৱ বিজেপি ■ 'অধীৰে ক্ষমা খুজিছে, মোক কিয় টানিছে?'

## সংসদতে সংঘাতত লিপ্ত ছোনিয়া-স্মৃতি





**■ নিউজব্যুৰ'**
**নতুন দিল্লী, ২৮ জুলাই ঃ** কংগ্ৰেছে দেশৰ নৱনিযুক্ত ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মুক 'অৱমাননা' কৰা বুলি অভিযোগ কৰি দলৰ সভানেত্ৰী ছোনিয়া গান্ধীক ক্ষমা বিচাৰিবলৈ আজি শাসকীয় বিজেপিয়ে দাবী জনায়। লোকসভাত কংগ্ৰেছৰ দলনেতা অধীৰ ৰঞ্জন চৌধুৰীয়ে মুৰ্মুক 'ৰাষ্ট্ৰপত্নী' বুলি অভিহিত



কৰাৰ পাছতে সৰৱ হৈ পৰে শাসকপক্ষ। ছোনিয়া গান্ধীৰ পৰা ক্ষমা বিচাৰি মন্ত্ৰী স্মৃতি ইৰাণীয়ে তীব্ৰ আক্ৰমণাত্মক মন্তব্য কৰে। তেওঁ কয় যে ছোনিয়া গান্ধীয়ে দেশৰ সৰ্বোচ্চ সাংবিধানিক পদত অধিষ্ঠিত এগৰাকী মহিলাক অপমানত অনুমোদন দিছে। ক্ষুব্ধ ইৰাণীয়ে ছোনিয়াক আদিবাসী বিৰোধী, দলিত বিৰোধী, আৰু নাৰী *১০ পৃষ্ঠাত চাওক*

সামাজিক মাধ্যমত চলাইছে ভুৱা প্ৰচাৰ

## গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ত চাকৰিৰ ভুৱা বিজ্ঞাপন, গোচৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ২৮ জুলাই ঃ** লাখ লাখ নিবনুৱাৰে ভাৰাক্ৰান্ত অসমত এইবাৰ ভুৱা বিজ্ঞাপনৰ জৰিয়তে নিবনুৱাক জালক পেলোৱাৰ ষড়যন্ত্ৰ ৰচনা কৰিছে প্ৰৱঞ্চক চক্ৰই। সম্প্ৰতি সামাজিক মাধ্যমত ভাইৰেল হৈ পৰা 'লিখিত পৰীক্ষা নিদিয়াকৈ গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ত ওলাইছে স্থায়ী চাকৰি' শীৰ্ষক এক ভুৱা বিজ্ঞাপনে তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। বিষয়টো অৱগত হোৱাৰ পাছতে জিএমচিএইছ কৰ্তৃপক্ষই প্ৰৱঞ্চকৰ বিৰুদ্ধে ভঙাগড় আৰক্ষী থানাত গোচৰ ৰুজু কৰিছে। লগতে এনেধৰণৰ ভুৱা বিজ্ঞাপনত ভোল নাযাবলৈ *১০ পৃষ্ঠাত চাওক*

## ভেজাল ম'বিল প্ৰস্তুত কাৰখানা উৎখাত, জব্দ বৃহৎ পৰিমাণৰ সামগ্ৰী



**অগ্ৰদূত বাৰ্তা**
**আগিয়া, ২৮ জুলাই ঃ** যোৱা নিশা আৰক্ষীয়ে গোৱালপাৰা চহৰৰ কিচমতপুৰত অবৈধভাৱে চলাই থকা এটা ম'বিল কাৰখানা উৎখাত কৰে। কিচমতপুৰৰ মনোৱাৰ হুছেইনে তেওঁৰ ঘৰত অবৈধ ম'বিল কাৰখানা খুলি *১০ পৃষ্ঠাত চাওক*

## ইৰাকৰ সংসদত প্ৰৱেশ কৰি সহস্ৰাধিকৰ বিক্ষোভ প্ৰদৰ্শন



**নিউজ ব্যুৰ', বাগদাদ, ২৮ জুলাই ঃ** ইৰাকত ইৰান সমৰ্থক ব্যক্তিক প্ৰধানমন্ত্ৰী পদৰ প্ৰাৰ্থী প্ৰক্ষেপ কৰাক লৈ জনতাৰ ব্যাপক বিক্ষোভ অব্যাহত আছে। যোৱা নিশা এই প্ৰতিবাদে হিংসাত্মক ৰূপ ধাৰণ কৰে। সহস্ৰাধিক প্ৰতিবাদকাৰীয়ে ইৰাকৰ সংসদত প্ৰৱেশ কৰি ইৰান সমৰ্থক ব্যক্তিক প্ৰধানমন্ত্ৰী পদৰ প্ৰাৰ্থী প্ৰক্ষেপ কৰাৰ বিৰুদ্ধে বিক্ষোভ প্ৰদৰ্শন কৰে। ঘটনাস্থলীত নিৰাপত্তাৰক্ষী আছিল যদিও উত্তেজিত বিক্ষোভকাৰীক বাধা দিবলৈ সফল নহ'ল। বিক্ষোভকাৰীসকলে সদনত প্ৰৱেশ কৰি লণ্ডভণ্ড কৰাৰ লগতে হিংসাত্মক ঘটনাও সংঘটিত কৰে। উল্লেখ্য যে এই বিক্ষোভৰ নেতৃত্বদান কৰিছে মুক্তদা ছদ্ৰ নামৰ এজন শ্বিয়ামূলৰ মৌলবীয়ে।

## যুদ্ধত বিধ্বস্ত ইউক্ৰেইন, মডেলিঙত ব্যস্ত জেলেনস্কি দম্পতী



**নিউজ ব্যুৰ', কীভ, ২৮ জুলাই ঃ** পাঁচ মাহৰো অধিক দিনৰ যুদ্ধত বিধ্বস্ত হৈছে ইউক্ৰেইন। ৰাছিয়াৰ ধাৰাবাহিক আক্ৰমণত ইউক্ৰেইনে অগণন নাগৰিকে দেশ ত্যাগ কৰি বিদেশত আশ্ৰয় ল'বলৈ বাধ্য হৈছে। দেশ আৰু দেশবাসীৰ এনে দুৰ্দশাৰ মাজতে ইউক্ৰেইনৰ ৰাষ্ট্ৰপতি ভ্লাদিমীৰ জেলেনস্কি আৰু তেওঁৰ পত্নী অলেনা জেলেনস্কি ব্যস্ত হ'ল জনপ্ৰিয় ফেশ্বন আলোচনীৰ বাবে মডেলিঙত। এই ঘটনা পোহৰলৈ অহাৰ পাছতে বিশ্বজুৰি প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। প্ৰতিদিন অগণন সৈনিক যুদ্ধক্ষেত্ৰত ছহিদ হোৱাৰ সময়ত ৰাষ্ট্ৰপ্ৰধানে কেনেকৈ মডেলিঙত ব্যস্ত হ'ব পাৰে বুলি সামাজিক মাধ্যমত প্ৰশ্ন উত্থাপিত হ'ল। উল্লেখ্য যে সামাজিক মাধ্যমত অলপতে জেলেনস্কিৰ পত্নী অলেনাই কেইখনমান ফটো প'ষ্ট কৰিছিল। স্বামীৰ স'তে অলেনাই ফেশ্বন আলোচনী ভ'গৰ বেটুপাতৰ বাবে ফটো ছেচনত অংশ লৈছিল। এইদৰে ভ'গৰ বাবে মডেলিং কৰা ফটো অলেনাই ৰাজহুৱা কৰাৰ পাছত একাংশ লোকে ইউক্ৰেইনৰ ৰাষ্ট্ৰপতি আৰু তেওঁৰ পত্নীৰ দায়িত্ব জ্ঞানক লৈ প্ৰশ্ন কৰিছে।

## অৰ্পিতাৰ ফ্লেটৰ দুৱাৰত ১১,৮০৯ টকাৰ বকেয়া আদায়ৰ জাননী, কোঠাৰ ভিতৰত আছিল ২৯ কোটি টকা



**নিউজ ব্যুৰ', কলকাতা, ২৮ জুলাই ঃ** পশ্চিমবংগৰ শিক্ষক নিযুক্তিৰ কেলেংকাৰিত অভিযুক্ত ৰাজ্যখনৰ মন্ত্ৰী পাৰ্থ চেটাৰ্জীৰ ঘনিষ্ঠ অভিনেত্ৰী-মডেল অৰ্পিতা মুখাৰ্জীৰ দ্বিতীয়টো ফ্লেটত তালাচী চলাই প্ৰৱৰ্তক সঞ্চালকালয় (ই ডি)-এ ২৮ কোটি ৯০ লাখ টকা যোৱা নিশা জব্দ কৰে। ফ্লেটটোৰ স্নানাগাৰ আৰু বিছনাৰ পৰা জব্দ কৰা উক্ত ধনখিনি গণনা কৰাৰ বাবে ই ডিক এনিশাৰ প্ৰয়োজন হ'ল। অভিনেত্ৰ-মডেলগৰাকীৰ দ্বিতীয়টো ফ্লেটৰ পৰা বৃহৎ পৰিমাণৰ নগদ ধনৰ লগতে ছয় কিলো স্বৰ্ণ অলংকাৰো ই ডিয়ে জব্দ কৰে। ই ডিৰ এই অভিযানৰ মাজতে অৰ্পিতাৰ ফ্লেটৰ বাহিৰত আঁৰি ৰখা এখন জাননী সামাজিক মাধ্যমত ভাইৰেল হৈছে। উক্ত জাননীত উল্লেখ কৰা অনুসৰি ফ্লেটৰ ছ'চাইটিৰ চোৰা-চিতাৰ বাবে অৰ্পিতাই ১১,৮০৯ টকা আদায় দিবলৈ বাকী আছিল। উক্ত ধনৰাশি আদায় দিবলৈ জাননীযোগে অভিনেত্ৰীগৰাকীক অৱগত কৰোৱা হৈছিল। যোৱা জানুৱাৰীৰ পৰা মাৰ্চৰ সময়ছোৱাত অৰ্পিতাই ফ্লেটৰ চোৰা-চিতাৰ বাবে ১১,৮০৯ টকা আদায় দিবলৈ বাকী আছে। যিটো ফ্লেটৰ দুৱাৰত ১১,৮০৯ টকা বকেয়া আদায়ৰ জাননী আঁৰি থোৱা আছিল, অৰ্পিতাৰ উক্ত ফ্লেটৰ ভিতৰৰ কোঠাতে আছিল প্ৰায় ২৯ কোটিৰ নগদ ধন। এই ঘটনাই সামাজিক মাধ্যমত বিশেষ চৰ্চা লাভ কৰিছে। অৰ্পিতাই অৱশ্যে ই ডিৰ আগত দাবী কৰা অনুসৰি, তেওঁৰ দুটাকৈ ফ্লেটত উদ্ধাৰ হোৱা ধনৰ স'তে কোনো সম্পৰ্ক নাই আৰু উক্ত ধনৰাশিৰ গৰাকী হৈছে মন্ত্ৰী চেটাৰ্জী।

## আমেৰিকাত ছবছৰীয়া শিশুৰ গুলিত নিহত ভগ্নী



**নিউজ ব্যুৰ', ইণ্ডিয়ানাপলিচ, ২৮ জুলাই ঃ** আমেৰিকাৰ ইণ্ডিয়ানাপলিচৰ উত্তৰ-পূৱত অৱস্থিত মংচী চহৰত এটি ছবছৰীয়া শিশুৱে নিজৰে পাঁচ বছৰীয়া বয়সৰ ভগ্নীক মূৰত গুলিবৰ্ষণ কৰিলে। এই ঘটনাত কণমানি শিশুটিৰ মৃত্যু হ'ল। আৰক্ষীয়ে ঘটনাৰ সন্দৰ্ভত ইতিমধ্যে শিশুটিৰ পিতৃ-মাতৃক গ্ৰেপ্তাৰ কৰিছে। জেকব গ্ৰেচন নামৰ ব্যক্তিজনে আৰক্ষীৰ আগত প্ৰকাশ কৰা অনুসৰি তেওঁৰ ছবছৰীয়া বয়সৰ পুত্ৰই আলমাৰিত ৰখা দুটা বন্দুকৰ এটা হাতত লৈ নিজৰে পাঁচ বছৰীয়া বয়সৰ ভগ্নীৰ মূৰত গুলিবৰ্ষণ কৰিছিল।



## এটা ছিৰিঞ্জৰে ৩০ শিক্ষাৰ্থীৰ টিকাকৰণ মধ্য প্ৰদেশত

**নিউজ ব্যুৰ' ভূপাল, ২৮ জুলাই ঃ** এটা ছিৰিঞ্জ ব্যৱহাৰ কৰি মধ্য প্ৰদেশত ৩০ ছাত্ৰ-ছাত্ৰীক প্ৰতিষেধক প্ৰদানক লৈ ব্যাপক প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। জীতেন্দ্ৰ নামৰ স্বাস্থ্যকৰ্মী এজনৰ বিৰুদ্ধে এই ভয়াৱহ অভিযোগ উত্থাপিত হ'ল। মধ্য প্ৰদেশৰ ছাগৰত টিকাকৰণ প্ৰক্ৰিয়াৰ সময়ত এখন বেচৰকাৰী বিদ্যালয়ত ৩০ ছাত্ৰ-ছাত্ৰীক একেটা ছিৰিঞ্জ ব্যৱহাৰ কৰি প্ৰতিষেধক প্ৰদানৰ অভিযোগ উত্থাপিত হৈছে জীতেন্দ্ৰৰ বিৰুদ্ধে। স্বাস্থ্য কৰ্মীৰ এই কাণ্ডক লৈ অভিভাৱকসকলে বিক্ষোভ প্ৰদৰ্শন কৰাত জীতেন্দ্ৰই ইয়াৰ বাবে ঊৰ্ধ্বতন কৰ্তৃপক্ষক জগৰীয়া কৰি কয়, 'টিকাকৰণৰ সামগ্ৰী যিজন ব্যক্তিয়ে মোক দিছিল, তেওঁ এটা ছিৰিঞ্জ দিছিল। সেয়েহে এটা ছিৰিঞ্জৰে সকলোকে মই প্ৰতিষেধক দিলো। ইয়াত মোৰ দোষ কি? মোক যদি মাত্ৰ এটা ছিৰিঞ্জ দিয়ে মই কি কৰিম?' ইতিমধ্যে জীতেন্দ্ৰৰ বিৰুদ্ধে ছাগৰ প্ৰশাসনে আৰক্ষী থানাত গোচৰ ৰুজু কৰিছে।

**লোকসভাত তথ্য দাখিল ঃ আঠ বছৰত চাকৰিৰ বাবে ২২.০৫ কোটি যুৱক-যুৱতীৰ আবেদন দাখিল**

## মোদীৰ শাসনত বাঢ়িল নিবনুৱা, আঠ বছৰত ০.৩৩ শতাংশক নিযুক্তি

**নিউজ ব্যুৰ' নতুন দিল্লী, ২৮ জুলাই ঃ** দেশত ক্ৰমশঃ বৃদ্ধি পাইছে নিবনুৱাৰ সংখ্যা। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ শাসনকালত বাৰম্বাৰ নিবনুৱাৰ পৰিসংখ্যা দাঙি ধৰি বিৰোধী শিবিৰে চৰকাৰক সমালোচনা কৰি আহিছে। এইবাৰ স্বয়ং মোদী চৰকাৰে দেশৰ ভয়াৱহ নিবনুৱা সমস্যাৰ কথা স্বীকাৰ কৰিলে। কালি লোকসভাত কেন্দ্ৰীয় চৰকাৰে দাখিল কৰা তথ্য অনুসৰি যোৱা আঠ বছৰত দেশত চাকৰি লাভ কৰিলে মাত্ৰ ০.৩৩ শতাংশ আবেদনকাৰীয়ে। কেন্দ্ৰীয় চৰকাৰৰ তথ্য অনুসৰি, ২০১৪-১৫ৰ বিত্তীয় বৰ্ষৰ পৰা ২০২১-২২ বিত্তীয় বৰ্ষ পৰ্যন্ত কেন্দ্ৰীয় চৰকাৰৰ চাকৰিৰ বাবে ২২.০৫ কোটি যুৱক-যুৱতীয়ে আবেদন দাখিল কৰিছিল। ইয়াৰে বিগত আঠ বছৰত মাত্ৰ ৭.২২ লাখ আবেদনকাৰীয়ে চাকৰিত নিযুক্তি লাভ কৰিলে।



আবেদনকাৰীৰ সংখ্যা হিচাপত দেশত আঠ বছৰত চৰকাৰী চাকৰিত মাত্ৰ ০.৩৩ শতাংশই নিযুক্তি লাভ কৰিলে। কেন্দ্ৰীয় মন্ত্ৰী জীতেন্দ্ৰ সিঙে বুধবাৰে লোকসভাত এই তথ্য দাখিল কৰিলে। মন্ত্ৰীজনে প্ৰকাশ কৰা অনুসৰি আঠ বছৰৰ ভিতৰত ২০১৯-২০ বিত্তীয় বৰ্ষত সৰ্বাধিক ১.৪৭ লাখ আবেদনকাৰীক চৰকাৰে নিযুক্তি দিছিল।

## দৈনিক আক্ৰান্তৰ সংখ্যা ২০ হেজাৰলৈ বৃদ্ধি, মৃত্যু ৪৫ জনৰ



**নিউজ ব্যুৰ', নতুন দিল্লী, ২৮ জুলাই ঃ** দেশত একেৰাহে তিনিদিন ক'ভিডৰ দৈনিক সংক্ৰমণ নিম্নগামী হোৱাৰ পাছত যোৱা ২৪ ঘণ্টাৰ পাছত ২০ হেজাৰৰ অধিক এই ভাইৰাছত আক্ৰান্ত হ'ল। কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰণালয়ৰ পৰিসংখ্যা অনুসৰি, যোৱা ২৪ ঘণ্টাত দেশৰ বিভিন্ন ৰাজ্যত ২০,৫৫৭ জন লোক ক'ভিডত সংক্ৰমিত হ'ল। বুধবাৰে আক্ৰান্তৰ সংখ্যা আছিল ১৮,৩১৩ জন। মহাৰাষ্ট্ৰত ২১৩৮, কেৰালাত ২১৩০, তামিলনাডুত ১৮০৩, কৰ্ণাটকত ১৬২৪, পশ্চিমবংগত ১২৭৩, ওড়িছাত ১১৭৪ আৰু দিল্লীত ১০৬৬ জন লোক বিগত এদিনত ক'ভিড আক্ৰান্ত হ'ল। ইফালে, যোৱা ২৪ ঘণ্টাত দেশত পুনৰ ৪৫ জন লোকৰ কৰ'নাত মৃত্যু হ'ল। কেৰালাত ১৩, মহাৰাষ্ট্ৰত আঠ, পশ্চিমবংগত পাঁচ, কৰ্ণাটক, দিল্লী, মধ্য প্ৰদেশ, জম্মু-কাশ্মীৰ, মণিপুৰ আৰু ত্ৰিপুৰাত দুজন, অসম, ওড়িছা, চত্তিছগড়, হিমাচল প্ৰদেশ, চণ্ডীগড়, ছিকিম আৰু নগালেণ্ডত এজনকৈ ক'ভিড ৰোগীৰ মৃত্যু হ'ল।

## সংকটত চীনৰ ৰিয়েল এষ্টেট ব্যৱসায়, এছিয়াৰ সবাতোকৈ ধনাঢ্য মহিলাৰ সম্পত্তি অৰ্ধেক হ্ৰাস



**নিউজ ব্যুৰ', বেইজিং, ২৮ জুলাই ঃ** চীনৰ ৰিয়েল এষ্টেট খণ্ডৰ ব্যৱসায় ভয়াৱহ সংকটৰ সন্মুখীন হৈছে। কৰ'না ভাইৰাছৰ সংক্ৰমণ আৰম্ভৰ পাছৰে পৰা চীনৰ গৃহনিৰ্মাণ উদ্যোগ খণ্ডৰ ব্যৱসায় অৱনমিত হ'বলৈ ধৰিছিল। ৰিয়েল এষ্টেট খণ্ডৰ এনে সংকটৰ পৰিণতিত এছিয়াৰ সবাতোকৈ ধনাঢ্য মহিলা হিচাপে স্বীকৃত হোৱা চীনৰ য়াংগ হুইয়ানৰ সম্পত্তিৰ পৰিমাণ অৰ্ধেক হ্ৰাস পালে। ব্লুমবৰ্গৰ প্ৰতিবেদনত উল্লেখ কৰা অনুসৰি য়াংগৰ চীনৰ বিখ্যাত ৰিয়েল এষ্টেট প্ৰতিষ্ঠান কাউণ্টি গাৰ্ডেনত বৃহৎ পৰিমাণৰ শ্বেয়াৰ আছিল। কিন্তু আজি য়াংগৰ সম্পত্তিৰ পৰিমাণ প্ৰায় ৫২ শতাংশ হ্ৰাস পালে। এবছৰ পূৰ্বে চীনৰ এইগৰাকী ধনাঢ্য ৰিয়েল এষ্টেট শ্বেয়াৰ ধাৰক মহিলাৰ মুঠ সম্পত্তিৰ পৰিমাণ আছিল ২৩ বিলিয়ন ডলাৰৰ । বৃহস্পতিবাৰে য়াংগৰ মুঠ সম্পত্তিৰ পৰিমাণ ১১ বিলিয়ন ডলাৰলৈ হ্ৰাস পালে। অৰ্থাৎ মাত্ৰ এবছৰতে চীনৰ এইগৰাকী ধনাঢ্য মহিলাই অৰ্ধেকাংশ সম্পদ হেৰুৱালে। চলিত সপ্তাহত কাউণ্টি গাৰ্ডেন কোম্পানীৰ শ্বেয়াৰ মূল্য ১৫ শতাংশ হ্ৰাস পোৱাৰ ফলত য়াংগৰ মুঠ সম্পত্তিৰ পৰিমাণো পুনৰ হ্ৰাস পালে।

## আন্তৰ্জাতিক মহাকাশ কেন্দ্ৰৰ পৰা ৰাছিয়াৰ প্ৰস্থান ঘোষণাত হতাশ আমেৰিকা

**নিউজ ব্যুৰ' ৱাশ্বিংটন, ২৮ জুলাই ঃ** আমেৰিকাৰ যুক্তৰাষ্ট্ৰৰ স'তে অংশীদাৰিত্বৰ ভিত্তিত ৰাছিয়াই ইমানদিনে আন্তৰ্জাতিক মহাকাশ কেন্দ্ৰ (আই এছ এছ)ৰ কাম-কাজ চলাই আহিছিল যদিও হঠাতে মস্কোৱে আই এছ এছ ত্যাগ কৰাৰ সিদ্ধান্ত ল'লে। ৰাছিয়াই প্ৰকাশ কৰা অনুসৰি আন্তৰ্জাতিক মহাকাশ কেন্দ্ৰ ত্যাগ কৰি দেশখনে নিজাববীয়া মহাকাশ কেন্দ্ৰ তৈয়াৰ কৰিব। আন্তৰ্জাতিক সংবাদ মাধ্যমৰ বাতৰি অনুসৰি, ২০২৪ বৰ্ষত ৰাছিয়াই আই এছ এছৰ পৰা বিদায় ল'ব। অৱশ্যে উক্ত সময়লৈকে আই এছ এছক যৌথ অংশীদাৰ হিচাপে ৰাছিয়াই আমেৰিকাৰ স'তে মহাকাশ গৱেষণাৰ কাম-কাজ অব্যাহত ৰাখিব। ৰাছিয়াৰ মহাকাশ সংস্থা ৰছকছমছৰ মুৰব্বী ইউৰি বৰিছ'ভে দেশখনৰ ৰাষ্ট্ৰপতি ভ্লাডিমীৰ পুটিনক ইতিমধ্যে অৱগত কৰি কৈছে যে ২০২৪ৰ ভিতৰত



ৰাছিয়াই মহাকাশত নিজাববীয়া কেন্দ্ৰ স্থাপন কৰিবলৈ সফল হ'ব। ইফালে, আই এছ এছ ত্যাগৰ বাবে ৰাছিয়াই লোৱা সিদ্ধান্ত হতাশা প্ৰকাশ কৰিলে আমেৰিকাই। আমেৰিকাৰ বৈদেশিক বিভাগৰ মুখপাত্ৰ নেড প্ৰাইছে কয় যে মস্কোৰ এই ধনৰ সিদ্ধান্ত দুখজনক আৰু অপ্ৰত্যাশিত। প্ৰাইচে কয়, 'আমেৰিকা আৰু ৰাছিয়াই দীৰ্ঘ সময় ধৰি একেলগে মহাকাশ গৱেষণাৰ কাম কৰি আহিছে। ইউক্ৰেইন প্ৰসংগত এই সম্পৰ্কৰ ধাৰাত পৰিৱৰ্তন আহিছে। অৱশ্যে জন নিৰাপত্তা, বিজ্ঞান আৰু গৱেষণাৰ প্ৰসংগত একত্ৰে দুই দেশে কাম কৰাৰ সুযোগ আছে।' উল্লেখ্য যে ভূপৃষ্ঠৰ পৰা প্ৰায় ৪০০ কিলোমিটাৰ ওপৰত পৃথিৱীৰ কক্ষপথত মহাকাশ কেন্দ্ৰ আই এছ এছৰ অৱস্থান। ১৯৯৮ বৰ্ষৰ পৰা আমেৰিকা, ৰাছিয়া, জাপান, কানাডা আৰু ইউৰোপীয় মহাকাশ সংস্থাৰ যৌথ উদ্যোগত আই এছ এছ মহাকাশত সক্ৰিয় হৈ আছে।



## স্বামী অড়গড়ানন্দৰ পৰমহংস আশ্ৰমত গুলিবৰ্ষণত নিহত এজন সন্ন্যাসী

**নিউজ ব্যুৰ', মিৰ্জাপুৰ, ২৮ জুলাই ঃ** মিৰ্জাপুৰ জিলাৰ শশেক্তগড়স্থিত স্বামী অড়গড়ানন্দৰ পৰমহংস আশ্ৰমত আজি পুৱাতে ভক্ত আৰু আশ্ৰমবাসীয়ে দৈনন্দিন কাম-কাজত ব্যস্ত থকাৰ সময়তে গুলিবৰ্ষণৰ ঘটনা সংঘটিত হ'ল। দুৰ্বৃত্তৰ এই আক্ৰমণত এজন সন্ন্যাসীৰ মৃত্যু হ'ল। ঘটনাত আন এজন লোকো আহত হ'ল। ঘটনাৰ সময়ত স্বামী অড়গড়ানন্দ আশ্ৰমত উপস্থিত আছিল। যথাৰ্থ গীতাৰ প্ৰণেতা স্বামী অড়গড়ানন্দৰ দেশ আৰু বিদেশত লক্ষাধিক ভক্ত আছে। ঘটনাৰ খবৰ লাভৰ পাছতে আৰক্ষীয়ে আশ্ৰমত উপস্থিত হৈ তদন্ত আৰম্ভ কৰিছে।

## লুটৰ ধন ৰক্ষা কৰিছিল তেওঁলোকে, অৰ্পিতা সন্দৰ্ভত কি ইংগিত দিলে মিঠুন চক্ৰৱৰ্তীয়ে

**নিউজ ব্যুৰ', কলকাতা, ২৮ জুলাই ঃ** বুধবাৰে কলকাতাত উপস্থিত হৈ এক চাঞ্চল্যকৰ দাবী কৰিছিল অভিনেতা-বিজেপিৰ নেতা মিঠুন চক্ৰৱৰ্তীয়ে। মিঠুনে দাবী কৰি কৈছিল যে তৃণমূল কংগ্ৰেছৰ কমেও ৩৮ জন বিধায়কে বৰ্তমানে বিজেপিৰ স'তে যোগাযোগ অব্যাহত ৰাখিছে। আজি অভিনেতা-বিজেপিৰ নেতাজনে পুনৰ এক চাঞ্চল্যকৰ দাবী কৰিলে। তৃণমূল কংগ্ৰেছৰ মন্ত্ৰী পাৰ্থ চেটাৰ্জীৰ ঘনিষ্ঠ অভিনেত্ৰী-মডেল অৰ্পিতা মুখাৰ্জীৰ দুটা ফ্লেটৰ পৰা প্ৰৱৰ্তক সঞ্চালকালয়ে তালাচী চলাই প্ৰায় ৫০ কোটি টকাৰ নগদ ধন আৰু ছয় কিলো স্বৰ্ণ



অলংকাৰ জব্দ কৰিলে। এই ঘটনাই সকলোৰে চকু কপালত তুলিছে। অৰ্পিতাৰ বাসগৃহত এইদৰে ইমান বৃহৎ পৰিমাণৰ নগদ ধন আৰু সোণ উদ্ধাৰ হোৱা ঘটনাৰ সন্দৰ্ভত প্ৰতিক্ৰিয়া প্ৰকাশ কৰি আজি মিঠুনে কয়, 'ইমান ধন এই দুজনৰ বুলি ধাৰণা নহয়। মই ভাবো ইয়াত অনেকৰ ধন আছে। অনুৰোধ, সত্যটো এবাৰ কৈ দিয়ক। তেওঁলোকে লুটৰ টকাক ৰক্ষণাবেক্ষণ দিছিল।' মিঠুনৰ এই বক্তব্যৰ প্ৰতি সমৰ্থন ব্যক্ত কৰি চি পি এম নেতা সুজন চক্ৰৱৰ্তীয়ে কয়, 'মিঠুন চক্ৰৱৰ্তীৰ বক্তব্য একেবাৰে অসংগত নহয়। উক্ত দলৰ এটাই প'ষ্ট, বাকী সকলো লেম্পপ'ষ্ট। পাৰ্থ-অৰ্পিতাহঁত সকলোৰে হৈছে দবাৰ গুটি। ৰাজ্যত ইমানবোৰ ঘটনা সংঘটিত হ'ল, গৃহমন্ত্ৰী কিয় মৌন হৈ আছে?'

## উহানত চাৰি কৰ'না আক্ৰান্তক চিনাক্তৰ পাছতে ১০ লাখ লোকক কৰিলে গৃহবন্দী

**নিউজ ব্যুৰ', উহান, ২৮ জুলাই ঃ** চীনৰ উহান চহৰত আকৌ এবাৰ কৰ'না ভাইৰাছৰ সংক্ৰমণ ধৰা পৰিল। চহৰখনৰ জিয়াংগক্সিয়াত কৰ'নাত আক্ৰান্ত চাৰিজন লোকক চিনাক্ত কৰা হৈছে। ইয়াৰ পাছতে প্ৰশাসনে অঞ্চলটোৰ ১০ লাখ লোকক গৃহবন্দী কৰিলে। ক'ভিড প্ৰতিৰোধৰ বাবে চীন চৰকাৰে 'ক'ভিড শূন্য' নীতি অৱলম্বন কৰি আহিছে। এই নীতিৰ অধীনত প্ৰশাসনে কোনো অঞ্চলত ক'ভিডৰ সংক্ৰমণ ধৰা পৰিলে তৎকালে কঠোৰ তলাবন্ধ ঘোষণা কৰে। স্মৰ্তব্য যে উহানতে ২০১৯ৰ অন্তিম ভাগত বিশ্বৰ ভিতৰতে প্ৰথমবাৰ ক'ভিড-১৯ৰ সংক্ৰমণ ধৰা পৰিছিল। ইয়াৰ পাছত ক'ভিড



ভাইৰাছৰ সংক্ৰমণ সমগ্ৰ বিশ্বলৈ বিয়পি পৰিছিল। শেহতীয়াভাৱে উহানত পুনৰ কৰ'না ভাইৰাছৰ উপস্থিতি ধৰা পৰাত প্ৰশাসনে ৯,৭০,০০০ৰো অধিক লোকৰ বসতিপূৰ্ণ অঞ্চলটোত তিনিদিনৰ বাবে সৰ্বাত্মক তলাবন্ধ ঘোষণা কৰিলে। এই সময়ছোৱাত অঞ্চলটোৰ সকলো পানশালা, চিনেমাহল, কাৰ্যালয়, শিক্ষানুষ্ঠান, বজাৰ, ইত্যাদি বন্ধ থাকিব।

## এইবাৰ বন্দুকধাৰীৰ আক্ৰমণ চীনত, তিনিজনক হত্যা কৰি পলাতক আৰক্ষী



**নিউজ ব্যুৰ', বেইজিং, ২৮ জুলাই ঃ** বন্দুকধাৰীয়ে আক্ৰমণৰ ঘটনা সংঘটিত কৰিলে চীনত। ঘটনাত অভিযুক্ত হ'ল এজন আৰক্ষী। প্ৰকাশিত বাতৰি অনুসৰি চীনৰ মুচুৱান অঞ্চলত লী কিয়াং নামৰ এজন আৰক্ষীয়ে তিনিজন লোকক হত্যা কৰিলে। অভিযুক্তই প্ৰথমে চোকা অস্ত্ৰৰে তিনিজন লোকক আক্ৰমণ কৰিছিল আৰু ইয়াৰ পাছত গুলিবৰ্ষণ কৰে। ফলত তিনিজন লোকৰ মৃত্যু হোৱাৰ লগতে আন দুজন গুৰুতৰভাৱে আহত হয়। ঘটনা সংঘটিত কৰিয়ে আৰক্ষী বিষয়াজনে পলায়ন কৰিছিল। পলাতক অভিযুক্তৰ সন্ধানত আৰক্ষীয়ে অভিযান অব্যাহত ৰাখিছে।

## পুনৰ আমেৰিকা-দক্ষিণ কোৰিয়াক পৰমাণু আক্ৰমণৰ ভাবুকি কীমৰ

**নিউজ ব্যুৰ', পিয়ংইয়ং, ২৮ জুলাই ঃ** উত্তৰ কোৰিয়াৰ কমিউনিষ্ট শাসক কীম জং উনে আকৌ এবাৰ আমেৰিকা আৰু দক্ষিণ কোৰিয়াক সম্ভাব্য সামৰিক সংঘৰ্ষত পাৰমাণৱিক অস্ত্ৰ প্ৰয়োগৰ ভাবুকি দিলে। কীমে অভিযোগ কৰি কয় যে উত্তৰ কোৰিয়াৰ প্ৰতিদ্বন্দ্বী দেশে যুদ্ধৰ পৰিস্থিতি সৃষ্টি কৰিব বিচাৰিছে। ১৯৫০-৫৩ৰ কোৰিয় যুদ্ধৰ সমাপ্তিৰ ৬৯ সংখ্যক বৰ্ষপূৰ্তি অনুষ্ঠানত অংশ লৈ কীমে ভাষণ প্ৰসংগত কয় যে শত্ৰু দেশক যিকোনো সময়তে প্ৰত্যুত্তৰ দিবলৈ উত্তৰ কোৰিয়া পাৰমাণৱিক অস্ত্ৰৰে সাজু হৈ আছে। মূলতঃ আমেৰিকা আৰু দক্ষিণ



কোৰিয়াক উদ্দেশি কীমে কয়, 'আমাৰ সশস্ত্ৰ বাহিনী যিকোনো সংকট অতিক্ৰম কৰিবলৈ সম্পূৰ্ণৰূপে সাজু আছে আৰু আমাৰ দেশ পাৰমাণৱিক শক্তিৰেও সম্পূৰ্ণৰূপে প্ৰস্তুত। শত্ৰুৱে অপচেষ্টা চলালে উত্তৰ কোৰিয়াই উপযুক্ত প্ৰত্যুত্তৰ দিব।'

## বিশ্বত মংকীপক্স আক্ৰান্ত লোকৰ সংখ্যা ১৮,০০০লৈ বৃদ্ধি, ৭০ শতাংশ আক্ৰান্ত ইউৰোপৰ



**নিউজ ব্যুৰ', জেনেভা, ২৮ জুলাই ঃ** বিশ্ব স্বাস্থ্য সংস্থা (হু)ৰ পৰিসংখ্যা অনুসৰি সমগ্ৰ বিশ্বত বৰ্তমানলৈকে ১৮ হেজাৰৰ অধিক লোক মংকীপক্সত আক্ৰান্ত হ'ল। হুৰ মুৰব্বী টেড্ৰছ অধানম ঘেব্ৰেয়েছেছে জেনেভাত এখন সংবাদমেলত এই তথ্য প্ৰকাশ কৰি এইদৰে কয়, 'বিশ্বৰ স্বাস্থ্য সংস্থাই লাভ কৰা তথ্য অনুসৰি বৰ্তমানলৈকে বিশ্বৰ ৭৮ খন দেশত ১৮,০০০ৰো অধিক লোক মংকীপক্সত আক্ৰান্ত হ'ল। এইসকল মংকীপক্স আক্ৰান্তৰ ৭০ শতাংশও অধিক হৈছে ইউৰোপৰ বাসিন্দা আৰু আন ২৫ শতাংশ আমেৰিকাৰ নাগৰিক।' মংকীপক্স বৰ্তমানলৈকে মাৰাত্মক প্ৰমাণিত হোৱা নাই যদিও ইয়াৰ দ্ৰুত সংক্ৰমণৰ প্ৰতি লক্ষ্য ৰাখি হুৱে বিশ্ববাসীক প্ৰয়োজনীয় সতৰ্কতা অৱলম্বনৰ পৰামৰ্শ দিছে।

## ছোমালিয়াত দুখন চহৰত বোমা বিস্ফোৰণত ১৯ জন লোকৰ মৃত্যু



**নিউজ ব্যুৰ', ম'গাডিছু, ২৮ জুলাই ঃ** ছোমালিয়াৰ দুখন চহৰত কালি সংঘটিত হোৱা পৃথক বোমা বিস্ফোৰণৰ ঘটনাত কমেও ১৯ জন লোকৰ মৃত্যু হোৱাৰ লগতে আন ২৩ জন লোক গুৰুতৰভাৱে আহত হয়। দুয়োটা বিস্ফোৰণ লৱাৰ ছবেলে প্ৰদেশত সংঘটিত হ'ল। মাৰ্কা চহৰত হোৱা আত্মঘাতী বোমাৰুৰ আক্ৰমণত ১৩ জন লোকৰ মৃত্যু হয়। এই বিস্ফোৰণত আন পাঁচজন লোক আহত হৈছিল। আনহাতে, দ্বিতীয় আৰু তৃতীয়টো ঘটনা অফগ'য় চহৰত সংঘটিত হৈছিল আৰু সাতজন লোকৰ মৃত্যু হোৱাৰ লগতে ১৮ জন লোক আহত হয়। বিস্ফোৰণৰ দায়িত্ব ইতিমধ্যে ইছলামিক সন্ত্ৰাসবাদী সংগঠন অল শ্বাবে স্বীকাৰ কৰিছে।

## ছমাহৰ ভিতৰত বাতিল কৰিব লাগিব ১৫ বছৰৰ পুৰণি গাড়ী ঃ এন জি টিৰ নিৰ্দেশ



**নিউজ ব্যুৰ', নতুন দিল্লী, ২৮ জুলাই ঃ** ১৫ বছৰৰ পুৰণি সকলো ব্যক্তিগত আৰু বাণিজ্যিক গাড়ীৰ পঞ্জীয়ন বাতিল কৰিবলৈ নিৰ্দেশ দিলে ৰাষ্ট্ৰীয় সেউজ ন্যায়াধিকৰণ (এন জি টি)-এ। ছমাহৰ ভিতৰতে ১৫ বছৰ পুৰণি গাড়ীসমূহ বাতিল কৰিব লাগিব। এন জি টিয়ে বিএছ৪ ইঞ্জিনৰ গাড়ীও বাতিলৰ নিৰ্দেশ দিছে। প্ৰদূষণ নিয়ন্ত্ৰণৰ পদক্ষেপ হিচাপে এন জি টিয়ে এই নিৰ্দেশনা জাৰি কৰিলে। উল্লেখ্য যে পূৰ্বেও এন জি টিয়ে বাণিজ্যিক গাড়ী নিয়ন্ত্ৰণৰ বাবে এনে পদক্ষেপ গ্ৰহণ কৰিছিল। অৱশ্যে বহু ৰাজ্যই এন জি টিৰ এনে নিৰ্দেশনা পালন কৰা নাছিল। এন জি টিৰ নিৰ্দেশনা অনুসৰি কলকাতা আৰু হাওৰাত নিষিদ্ধ কৰা হ'ব বিএছ৪ ইঞ্জিনৰ সকলো গাড়ী। ২০২৬ বৰ্ষৰ পূৰ্বে দিল্লীৰ ৰাষ্ট্ৰীয় ৰাজধানী অঞ্চলত ডিজেলচালিত অট'ৰিক্সা নিষিদ্ধ কৰাৰো সিদ্ধান্ত লোৱা হৈছে। পৰ্যায়ক্ৰমে এই অট'ৰিক্সাসমূহ দেশৰ ৰাজধানীৰ ৰাজপথৰ পৰা আঁতৰাই নিয়া হ'ব।



## জীৱন আৰু ঈশ্বৰ

### জ্যোতিষ চন্দ্ৰ দত্ত

প্ৰতিজন মানুহৰ চিন্তা ভাৱনা একে নোহোৱাটো স্বাভাৱিক, কাৰণ প্ৰতিজন মানুহৰ মনত বিভিন্ন সময়ত বিভিন্ন প্ৰকাৰে পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত মনত সৎ, অসৎ আৰু মহৎ চিন্তাই ক্ৰিয়া কৰে। সৎ চিন্তাই সৎ কৰ্মত প্ৰবৃত্ত কৰে, অসৎ চিন্তাই অসৎ কাৰ্যত আৰু মহৎ চিন্তাই মহৎ কৰ্মত প্ৰবৃত্ত কৰে। নিয়ম, সংযম আৰু যোগৰ মাধ্যমত মনক নিয়ন্ত্ৰণ কৰিবলৈ চেষ্টা কৰা হয়।

**পহিলা** জুলাইৰ ‘দৈনিক অগ্ৰদূত’ত প্ৰকাশিত ‘জীৱন আৰু ঈশ্বৰ’ শীৰ্ষক নিবন্ধটোৰ লেখক নাৰায়ণ বৰুৱাই জীৱন আৰু ঈশ্বৰ সম্বন্ধে তেওঁৰ অনুভৱ আৰু চিন্তাৰে কিছু মন্তব্য আগবঢ়াইছে। নিবন্ধটোৰ আঁত ধৰি মোৰ অভিমত দাঙি ধৰিলো।

প্ৰতিজন মানুহৰ চিন্তা ভাৱনা একে নোহোৱাটো স্বাভাৱিক, কাৰণ প্ৰতিজন মানুহৰ মনত বিভিন্ন সময়ত বিভিন্ন প্ৰকাৰে পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত মনত সৎ, অসৎ আৰু মহৎ চিন্তাই ক্ৰিয়া কৰে। সৎ চিন্তাই সৎ কৰ্মত প্ৰবৃত্ত কৰে, অসৎ চিন্তাই অসৎ কাৰ্যত আৰু মহৎ চিন্তাই মহৎ কৰ্মত প্ৰবৃত্ত কৰে। নিয়ম, সংযম আৰু যোগৰ মাধ্যমত মনক নিয়ন্ত্ৰণ কৰিবলৈ চেষ্টা কৰা হয়। কিন্তু কেতিয়াবা কেতিয়াবা বুদ্ধি আৰু অহংকাৰৰ প্ৰভাৱত মনটোৱে অসৎ কাৰ্য কৰিবলৈ অৰিহণা যোগায়। ইয়াৰ কাৰণ বিশ্লেষণ কৰিলে দেখা যায় যে অবিদ্যা (অজ্ঞানতা, অস্মিতা (অহংকাৰ), দ্বেষ (হিংসা), ৰাগ (আসক্তি) আৰু অভিনিৱেশ (জীৱনটো খামুচি মাৰি ধৰি থকা) এই পাঁচটাই মনটোক অস্থিৰ কৰি তোলাৰ মূল কাৰক মনটোক স্থিৰ অৱস্থাত উপনীত কৰিবলৈ আধ্যাত্মিক চিন্তাৰ প্ৰয়োজনীয়তা নুই কৰিব নোৱাৰি। মনৰ অস্থিৰতাই জীৱ চৈতন্যক অস্থিৰ কৰি তোলে। স্বৰূপতে জীৱ চৈতন্যটো অস্থিৰ বা বিকৃত নহয়, যদিও মনৰ বিকৃত দাপোণত সি মনৰ অনুৰূপেই বিকাৰগ্ৰস্ত হৈ পৰে; অৰ্থাৎ জন্মতে মানুহ বিকাৰগ্ৰস্ত নহয়, পৰিৱেশ, পৰিস্থিতি আৰু সংগ দোষত বিকাৰগ্ৰস্ত হৈ পৰে। মনৰ বিকাৰগ্ৰস্ততা আঁতৰ কৰিবলৈ মনটোক স্থিৰ কৰিব লাগিব। মনটোক স্থিৰ কৰাৰ উপায় হিচাপে সৰ্বশক্তিমান ঈশ্বৰৰ ওচৰত আত্মসমৰ্পণ কৰি অহংকাৰ ত্যাগ কৰি সৰ্বশক্তিমান শক্তিৰ ওপৰত আস্থা আৰু বিশ্বাস ৰাখি তেওঁকেই সৰ্বকাৰণৰ কাৰণ বুলি চিন্তা কৰাই ঈশ্বৰৰ ব্যাপ্তি বা অস্তিত্ব স্বীকাৰ কৰা। ঈশ্বৰৰ ব্যাপ্তি স্বীকাৰ কৰাৰ ফলত সহজাত প্ৰবৃত্তি কাম, ক্ৰোধ, লোভ, মোহ, মদ আৰু মাৎস্যৰ্য (পৰশ্ৰীকাতৰ) দমন হৈ ভক্তিৰ ভাব জাগ্ৰত হয়। ভক্তিত প্ৰেম উৎপন্ন হয়, প্ৰেমেই আনন্দ, আনন্দ অনন্ত, অনন্তই পৰম ব্ৰহ্ম। আনন্দত শান্তি, সুখ অনুভৱ হয়। শান্তিয়ে ত্যাগৰ মনোবৃত্তি গঢ়ি তোলে। ত্যাগেই সেৱাৰ মনোবৃত্তি জাগ্ৰত কৰে। এই সত্য উপলব্ধি কৰিব নোৱাৰাজনে— মানসিক পীড়া সহ্য কৰিব লগা হয়। যিজনে এই সত্য উপলব্ধি কৰি কৰ্ম আৰু সেৱাত প্ৰবৃত্ত হয় বৰুৱাৰ ভাষাত সেইজন আজীৱন থকাৰ পাছতো, তেওঁলোকে পুনৰ জীয়াই থাকে অৰ্থাৎ তেওঁলোকৰ সৎ কৰ্মৰাজিয়ে জনসাধাৰণৰ মাজতত মৰিও অমৰ হৈ জীয়াই আছে।

বৰুৱাই উল্লেখ কৰিছে ‘জীৱন এক অস্তিত্ব আৰু ঈশ্বৰ এক নিৰবধি অবান্তৰ ধাৰণাৰ সোঁত।’ বৰুৱা জীয়াই আছে, গতিকে অস্তিত্ব স্বীকাৰ কৰে। তেওঁৰ দেউতাক জীয়াই আছে কাৰণে অস্তিত্ব স্বীকাৰ কৰে। দেউতাকৰ দেউতাকক তেওঁ দেখিছে বা পিতৃৰ পৰা শুনিছে কাৰণে অস্তিত্ব স্বীকাৰ কৰে। কিন্তু তেওঁৰ স্থূল দৃষ্টি বা মনন দৃষ্টিৰে ঢুকি নোপোৱা পূৰ্বপুৰুষৰ অস্তিত্ব কেনেদৰে উপলব্ধি কৰিব? নে সেইসকলৰ অস্তিত্ব অস্বীকাৰ কৰিব? কিন্তু পূৰ্বসকলৰ অস্তিত্ব অস্বীকাৰ কৰিব নোৱাৰে বুলি মই চিন্তা কৰো। নিশ্চয় সেইসকলৰ অস্তিত্ব ধাৰণা কৰি লোৱা হ’ব। ঈশ্বৰ এক সৰ্বশক্তিমান শক্তি। ইয়াৰ অস্তিত্ব অনুভৱ বা ধাৰণা কৰিব পাৰি, যিদৰে পূৰ্বপুৰুষসকলৰ অস্তিত্ব ধাৰণা কৰি লোৱা হৈছে, ঠিক তেনেদৰে সৰ্বশক্তিমান ঈশ্বৰৰ অস্তিত্ব ধাৰণা কৰি লোৱা হৈছে।

শ্ৰীমদ্ভগৱদ গীতাৰ বিষয়বস্তুৱে পাঁচটা মৌলিক সত্যৰ ধাৰণা সাঙুৰি লৈছে। এই পাঁচটা মৌলিক বিষয়বস্তু হ’ল— ঈশ্বৰ, জীৱ, প্ৰকৃতি, কাল আৰু কৰ্ম। ঈশ্বৰ বা পৰমেশ্বৰ বা ভগৱদ বা কৃষ্ণ বা পৰম নিয়ন্তা বা পৰমাত্মা (লাগিলে যি নামেই ব্যৱহাৰ নকৰক) হৈছে সকলোতকৈ শ্ৰেষ্ঠ। তেওঁ নিয়ন্ত্ৰক। গুণগতভাৱে জীৱসমূহো পৰম নিয়ন্তাজনৰ নিচিনাই। কিন্তু জীৱসমূহ নিয়ন্তা নহয়, জীৱসমূহ নিয়ন্ত্ৰিত। প্ৰকৃতি ভৌতিক জগত। কাল সমগ্ৰ বিশ্বব্ৰহ্মাণ্ডৰ স্থিতি অথবা ভৌতিক জগতৰ প্ৰকটৰ সময়ছোৱা। প্ৰকৃতিৰ এই গুণসমূহৰ দ্বাৰা আৰু নিত্যকালৰ নিয়ন্ত্ৰণ আৰু পৰিসৰৰ ভিতৰত যিবোৰ কাৰ্যকলাপ সংঘটিত হয়, সেইবোৰকেই কৰ্ম বোলা হয়। ঈশ্বৰ, জীৱ, প্ৰকৃতি আৰু কাল হৈছে নিত্য। কিন্তু কৰ্ম শাশ্বত নহয়। জীৱ, ঈশ্বৰ আৰু প্ৰকৃতিৰ মাজত থকা পাৰ্থক্যটো বিশেষ মন কৰিবলগীয়া। ঈশ্বৰ হৈছে পৰম চেতনা স্বৰূপ। জীৱসমূহ ভগৱানৰে অবিচ্ছেদ্য অংশ হোৱা হেতুকে জীৱসমূহ চেতনশীল। জীৱ আৰু জড় প্ৰকৃতি উভয়কে প্ৰকৃতি অৰ্থৎ ভগৱানৰ শক্তি বোলা হৈছে। কিন্তু দুয়োটাৰ ভিতৰত জীৱ হ’ল চেতনাময়। কিন্তু ভৌতিক প্ৰকৃতি চেতনশীল নহয়।

ব্ৰহ্মই একমাত্ৰ পৰম সত্য, চৈতন্যস্বৰূপ আৰু নিৰ্গুণ পৰম পুৰুষ। ‘ব্ৰহ্ম’ শব্দৰ ব্যুৎপত্তি বিশ্লেষণ কৰিলে দেখা যায় যে বৃ আৰু বৃংহন শব্দ দুটা লগ লাগি ‘ব্ৰহ্ম’ শব্দ হৈছে। বৃ মানে বৃহৎ আৰু বৃংহন মানে সীমাহীন। বিশাল আৰু সীমাহীন শক্তিৰ উপলব্ধিয়ে ব্ৰহ্ম। এই চৈতন্য বা পৰম পুৰুষৰ পৰা ত্ৰিগুণাত্মিকা প্ৰকৃতি বা মায়াৰ উৎপত্তি হৈছে। সত্যত অসত্যবোধেই মায়াৰ স্বৰূপ। প্ৰকৃতি বা মায়াৰ পৰা মহত্তত্ত্বৰ উৎপত্তি হৈছে। মহত্ত্বতৰ পৰা সাত্ত্বিক অহংকাৰ, ৰাজসিক অহংকাৰ আৰু তামসিক অহংকাৰৰ উৎপত্তি হয়। সাত্ত্বিক অহংকাৰ— মন, বুদ্ধি, চিত্ত আৰু অহংকাৰ। ৰাজসিক অহংকাৰ— পাঁচ কৰ্মেন্দ্ৰিয়—হাত, ভৰি, মুখ, গুহ্য আৰু লিংগ। পাঁচ জ্ঞানেন্দ্ৰিয়— চকু, কাণ, নাক, জিভা আৰু ছাল। তামসিক অহংকাৰ পঞ্চতন্মাত্ৰ ৰূপ, ৰস, গন্ধ, স্পৰ্শ আৰু শব্দ। পঞ্চভূত মাটি, পানী, বায়ু, তেজ (শক্তি) আৰু আকাশ (শূন্য)। ব্ৰহ্ম বা ঈশ্বৰে সত্য, আন সকলো অসত্য বা মিছা। সেয়ে মাধৱদেৱ গুৰুজনাই নামঘোষাত কৈছে—

মায়া আদি কৰি সত সমস্ত জগতে জড়ে
কৃষ্ণেসে চৈতন্য আত্মা শুদ্ধ।
চৈতন্য কৃষক এড়ি জড়ক ভজিয়া মৰে
কিনো লোক অধম মুগুধ।।৪৭

নিবন্ধকাৰ বৰুৱাই উল্লেখ কৰা পূজা-পাতল, বলি-বিধান, দান-দক্ষিণা আদি ভক্তিৰ আচৰণ। বিচাৰ শুদ্ধ নহ’লে, আচৰণ কেতিয়াও শুদ্ধ হ’ব নোৱাৰে। পৰম্পৰা, লৌকিক বিশ্বাস, অন্ধবিশ্বাস, ভয়, অসত্যত সত্যবোধ আদিৰ পৰাও মানুহে অশুদ্ধ আচৰণ কৰে। যাৰ ফলত অৰ্থনৈতিকভাৱে দুৰ্বল হৈ পৰে। ইয়াৰ মুখ্য কাৰণ হ’ল অজ্ঞনতা বা অবিদ্যা। ঈশ্বৰৰ ওপৰত আস্থা, বিশ্বাস আৰু ভক্তি উদয় হ’লে মন স্থিৰ অৱস্থাত উপনীত হয়। কিন্তু অজ্ঞানবশতঃ বা অবিদ্যাজনিত কাৰণত বিচাৰ ধাৰা শুদ্ধ নোহোৱাৰ ফলত অশুদ্ধ আচৰণে মনক অস্থিৰ কৰি তোলে। মনৰ মাজত সদায় সত্য, অসত্যৰ যুদ্ধ চলি থাকে। গতিক ঈশ্বৰ চিন্তা কৰি চিত্তৰ দ্বাৰা সত্যাসত্যৰ বিচাৰ কৰি মনক নিয়ম আৰু সংযমৰ মাধ্যমত নিয়ন্ত্ৰিত কৰি সৎ পথত অৱতীৰ্ণ কৰিলে সৎ কৰ্ম সম্পাদিত হ’ব। যদি মনক নিয়ন্ত্ৰণ কৰিব নোৱাৰে, তেনেহ’লে অসত্যৰ আশ্ৰয় লৈ অসৎ কৰ্মত প্ৰবৃত্ত হ’ব। মাধৱদেৱ গুৰুজনাই নামঘোষাত কৈছে—

সত্য অসত্যৰ জড় চৈতন্যৰ
মাজত যিটো প্ৰকাশে।
তাকে বুলি মন সেহি সিটো পাৰে
যিজনে যাক উপাশে।। ২০

বৰুৱাই উল্লেখ কৰিছে, ‘ধৰ্ম হ’ল ঈশ্বৰ বিশ্বাসৰ এটা অংশ। দুখৰ বিষয় যে পৃথিৱীত ধৰ্ম কৰা মানুহৰ সংখ্যাই বেছি। যি ধৰ্মৰ যোগেদি মানুহে মানুহৰ প্ৰশান্তিহে বিচাৰি পায়, কিন্তু জীৱন জয় কৰিব নোৱাৰে। পৃথিৱীত লাহে লাহে ধৰ্ম আৰু দেৱ-দেৱীৰ উপাসনাৰ সংখ্যা বাঢ়ি আহিছে। এনে সংখ্যা যিমানে বাঢ়িছে সিমানে বাঢ়িছে অন্ধ বিশ্বাসী আৰু অসহিষ্ণুতা।’

‘সনাতন ধৰ্ম’ বুলিলে ধৰ্মৰ কোনো সংকীৰ্ণ পদ্ধতিক নুসূচায়। সনাতন পৰমেশ্বৰৰ লগত সম্বন্ধ ৰাখি সনাতন জীৱসমূহে কৰি থকা চিৰন্তন কৰ্মৰাজিকহে সূচায়। সনাতন ধৰ্ম জীৱসমূহৰ চিৰন্তন বৃত্তি। কোনোবা এজনৰ এটা বিশেষ পদ্ধতিৰ ওপৰত বিশ্বাস থাকিব পাৰে আৰু মানুহজনে সেই বিশ্বাস ত্যাগ কৰি বেলেগ ধৰণৰ বিশ্বাস অৱলম্বন কৰিব পাৰে। কিন্তু ‘সনাতন ধৰ্ম’ বুলিলে যি কৰ্মক বুজায় তাৰ কেতিয়াও পৰিৱৰ্তন সাধন কৰিব নোৱাৰে। উদাহৰণ স্বৰূপে উত্তাপক জুইৰ পৰা আঁতৰাই নিব নোৱাৰি। সেইদৰে চিৰন্তন জীৱৰূপে জীৱসমূহৰ যি এটা নিত্য কৰ্ম কৰাৰ স্বভাৱ আছে, তাক জীৱসমূহৰ পৰা আঁতৰাই নিব নোৱাৰি। সনাতন ধৰ্মটো চিৰন্তনভাৱে জীৱৰ লগত লাগি আছে। সনাতন ধৰ্ম কেৱল পৃথিৱীৰ সকলো মানুহৰেই নহয়, বৰঞ্চ বিশ্বব্ৰহ্মাণ্ডৰ সকলো জীৱৰে বৃত্তি। যাৰ জীৱৰ ধৰ্ম বা সনাতন ধৰ্মৰ বিষয়ে জ্ঞান নাই, সেই সকলে অধৰ্মক ধৰ্ম মানি, অসত্যক সত্য মানি মানসিক পীড়াত ভুগিছে। সেৱাই হ’ল জীৱৰ চিৰ লগৰীয়া আৰু সেৱা আগবঢ়োৱাই হ’ল জীৱৰ নিত্য ধৰ্ম বা সনাতন ধৰ্ম।

নিবন্ধকাৰে উল্লেখ কৰিছে— ‘আত্মা হ’ল ধৰ্মগুৰু সৃষ্ট এক প্ৰকাৰৰ চতুৰ বাণী। কোনো জীৱৰ দেহাত আত্মা নাথাকে। থাকে হৃৎপিণ্ড। বৃদ্ধ কালত হৃৎপিণ্ড প্ৰায়েই অচল হৈ পৰে। লাহ লাহে এটা সময়ত ই বন্ধ হয় আৰু জীৱৰ মৃত্যু হয়। মৃত্যুৰ পাছত মৃতকৰ কোনো অস্তিত্ব নাথাকে। তেনেক্ষেত্ৰত পৰমাত্মাৰ কথা কেনেকৈ আহিব। আত্মা, পৰমাত্মা, মুক্তি, মোক্ষ, ইহকাল, পৰকাল আদি এই ধৰ্মীয় শব্দবোৰ কেৱল ঈশ্বৰ ধাৰণাৰ পৰা আহিছে।’

শ্ৰীমদ্ভগৱদ গীতাত শ্ৰীকৃষ্ণই অৰ্জুনক কৈছে—

জন্ম কৰ্ম চ মে দিব্যমেবং যো বেত্তি তত্ত্বতঃ।
ত্যক্ত্বা দেহং পুনৰ্জন্ম নৈতি মামেতি সোহৰ্জন।।৯

**অসমীয়া ভাঙনি ঃ** হে অৰ্জুন, যিজনে মোৰ এই ধৰণৰ দিব্য আবিৰ্ভাৱ আৰু কৰ্মৰ বিষয়ে জানে, তেওঁ পাৰ্থিৱ দেহ ত্যাগ কৰাৰ পাছত এই জড়জগতত পুনৰ্জন্ম ল’বলগীয়া নহয়, বৰঞ্চ তেওঁ মোৰ সনাতন ধামলৈ গতি কৰে।’ এই শ্লোকটি বিশ্লেষণ কৰিলে দেখা যাব যে যিজনে সৰ্বশক্তিমান ঈশ্বৰৰ দ্বাৰা জন্ম, কৰ্ম নিয়ন্ত্ৰিত হয় বুলি জানে, তেওঁ সৰ্বশক্তিমান ঈশ্বৰতে লীন হয় অৰ্থাৎ অনু আত্মা বা অনুশক্তি, পৰমাত্মা বা পৰম শক্তিত বিলীন হয়।

নাৰায়ণ বৰুৱাই যি দেখিছে তাৰ ওপৰত ক্ৰিয়া, প্ৰতিক্ৰিয়া ব্যক্ত কৰি ঈশ্বৰ সম্বন্ধে মন্তব্য আগবঢ়াইছে। ধৰ্মৰ নামত বা ঈশ্বৰ উপাসনাৰ আচৰণ, লৌকিক আচাৰ আদিৰ ওপৰত বিতুষ্ট হৈ সমাজত ঘটি থকা ঘটনা প্ৰবাহ মথিমূৰ কৰিবলৈ যি প্ৰচেষ্টা গ্ৰহণ কৰিছে, সেইটো প্ৰশংসনীয়। তেওঁ আগবঢ়োৱা যুক্তিসমূহ পোনছাটেই নাকচ কৰিব নোৱাৰি। যিমানে শিক্ষিত হৈছে সিমানে অজ্ঞনতা বাঢ়ি গৈছে। জ্ঞানীৰ সংখ্যা বৃদ্ধি হ’লেহে অজ্ঞনতা কমি যাব। অজ্ঞানতা বা অবিদ্যাই এনে আচৰণৰ মূল কাৰণ। সেয়ে নিজেই আদৰ্শ দেখুৱাই অজ্ঞনতা দূৰ কৰিবলৈ চেষ্টা কৰিব লাগিব। গীতাত এষাৰ কথা আছে—

যৎ যৎ আচৰিত শ্ৰেষ্ঠ ঃ তৎ তৎ ইতৰঃ জনঃ।
সঃ যৎ প্ৰমাণং কুৰুতে লোকঃ তৎ অনুবৰ্ত্ততে।।২১

**অসমীয়া ভাঙনি ঃ** এজন শ্ৰেষ্ঠ মানুহে যি যি কৰে, সাধাৰণ মানুহবিলাকে তাৰে অনুকৰণ কৰে আৰু তেওঁ নিজৰ কামেৰে যি আদৰ্শ দাঙি ধৰে, তাকে সমাজে বা গোটেই সংসাৰখনে অনুসৰণ কৰে।’

*ফোন ঃ ৯৮৫৪০৪১৮১৫*



## ইছলামিক বিধান পৃথিৱীৰ সকলো ঠাইতে প্ৰযোজ্য নে?

### ইকবাল হুছেইন

**পৃথিৱীৰ** কোনো ধৰ্মই অলৌকিক গুণ সম্পন্ন নহয় আৰু ইয়াৰ ত্ৰুটি-বিচ্যুতি থকাটোও অস্বাভাৱিক নহয়। কিন্তু ইছলামীধৰ্মী লোকসকলে বুকু ফিন্দাই দাবী কৰে যে ইছলাম ধৰ্মীয় পুথি কোৰানত সামান্যতমো ভুল নাই বা সন্দেহ কৰিবলগীয়া একো বিচাৰি পোৱা নাযায়। তথাপি যুক্তিবাদীসকলৰ দৃষ্টিভংগীত ইয়াত যথেষ্ট বিসংগতি পৰিলক্ষিত হয়। সেয়ে ইয়াত ইছলামৰ ভেটি কেৱল নামাজ আৰু ৰোজা সম্পৰ্কে সামান্য আলোচনা আগবঢ়োৱা হ’ল।

আমি জানো যে পৃথিৱীৰ সকলো ঠাইতে দিন-ৰাতিৰ দৈৰ্ঘ্য বছৰৰ ভিন ভিন সময়ত ভৌগোলিক কাৰণত চুটি দীঘল হৈ থাকে। বিশেষকৈ পৃথিৱীৰ দক্ষিণ আৰু উত্তৰ গোলাৰ্ধৰ ক্ষেত্ৰত যেনে, ছুইডেন, নৰৱে, ফিনলেণ্ড, আইচলেণ্ড, গ্ৰীণলেণ্ড, আলাস্কা আৰু ৰাছিয়া আদি দেশত গ্ৰীষ্ম কালত দিন যথেষ্ট দীঘলীয়া হয়। সাধাৰণতে বিষুৱৰেখাৰ পৰা উত্তৰ ফালে প্ৰতিডিগ্ৰী অক্ষৰেখা অতিক্ৰম কৰাৰ লগে লগে গ্ৰীষ্মকালত দিনৰ দৈৰ্ঘ্য দীঘলীয়া হ’বলৈ ধৰে আৰু অৱশেষত মেৰু বা আৰ্কটিক অঞ্চলত ছমাহ দিন আৰু ছমাহ ৰাতি হয়। পাছত এনে ব্যতিক্ৰমী অঞ্চলৰ বাবে ইছলামিক বিধান ৰোজা, নামাজ কিদৰে পালন কৰা হ’ব সেয়াহে চিন্তাৰ বিষয়। ৰোজা-নামাজৰ ক্ষেত্ৰত আল্লাই দিয়া দুটা বিধান ইয়াত উল্লেখ কৰা হ’ল। (ক) ‘এতেকে (হে নবী) আপুনি সিহঁতৰ কথাত ধৈৰ্য্য ধাৰণ কৰক আৰু সূৰ্যোদয়ৰ পূৰ্বে, সূৰ্যাস্তৰ পূৰ্বে, ৰাতিৰ সময়ত আপোনাৰ প্ৰভুৰ পৱিত্ৰতা মহিমা গুণানুকীৰ্তন কৰক যাতে আপুনি প্ৰশান্তি লাভ কৰিব পাৰে।’ (চুৰা) ত্বাহা আয়াত নম্বৰ ১৩০)। (খ) ‘সেয়ে তোমালোকে পুৱা- গধূলি আল্লাহৰ পৱিত্ৰতা আৰু মহিমা কীৰ্তন কৰা আৰু দুপৰীয়া তথা আবেলি, আকাশ মণ্ডল আৰু পৃথিৱীত সকলো প্ৰশংসা তেওঁৰেই।’ (চুৰা-ৰূম আয়াত নম্বৰ, ১৭, ১৮)। এই আয়াতবিলাকৰ দ্বাৰা আল্লাই মুছলমানসকলক দিনত পাঁচবাৰ, যেনে-ফজৰ (সূৰ্য্য উদয়ৰ পূৰ্বে), জোহৰ (দুপৰীয়া), আচৰ (আবেলি), মাগৰিব (সূৰ্যাস্তৰ পাছত), ইশ্বৰ (ৰাতি) নামাজ, প্ৰাৰ্থনা, তচবীহ, প্ৰশংসা বা গুণানুকীৰ্তন কৰিবলৈ অতি কঠোৰভাৱে আদেশ জাৰি কৰিছে। মুছলমানসকলে নতশিৰে অতি নিষ্ঠা আৰু সতৰ্কতাৰে এই বিধান যুগ যুগ ধৰি পালন কৰি আহিছে। সেইদৰে ৰোজা বা উপবাসৰ (চুৰা বাকাৰা-আয়াত নম্বৰ ১৮৭) ক্ষেত্ৰতো হৈছে যে ৰমজানত সূৰ্য্য উদয়ৰ পূৰ্বৰ পৰা সূৰ্যাস্তৰ মাজৰ সময়খিনিত খাদ্য গ্ৰহণ তথা যাৱতীয় অপকৰ্মৰ পৰা বিৰত থাকিবলৈ অনুৰোধ জনোৱা হৈছে। আল্লাহ তালাই ৰোজা নামাজৰ ক্ষেত্ৰত যি নিৰ্দেশনা জাৰি কৰিছিল সেয়া সূৰ্যোদয় আৰু সূৰ্যাস্তৰ লগত সম্পৰ্কিত আৰু এই নিৰ্দেশ কেৱল ক্ৰান্তীয় অঞ্চলৰ বাবে প্ৰযোজ্য।

গ্ৰীষ্ম কালত ফিনলেণ্ড, আইচলেণ্ড, গ্ৰীণলেণ্ড, নৰৱে আদি দেশত দিনৰ পৰিমাণ ২০ঘণ্টাৰ পৰা ২৩ ঘণ্টা পৰ্যন্ত দীঘলীয়া হয়। বাকী সময়ছোৱা ৰাতি হ’লেও ৰাতিৰ ভাগ সম্পূৰ্ণ আন্ধাৰ হৈ নাযায় অৰ্থাৎ আংশিক পোহৰ প্ৰতিভাত হৈ থাকে। দিনৰ দৈৰ্ঘ্য ২৪ ঘণ্টা অতিক্ৰম কৰাৰ পাছত ফিনলেণ্ড, গ্ৰীণলেণ্ড, নৰৱে আদি দেশত একেৰাহে ৭৪-৭৫ দিন সূৰ্য্য অস্ত নাযায়। ক্ৰান্তীয় অঞ্চলৰ মুছলমানসকলে দিনত পাঁচবাৰ নামাজ আদায় কৰে। ফিনলেণ্ড বা আইচলেণ্ডৰ মুছলমানসকলে সূৰ্য উদয় আৰু সূৰ্যাস্তৰ লগত সংগতি ৰাখি পাঁচবাৰ নামাজ পঢ়িব নে ৩৭৫ ৰাক্ত (৭৫ দিনৰ) নামাজ আদায় কৰিব? ই ইছলামী জগতৰ এটা অত্যন্ত জটিল সমস্যা। ইছলামিক আইনমতে এজন মুছলমানে এক ৰাক্ত নামাজ ক্ষতি কৰিলে তেওঁ দুই কোটি ৮৮ লাখ বছৰ নৰকৰ (দোজখ) অপৰিসীম যন্ত্ৰণাদায়ক শাস্তি ভোগ কৰিবলগীয়া আৰু আনফালে নামাজ আদায়কাৰীসকলে পৰ্যাপ্ত পুণ্য অৰ্জন কৰি বেহেস্ত বা স্বৰ্গ লাভৰ পথ প্ৰশস্ত কৰি তুলিব। যদি মেৰুদেশীয় অঞ্চলৰ মুছলমানে সূৰ্য উদয় আৰু সূৰ্যাস্তৰ লগত সংগতি ৰাতি নামাজ আদায় কৰে, তেওঁলোকে পুণ্য অৰ্জনৰ ক্ষেত্ৰত বহু পৰিমাণে পিছুৱাই যাব আৰু স্বৰ্গপ্ৰাপ্তিৰ পৰা বঞ্চিত হ’ব। সেয়ে এই অঞ্চলৰ মুছলমানে ক্ৰান্তীয় অঞ্চলৰ লগত সমতা ৰক্ষা কৰিবলৈ সূৰ্যোদয় বা সূৰ্যাস্ত নহ’লেও ফজৰ বা মাগৰিব বা অন্যান্য নামাজ আদায় কৰিবলগীয়া হ’ব। ইয়াত আল্লাৰ আইন অমান্য কৰা নহ’বনে?

আল্লাহ সকলো অদৃশ্য জ্ঞানৰ অধিকাৰী, বুলি তলত দিয়া আয়াতবিলাকৰ পৰা সাব্যস্ত কৰিব পৰা যায়, (১) ...‘ আকাশ মণ্ডল আৰু ভূ-মণ্ডলৰ অদৃশ্য জ্ঞান আল্লাহ ব্যতীত আন কাৰো নাই...’ (ছুৰা নামল আয়াত নম্বৰ-৬৫)। (২) ‘আকাশ আৰু পৃথিৱীত এনে কোনো গোপন কথা নাই যি এখন স্পষ্ট পুথিত লিপিবদ্ধ হৈ থকা নাই....’ (ছুৰা নামল আয়াত নম্বৰ ৭৫) (৩) ‘আকাশ মণ্ডল আৰু পৃথিৱীৰ গোপন তত্ত্বৰ জ্ঞান কেৱল আল্লাহৰহে আছে....’ (ছুৰা-নাহল-আয়াত নম্বৰ-৭৭)। এই আয়াতবিলাকৰ পৰা বুজা যায় যে আল্লাই বিশ্ব ব্ৰহ্মাণ্ডৰ যিকোনো প্ৰান্তত ঘটি থকা সকলো পৰিঘটনা দেখে বা জানে। কিন্তু দক্ষিণ বা উত্তৰ গোলাৰ্ধৰ দাঁতি কাষৰীয়া দেশৰ মুছলমানসকলৰ দুখ-কষ্ট বা জটিল সমস্যাসমূহৰ সমিধানৰ কোনো বিকল্প ব্যৱস্থাৰ উল্লেখ নথকাটো অতি পৰিতাপৰ বিষয়। যি সময়ত আল্লাই তেওঁৰ নীতি-নিৰ্দেশনাসমূহ অমান্য কৰাসকলৰ বাবে ভয়াবহ শাস্তিৰ সন্মুখীন হ’ব লাগিব বুলি সকীয়নি দিছে। তেনে ক্ষেত্ৰত এই অঞ্চলৰ মুছলিমসকল, সংখ্যাৰ ফালৰ পৰা তাকৰ হ’লেও তেওঁলোকক সম্পূৰ্ণৰূপে অৱজ্ঞা কৰাটো মুঠেও সমীচীন হোৱা নাই। ই মুছলিম জগতৰ এক জটিল সমস্যা যাক উপেক্ষা কৰিব পৰা নাযায়। চুৰা নামলৰ ৭৫ নম্বৰ আয়াতৰ দ্বাৰা আল্লাই স্পষ্টভাৱে দাবী কৰি কয় যে পৃথিৱীত এনে কোনো সমস্যা নাই যাৰ বাবে সমিধান কোৰানত উল্লেখ কৰা হোৱা নাই। এনে দাবীৰ সত্যাসত্য পাঠক সমাজে বিচাৰ কৰি চাব।

আল্লাই আকৌ কয়—(১) ‘আল্লাই তেওঁৰ নিদৰ্শনসমূহ তোমালোকৰ বাবে সুস্পষ্ট আৰু বিশদভাৱে বৰ্ণনা কৰিছে...’ (ছুৰা-নুৰ আয়াত নম্বৰ ১৮। (২) ‘ ই এনেকুৱা এখন গ্ৰন্থ যাৰ আয়াতসমূহ বিতংকৈ স্পষ্ট আৰু প্ৰাঞ্জলভাৱে ব্যাখ্যা কৰা হৈছে। জ্ঞানবোধ সম্পন্ন লোকসকলে ভাৱে এইখন আৰবী ভাষাত লিখা কোৰান’ (ছুৰা-হা-মিম স্বাজদা, আয়াত নম্বৰ -৩)। এইবোৰ আয়াতত আল্লাই সগৌৰৱে উল্লেখ কৰিছে যে আল্লাই কোৰানত সকলো বিষয় প্ৰাঞ্জল, আৰবী ভাষাত বিস্তাৰিতভাৱে বৰ্ণনা কৰিছে। নামাজ, ৰোজা, জাকাত আদিৰ বিষয়ত আল্লাই যথেষ্ট গুৰুত্ব প্ৰদান কৰিছে যদিও কোৰানত ইবিলাকৰ বিস্তৃত বৰ্ণনা পোৱা নাযায় অৰ্থাৎ কোন ৰাক্তত কিমান ৰাকাত আৰু কেনেদৰে নামাজ আদায় কৰিব তাৰ বৰ্ণনা নাই নতুবা ধনী ব্যক্তিসকলে জাকাত কিদৰে প্ৰদান কৰিব, তাৰো একো উল্লেখ কৰা হোৱা নাই। কেৱল মাত্ৰ ক্ৰান্তীয় অঞ্চলৰ বাবে প্ৰযোজ্য হোৱাকৈ আল্লাই বাণী প্ৰেৰণ কৰি বিশ্ববাসীৰ বাবে সকলো বিষয় বিশদভাৱে বৰ্ণনা কৰা বুলি দাবী কৰিলে সেয়া সত্যৰ অপলাপ নহয়নে?

*শেষাংশ অহা সংখ্যাত*



তুলসী হৈছে লেমিয়াছী পৰিয়ালৰ এবিধ সুগন্ধি ঔষধি উদ্ভিদ। ইয়াক ভাৰত উপ-মহাদেশীয় অঞ্চলত থলুৱাভাৱে দেখিবলৈ পোৱা যায়। তুলসীৰ বৈজ্ঞানিক নাম হ’ল ওচিমাম টেনুইফ্ল’ৰাম বা ওচিমাম ছেংকটাম। তুলসীক ইংৰাজীত ‘হোলী বেছিল’ বুলি জনা যায়।

## পৱিত্ৰ তুলসী গছৰ মাহাত্ম্য

### ফটিকদত্ত গোস্বামী

**তুলসীক** আমাৰ সংস্কৃতিত অতি পবিত্ৰ গণ্য কৰা হয়। সনাতন হিন্দু ধৰ্মাৱলম্বী লোকসকলৰ প্ৰতি ঘৰতে তুলসী থকা দেখা যায়। তুলসীৰ তলত সন্ধিয়া বন্তি প্ৰজ্বলন কৰে। তুলসীক লক্ষ্মীৰ প্ৰতীক বুলি গণ্য কৰা হয়। সেয়ে তুলসীক প্ৰাচীন কালৰে পৰাই উপাসনা কৰা হয়।

তুলসী হৈছে লেমিয়াছী পৰিয়ালৰ এবিধ সুগন্ধি ঔষধি উদ্ভিদ। ইয়াক ভাৰত উপ-মহাদেশীয় অঞ্চলত থলুৱাভাৱে দেখিবলৈ পোৱা যায়। তুলসীৰ বৈজ্ঞানিক নাম হ’ল ওচিমাম টেনুইফ্ল’ৰাম বা ওচিমাম ছেংকটাম। তুলসীক ইংৰাজীত ‘হোলী বেছিল’ বুলি জনা যায়। সৰু সৰু সেউজীয়া বা বেঙুনীয়া পাত বা ক্ষুদ্ৰ ক্ষুদ্ৰ নোমেৰে আবৰা ডালৰে স’তে তুলসী গছ প্ৰায় ৩০ৰ পৰা ৬০ ছেণ্টিমিটাৰ ওখ হয়।

তুলসীৰ পাত উপ-বৃত্তাকাৰ, প্ৰায় পাঁচ ছেণ্টিমিটাৰ দীঘল। ফুলবোৰ বেঙুনীয়া, ৰেছিমী গঠনৰ। ভাৰত আৰু ইয়াৰ কাষৰীয়া অঞ্চলসমূহত তুলসীৰ দুটা উপ-প্ৰজাতিৰ খেতি কৰা হয়— সেউজীয়া পাতৰ লক্ষ্মী তুলসী আৰু বেঙুনীয়া পাতৰ কৃষ্ণ তুলসী।

তুলসীক এক পবিত্ৰ উদ্ভিদ হিচাপে ধৰ্মীয় আৰু ঔষধি গুণগত কাৰণত ৰোপণ কৰা হয়। তুলসীৰ পৰা এবিধ সুগন্ধি তেলো নিষ্কাসন কৰা হয়। ভাৰতীয় উপ-মহাদেশত তুলসীক বনদৰৱ হিচাপে বহুলভাৱে ব্যৱহাৰ কৰা হয়। তুলসীৰ পাতৰ পৰা এবিধ বিশেষ হাৰ্বেল চাহো প্ৰস্তুত কৰা হয়। হিন্দু ধৰ্মৰ বৈষ্ণৱ পৰম্পৰাত তুলসীৰ এক বিশেষ স্থান আছে। ইয়াত সততে পূজাৰ সামগ্ৰী হিচাপে ব্যৱহাৰ কৰা হয়।

ওচিমাম টেনুইফ্ল’ৰামৰ এবিধ উপ-প্ৰজাতিৰ তুলসীক থাইলেণ্ডৰ ৰন্ধন প্ৰকৰণত ব্যৱহাৰ কৰা হয়। ইয়াক ইংৰাজীত থাই হোলী বেছিল বুলি জনা যায়। ইয়াৰ বাহিৰেও থাই বেছিল বুলি অন্য এবিধ তুলসীৰ প্ৰজাতিও আছে, ই পিছে ওচিমাম বেছিলিৰাম নামৰ তুলসী প্ৰজাতিৰহে উপ-প্ৰজাতি।

তুলসী এবিধ অতি মূল্যৱান উদ্ভিদ। ইয়াৰ স’তে বহুতো ধৰ্মীয় বিশ্বাস জড়িত হৈ আছে। তুলসী গছ স্পৰ্শ কৰিলে পাপ মুক্ত হয় বুলি বিশ্বাস আছে।

ষ্টাস্পৃষ্টাতথা ধ্যাতা কীৰ্ত্তিতা নমিতা শ্ৰুতা।
ৰোপিতা সেবিতা নিত্যং পূজিতা তুলসী শুভা।
নবধা তুলসীং নিত্যং যে ভজন্তি দিনে দিনে।
যুগকোটি সহস্ৰণিতে বসন্তি হৰিগৃহে (স্কন্ধ পুৰাণ)



তুলসী সৰ্বমংগলময়ী, প্ৰত্যহ তুলসীৰ দৰ্শন, স্পৰ্শ, ধ্যান, প্ৰণাম, ৰোপণ, পানী ঢালি প্ৰণাম কৰি পূজা দিলে সকলো ধৰণৰ কল্যাণ লাভ কৰা হয়। এইদৰে বিধিৰ মাধ্যমেৰে তুলসী সেৱা কৰিলে সহস্ৰ কোটি যুগ পৰ্যন্ত বিষ্ণুলোকত বাস কৰে।

তুলসীৰ দৰ্শনেৰে পাপ আৰু ৰোগ নাশ হয়, স্পৰ্শৰ ফলত শৰীৰ শুদ্ধ হয়, পানী ঢালিলে ভয় দূৰ হয়, ৰোপণ কৰাৰ ফলত ভগৱৎ ভক্তি লাভ হয় তথা শ্ৰীকৃষ্ণৰ চৰণত অৰ্পণ কৰাৰ ফলত পূৰ্ণ ভগৱৎ প্ৰেম লাভ হয়, সেই তুলসী দেৱীৰ চৰণত সশ্ৰদ্ধ প্ৰণিপাত নিবেদন কৰে। (স্কন্ধ পুৰাণ)

ব্ৰহ্মবৈৱৰ্ত পুৰাণত তুলসীক সীতাস্বৰূপা, স্কন্ধ পুৰাণত লক্ষ্মীস্বৰূপা, চৰক সংহিতাত বিষ্ণুৰ ন্যায় ভূমি, পৰিৱেশ আৰু আমাৰ ৰক্ষাকাৰী বুলি বিষ্ণুপ্ৰিয়া, ঋক্‌বেদত কল্যাণী বোলা হৈছে। স্বয়ং ভগৱান বিষ্ণুৱে তুলসী দেৱীক পবিত্ৰ বৃন্দা বুলি আখ্যায়িত কৰি তেওঁৰ সেৱা কৰিব গৈছে।

**ঔষধি গুণ ঃ** শিশুৰ চৰ্দি, কাহৰ বাবে এটি মহৌষধ হ’লেও যিকোনো বয়সৰ মানুহে ইয়াৰ পৰা উপকাৰ পায়। কেৱল পূজা-অৰ্চনাৰ বাহিৰেও তুলসী পাতৰ বহুত গুণ আছে।

- জ্বৰ হ’লে তুলসী পাত, জালুক আৰু মিচিৰি পানীৰ লগত মিহলাই ভালদৰে গৰম কৰি অথবা তিনিওবিধ দ্ৰব্য মিহলাই মিহলাই বড়ি বনাই ল’ব লাগে। দিনে তিনি-চাৰিবাৰ এটাকৈ বড়ি পানীৰ লগত খালে জ্বৰ খুব কম সময়ৰ ভিতৰতে কমি যায়।
- কাহ যদি নকমে, তুলসী পাত আৰু আদা বটি মৌৰ লগত মিহলাই খালে উপকাৰ পোৱা যায়।
- পাতল পায়খানা হ’লে তুলসীৰ দহটা পাত সামান্য জিৰাৰ স’তে তিনি-চাৰিবাৰ খালে উপশম পোৱা যায়।
- মুখৰ দুৰ্গন্ধ দূৰ কৰিবলৈ চিনি চাৰি-পাঁচবাৰ তুলসীৰ পাত একোটা চোবাব লাগে।
- ঘা দ্ৰুতভাৱে কমাবলৈ হ’লে তুলসীৰ পাত আৰু ফিটকিৰি একেলগে বটি ঘাঁ হোৱা স্থানত লগালে সোনকালে শুকাই যায়।
- শৰীৰৰ কোনো অংশত পুৰিলে তুলসীৰ ৰস আৰু নাৰিকলৰ তেল ফেটি লগালে জ্বলন কমে। পোৱা ঠাইডোখৰ সোনকালে শুকায় আৰু কোনো ধৰণৰ দাগ নাথাকে।
- ছালৰ চমক বঢ়োৱাৰ বাবে, ছালত পৰা বয়সৰ চাপ আৰু ব্ৰুণ দূৰ কৰিবলৈ তুলসীৰ পাত বটি মুখমণ্ডলত লগাব লাগে।
- বুদ্ধি আৰু স্মৰণশক্তি বৃদ্ধিৰ বাবে প্ৰতিদিনে পাঁচ-সাতটা তুলসীৰ পাত চোবালে ভাল।
- প্ৰস্ৰাৱ জ্বলা-পোৱা কৰিলে তুলসীৰ পাতৰ ৰস ২৫০ গ্ৰাম গাখীৰ আৰু ১৫০ গ্ৰাম পানীৰ লগত মিহলাই পান কৰিলে উপকাৰ পোৱা যায়।
- ছালৰ সমস্যা দূৰ কৰিবলৈ তিল তেলৰ লগত তুলসী পাতৰ ৰস মিহলাই অলপ গৰম কৰি ছালত লগালে ভাল।
- তুলসীৰ পাত আৰু দুবৰি বন বটি গাত লগালে ঘামচি আৰু খজুৰতি ভাল হয়।
- দাগ বা অন্যান্য চৰ্ম ৰোগত— স্থানীয়ভাৱে তুলসী পাতৰ ৰস দাগ আৰু অন্যান্য চৰ্মৰোগত ব্যৱহাৰ কৰিলে বহু উপকাৰ পোৱা যয়। তুলসী পাতৰ ৰস ফোটা ফোটাকৈ কাণত দিলে কাণৰ বিষ কমি যায়।
- পাত আৰু শিপাৰ ক্কাথ মেলেৰিয়া জ্বৰৰ বাবে অতি উপকাৰী। মেলেৰিয়াৰ প্ৰতিষেধক হিচাপে প্ৰতিদিনে পুৱা জালুকৰ লগত তুলসী পাতৰ ৰস যিমান দিন সম্ভৱ খাবলৈ দিয়া হয়।
- বসন্ত ওলালে তুলসী পাতৰ ৰস খালে সোনকালে শুকাই যায়।
- তুলসী পাতৰ ৰসৰ লগত নেমুৰ ৰস মিহলাই খালে কৃমি ৰোগত ভাল উপকাৰ পোৱা যায়। শুকান তুলসী পাতৰ ক্কাথ চৰ্দি, মাত ভগা, বক্ষ প্ৰদাহ, উদাৰাময় প্ৰভৃতি ৰোগ নিৰাময় কৰে।
- অজীৰ্ণজনিত পেটৰ বিষত তুলসী পাতে খুব ভাল কাম কৰে। ই হজমকাৰক। প্ৰতিদিনে পুৱা ১৮০ গ্ৰাম পৰিমাণৰ তুলসী পাতৰ ৰস খালে পুৰণি জ্বৰ, ৰক্তক্ষয়, আমাশয়, ৰক্ত অৰ্শ আৰু অজীৰ্ণ কমে।
- যিসকল লোক সহজতেই চৰ্দিৰ দ্বাৰা আক্ৰান্ত হয় (বিশেষকৈ শিশু) তেওঁলোকক কিছুদিন পাঁচ ফোটা মৌৰ লগত দহ ফোটা তুলসীৰ ৰস খুৱালে চৰ্দিৰ প্ৰৱণতা দূৰ হয়।

কোনো কাৰণত তেজ দূষিত হ’লে ক’লা তুলসী পাতৰ ৰস কিছুদিন খালে উপকাৰ পোৱা যায়। শ্লেষ্মা বা কফৰ কাৰণে নাক বন্ধ হৈ কোনো গোন্ধ নোপোৱা হ’লে তুলসীৰ শুকান পাতৰ চূৰ্ণৰ নস্য ল’লে নাক খুলি যায়। পাতৰ চূৰ্ণ দুই আঙুলিৰে টিপি ধৰি নাকেৰে উশাহ টনাকে নস্য বুলি কোৱা হয়। তুলসী পাত চাহৰ দৰে খালে দীৰ্ঘদিন সুস্থ জীৱন যাপন কৰিব পাৰি। তুলসী চাহ হিচাপেও বহু স্থানত জনপ্ৰিয়।

তুলসীৰ বীজ পানীত তিয়াই থ’লে পিছল হয়। এই পানীত চেনি মিহলাই চৰবতৰ দৰে খালে প্ৰস্ৰাৱজনিত জ্বালা-যন্ত্ৰণাত বিশেষ উপকাৰ হয়। মুখত বসন্তৰ ক’লা দাগ হ’লে তুলসীৰ ৰস লগালে দাগ নাইকিয়া হয়। শিশুৰ শৰীৰত ক’লা দাগ পৰিলে তুলসীৰ পাতৰ ৰস লগাই থাকিলে গালৈ স্বাভাৱিক ৰং ঘূৰি আহে।

তুলসীত Engenol অধিক পৰিমাণে থকা বাবে ই Cox-2 Inhibitor ৰূপে কাম কৰে, অৰ্থাৎ ই বিষনাশক হিচাপে ব্যৱহাৰ হয়। তেজস্ক্ৰিয়তাৰ ফলত ক্ষতিগ্ৰস্ত হোৱা কোষসমূহক তুলসী সেৱন কৰি মেৰামতি কৰিব পৰা যায়।

তুলসীয়ে বহুধৰণৰ Phytochemicals (যেনে- Oleanolic acid, Beta caryophyllene ইত্যাদি) বহন কৰে বাবে কৰ্কট ৰোগৰ চিকিৎসাতো ব্যৱহাৰ কৰা হয়। তুলসীয়ে দেহৰ ৰোগ প্ৰতিৰোধ কৰা ক্ষমতা বৃদ্ধি কৰে। তুলসী স্নায়ু টনিক আৰু স্মৃতিবৰ্ধক।

তুলসীৰ স’তে বহুতো লোকাচাৰ জড়িত। কাতি বিহুৰ স’তে তুলসীৰ ওতঃপ্ৰোত সম্পৰ্ক। আহিনৰ সংক্ৰান্তিৰ দিনা প্ৰতিঘৰ অসমীয়াই চোতালত তুলসী পুলি ৰুই বন্তি জ্বলাই গায়— ‘তুলসীৰ তলে তলে মৃগপহু চৰে, তাকে দেখি ৰামচন্দ্ৰই হৰধনু ধৰে।’ সমগ্ৰ কাতিত লক্ষ্মীস্বৰূপা তুলসীৰ ভেটিত চাকি জ্বলোৱা হয়, যাতে আৰ্থিক অভাৱ-অনাটন সমাপ্ত হৈ এক সমৃদ্ধিশালী জীৱন যাপন কৰিব পৰা যায়। তুলসী পাতৰ অবিহনে বিষ্ণু আৰু মা লক্ষ্মীৰ পূজা কৰিব পৰা নাযায়। তুলসী গছক সনাতন ধৰ্মাৱলম্বী লোকসকলে লক্ষ্মী দেৱীৰ ৰূপ হিচাপে গ্ৰহণ কৰে। তুলসী গছক প্ৰতিদিনে জলদান আৰু পূজা কৰিলে ধনদেৱী তুষ্ট হয় বুলি বিশ্বাস কৰা হয়; কিন্তু তাতো কিছুমান বিশেষ নিয়ম আছে। কিছুমান নিৰ্দিষ্ট দিনত তুলসী গছক জলদান কৰিলে লক্ষ্মীদেৱী ৰুষ্ট হয়। সনাতন ধৰ্ম অনুসৰি প্ৰতি দেওবাৰ, একাদশী, চন্দ্ৰগ্ৰহণ আৰু সূৰ্যগ্ৰহণৰ দিনা তুলসী গছত জলদান কৰা উচিত নহয়। ইয়াৰ ফলত গৃহদোষৰ সৃষ্টি হয়। সেইদৰে ঘৰত শুকান তুলসী গছ কেতিয়াও থকা উচিত নহয়। এনে গছক অশুভ বুলি বিবেচনা কৰা হয়। ঘৰত নান ধৰণৰ সমস্যাই দেখা দিয়ে। তেনে গছক যথাবিহিত সন্মান সহকাৰে নদী বা পুখুৰীত বিসৰ্জন দিয়া উচিত। তেনেদৰে সনাতন ধৰ্মাৱলম্বী লোকসকলে দক্ষিণ দিশে কেতিয়াও তুলসী গছ থাকিব নালাগে বুলি গণ্য কৰে। ইয়াক অশুভ বুলি ভবা হয়। ইয়াৰ ফলত জীৱনত নানা ধৰণৰ দুৰ্যোগ সংঘটিত হয় বুলি বিশ্বাস কৰে। উত্তৰ দিশত পাত্ৰ ৰাখি তুলসী গছ ৰোপণ কৰিলে শুভ বুলি জনবিশ্বাস প্ৰচলিত হৈ আছে। বৃহস্পতিবাৰে লক্ষ্মী, নাৰায়ণৰ দিন। সেইদিনা তুলসী গছক বিশেষভাৱে তুষ্টি কৰা হয়। এইদৰে আমাৰ সনাতন ধৰ্ম, সংস্কৃতিত তুলসী গছক এক অতি উচ্চ আসন প্ৰদান কৰা হৈছে আৰু ই আমাৰ ধৰ্মীয় আস্থা, বিশ্বাসৰ প্ৰতীক। ইয়াৰ লগতে তুলসী গছৰ বহুতো ঔষধি গুণো থকা দেখা যায়। তুলসী গছ অতি মূল্যৱান আৰু আমি সকলোৱে ইয়াৰ সংৰক্ষণ কৰা উচিত।

*ফোন ঃ ৬০০০৬-০৩৮১৭*

*লেখক ঃ প্ৰাক্তন অতিৰিক্ত আৰক্ষী সঞ্চালকপ্ৰধান,*

■ বন বিভাগৰ অভিযানত উৎখাট অবৈধ মহল ■ পাঁচটা শিল বালি খনন কৰা মেচিন, সা-সামগ্ৰী জব্দ

# তামুলপুৰত বৰনদীত অবৈধ শিল-বালিৰ খনন



**অগ্ৰদূত বাৰ্তা**

**তামুলপুৰ, ২৮ জুলাই ঃ** বনজ সম্পদৰে ভৰপূৰ তামুলপুৰ জিলাৰ ভাৰত ভূটান সীমান্তৰ ভুটান পৰা বৈ অহা বৰলীয়া, বৰনদী আদি নদীসমূহ । এই নদীসমূহতে বিগত কিছুদিন ধৰি একাংশ দুষ্কৃতিকাৰীয়ে বন বিভাগৰ চকুত ধূলি দি অবৈধভাৱে খনন চলাই সংগ্ৰহ কৰি আহিছিল শিল-বালি ইত্যাদি। ভূটান পাহাৰৰ পৰা বৈ অহা বৰনদীৰ বুকুত অবৈধভাৱে শিল-বালিৰ খনন চলাই ব্যৱসায়ীয়ে চলাই থকা দুষ্কৃতিকাৰীৰ বিৰুদ্ধে সৰৱ হোৱা দেখা গৈছে বিটিআৰৰ বন বিভাগ। শেহতীয়াকৈ বিটিআৰৰ বন বিভাগে তামুলপুৰ জিলাৰ বনাঞ্চলিক বিষয়াসকলক অবৈধভাৱে চলোৱা সকলো কামৰ বিৰুদ্ধে অভিযান চলাই শীঘ্ৰেই এনে কাৰ্য বন্ধ কৰিবলৈ এক নিৰ্দেশ জাৰি কৰে। কালি তামুলপুৰ বনাঞ্চলিক কাৰ্যালয়ৰ ভাৰপ্ৰাপ্ত বিষয়া গিৰিন বৰ্মনৰ নেতৃত্বত যোৱা বনকৰ্মীৰ দলে বৰনদীত চলি থকা অবৈধ খননৰ বিৰুদ্ধে এক অভিযান চলায়। অভিযান কালত বৰনদীৰ বুকুত একাংশ দুষ্কৃতিকাৰীয়ে আধুনিক মেচিন বহুৱাই শিল-বালিৰ খনন কাৰ্য চলাই এক মহললৈ ৰূপান্তৰিত কৰা প্ৰত্যক্ষ কৰে বন বিভাগৰ অভিযানকাৰী দলটোৱে । এনে কাৰ্য প্ৰত্যক্ষ কৰি লগে লগে নদীৰ বুকুৰ পৰা শিল-বালি উঠাবলৈ অবৈধভাৱে বহুওৱা মেচিনসমূহ জব্দ কৰাৰ লগতে তাত থকা যাৱতীয় সা-সামগ্ৰীসমূহ জব্দ কৰি তামুলপুৰলৈ আনে। জব্দকৃত সামগ্ৰীসমূহৰ মূল্য প্ৰায় পাঁচলাখৰো অধিক হ'ব বুলি জানিব দিয়ে বন বিভাগৰ লোকে। তামুলপুৰৰ ভাৰপ্ৰাপ্ত বনাঞ্চলি বিষয়া গিৰিন বৰ্মনে সদৰি কৰা মতে, নদীৰ বুকুত অবৈধভাৱে শিল-বালি খনন কৰা কাৰ্যৰ বিৰুদ্ধে বন বিভাগৰ এই অভিযান অব্যাহত থাকিব। ভৱিষ্যতে এনে দুষ্কাৰ্য চলাবলৈ দিয়া নহ'ব বুলি কয়। বন বিষয়াজনে সদৰী কৰা মতে বৰনদীৰ ঢেঁকীপোটা পকী দলঙৰ পৰা দুয়োমূৰৰ পাঁচশ মিটাৰ দূৰত্বলৈ কোনো শিল-বালি খনন কাৰণে মহল আৱন্টন দিব নোৱাৰে। আনহাতে, য'ত য'ত অবৈধ শিল-বালিৰ খনন চলাইছে তাত বিটিআৰৰ বন বিভাগে মহল আৱন্টন দিয়াৰ কাৰণে বিভাগীয়ভাৱে নিবিদা আহ্বান কৰিছে। কিন্তু আজিলৈকে বিভাগীয়ভাৱে মহল আৱন্টন দিয়া হোৱা নাই । সেয়ে উক্ত ঠাইত বন বিভাগৰ বিনা অনুমতিত শিল-বালিৰ মহল অবৈধভাৱে স্থাপন কৰিলে আইনীভাৱে দণ্ডনীয় হ'ব বুলি বিষয়াজনে সকীয়াই দিয়ে। কালি অবৈধ খনন কাৰ্যৰ বিৰুদ্ধে চলোৱা অভিযানত তামুলপুৰৰ ভাৰপ্ৰাপ্ত বন বিষয়া বৰ্মনৰ লগতে এই অভিযানত বনপালক ক্ৰমে অনুপ নাৰ্জাৰী, বিমল হাজদা, পৰেশ শৰ্মা, ৰৌচন আলীকে ধৰি আন আন সতীৰ্থসকলে অংশগ্ৰহণ কৰে ।

## জামুগুৰিহাটত অত্যাধুনিক ব্যৱসায় গৃহৰ আধাৰশিলা স্থাপন বিধায়ক হাজৰিকাৰ

**অগ্ৰদূত বাৰ্তা**

**নদুৱাৰ, ২৮ জুলাই ঃ** শোণিতপুৰ জিলাৰ জামুগুৰিহাটৰ পৌৰসভা অঞ্চলত আজি প্ৰায় এক কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ হ'বলগীয়া অত্যাধুনিক ব্যৱসায় গৃহৰ আধাৰশিলা স্থাপন কৰে চতিয়া সমষ্টিৰ বিধায়ক পদ্ম হাজৰিকাই। এই সন্দৰ্ভত বিধায়কজনে কয় যে আজি আধাৰশিলা স্থাপন কৰা তথা নিৰ্মাণ কাৰ্য আৰম্ভ হোৱা অত্যাধুনিক ব্যৱসায় গৃহটি আগন্তুক তিনি মাহৰ ভিতৰত সম্পূৰ্ণ হৈ উঠিব। নতুনকৈ গঠন হোৱা জামুগুৰি পৌৰ সভাই নিজৰ অঞ্চলটোক গ্ৰীণ জামুগুৰি ক্লীন জামুগুৰি হিচাপে গঢ়ি তোলাৰ প্ৰয়াস অব্যাহত ৰাখিছে। সকলো ৰাইজৰ গৃহত বিশুদ্ধ খোৱা পানী যোগানৰ ব্যৱস্থা কৰিছে বুলি মন্তব্য কৰি বিধায়কজনে আৰু কয় যে জামুগুৰি পৌৰসভাত এখন আটক ধুনীয়া শ্মশান নিৰ্মাণ কৰা হ'ব লগতে ২৫ লাখ টকা ব্যয় সাপেক্ষে এটি আদৰ্শ অংগনৱাড়ী কেন্দ্ৰৰ নিৰ্মাণ কাৰ্য শীঘ্ৰে আৰম্ভ হ'ব। পৌৰসভা অঞ্চলৰ সকলো পথ উন্নত প্ৰযুক্তিৰে নিৰ্মাণৰ বাবে প্ৰায় চাৰি কোটি টকা আবণ্টন লাভ কৰি ইতিমধ্যে কাম আৰম্ভ হৈছে। বিধায়কজনে জামুগুৰি পৌৰসভাৰ সকলো আঁচনি সফল ৰূপায়ণৰ ক্ষেত্ৰত ৰাইজৰ সহায়-সহযোগিতা কামনা কৰে। আধাৰশিলা অনুষ্ঠানটোত নদুৱাৰ ৰাজহ চক্ৰ বিষয়া আকাশদ্বীপ কাকতি-নদুৱাৰ মণ্ডল বিজেপিৰ সভাপতি জয়ন্ত বৰা-কনিষ্ঠ অভিযন্তা অভিজিৎ ভট্টাচাৰ্য-পৌৰপতি পল্লবিতা শৰ্মা মহন্ত-উপ পৌৰপতি অঞ্জন কলিতাৰ লগতে ৱাৰ্ড সদস্যসকলে অংশগ্ৰহণ কৰে।

## বিশ্বনাথত বিজেপিৰ সাংগঠনিক সভাত উপস্থিত ৰাজ্যিক বিজেপিৰ সভাপতি ভবেশ কলিতা

**অগ্ৰদূত বাৰ্তা**

**বিশ্বনাথ চাৰিআলি, ২৮ ঃ** কালি ভাৰতীয় জনতা পাৰ্টিৰ এখন বিশেষ দলীয় সাংগঠনিক সভা অনুষ্ঠিত কৰা হয়। এই সভাত বিজেপিৰ অসম প্ৰদেশৰ সভাপতি ভবেশ কলিতাই অংশগ্ৰহণ কৰি জিলাৰখনত দলৰ সাংগঠনিক স্থিতি সন্দৰ্ভৰ লগতে দলীয় আভ্যন্তৰীণ গুৰুত্বপূৰ্ণ সম্পৰ্কে বিষয়বস্তুৰ ওপৰত বিতংভাৱে আলোচনা কৰে। উক্ত সভাত বিশ্বনাথ বিধানসভা সমষ্টিৰ বিধায়ক প্ৰমোদ বৰঠাকুৰ, ভাৰতীয় জনতা পাৰ্টি, বিশ্বনাথ জিলা সভাপতি পংকজ বৰা, লগতে বিহালী সমষ্টিৰ বিধায়ক ৰঞ্জিত দত্ত, গহপুৰ সমষ্টিৰ বিধায়ক উৎপল বৰা আৰু ৰাজ্যিক চাহ জনগোষ্ঠী মৰ্চাৰ সভাপতি দিগন্ত ঘাটোৱাৰ লগতে ৰাজ্যিক উপ- সভাপতি অশোক ভট্টৰায়ে অংশগ্ৰহণ কৰে। এই সভাৰ অন্তত সভাপতিজনক কংগ্ৰেছৰ সভাপতিয়ে ৰাষ্ট্ৰপতি নিৰ্বাচনত ক্ৰছ ভোটিঙৰ সন্দৰ্ভত কৰা প্ৰশ্নৰ উত্তৰত কয় যে দেশত পোনপ্ৰথমবাৰৰ বাবে এগৰাকী আদিবাসী মহিলা ৰাষ্ট্ৰপতিৰ আসন অলংকৃত কৰিছে। এই ৰাষ্ট্ৰপতি নিৰ্বাচনত সকলো মন্ত্ৰী-বিধায়ক অথবা সাংসদসকলে ভোটদান কৰিছে আৰু সকলোৱে বিবেক ভোট প্ৰদান কৰিয়ে ৰাষ্ট্ৰপতিগৰাকীক নিৰ্বাচিত কৰিছে। এইফালে ৰাজ্যত চাৰিখনকৈ টোলগেট সন্দৰ্ভত সভাপতিজনে কয় যে এই এই টোলগেটসমূহ অবৈধ নহয়, কিন্তু দূৰত্বৰ ক্ষেত্ৰত যি বিসংগতি হৈছে এই বিসংগতি দূৰ কৰাৰ ক্ষেত্ৰত এনএইছআইডিচিএলয়ে ব্যৱস্থা গ্ৰহণ কৰিব বুলি মন্তব্য প্ৰদান কৰিছে সভাপতিজনে।

## ঘগ্ৰাপাৰৰ ৰোগাক্ৰান্ত সাংবাদিক উমেশ দৈমাৰীলৈ আৰ্থিক সাহায্য

**অগ্ৰদুত বাৰ্তা**



**ঘগ্ৰাপাৰ, ২৮ জুলাই ঃ** ৯০ দশকত সাংবাদিকতা কৰাৰ বাবে হাতত কলম তুলি লোৱা নিৰ্ভীক, সাহসী সাংবাদিক উমেশ দৈমাৰী আজি এক জটিল ৰোগত আক্ৰান্ত। প্ৰয়াত পৰাগ দাসৰ স'তে সাংবাদিক সতীৰ্থৰূপে একালত কাম কৰা উমেশ দৈমাৰীও পৰাগ দাসৰ লেখীয়াকৈ বৃহত্তৰ ঘগ্ৰাপাৰ অঞ্চলত সাহসী, নিৰ্ভীক, স্পষ্টবাদী লেখা লিখাৰ মাজেৰে নিজৰ পৰিচয় দাঙি ধৰা নিঃসন্দেহে এজন সৎ সাংবাদিক। সেইজন সাংবাদিকক আজি জটিল ৰোগে কোঙা কৰি পেলাইছে। আৰ্থিকভাৱে দুৰ্বল পৰিয়ালটোৰ সাংবাদিকজনৰ চিকিৎসা কৰিবলৈ হাতত নাই ধন, নাই সা-সম্পত্তি। তেনে এজন সাংবাদিকে নিজৰ উপযুক্ত চিকিৎসাৰ বাবে একো সম্বল নোহোৱাত ত্ৰাহিমধুসূদন দেখিছে। এই ক্ষেত্ৰত ৰজাঘৰীয়াৰ চকুত পৰা নাই। চকুত পৰা নাই সমাজ হিতৈষীসকলৰ। তাৰ মাজতে আজিৰ পৰা কিছুদিন পুৰ্বে প্ৰতিবিম্ব লাইভৰ সঞ্চালক তথা সাংবাদিক তফিকউদ্দিন আহমেদৰ লগত এদল সাংবাদিকে সাংবাদিক উমেশ দৈমাৰীৰ গৃহত উপস্থিত হৈ তেওঁৰ স্বাস্থ্যৰ বুজ লয়। লগতে দৈমাৰীৰ চিকিৎসাৰ বাবে কিছু আৰ্থিক সাহায্য প্ৰদান কৰাৰ উপৰি পৰৱৰ্তী সময়ত চিকিৎসাৰ ক্ষেত্ৰত আৰ্থিক সাহায্যকে ধৰি চিকিৎসা সম্পৰ্কীয় দিশত সহায় কৰিব বুলি অৱগত কৰিছিল। আনহাতে, আজিও পুনৰ সাংবাদিক তফিকউদ্দিন আহমেদ, হামিদ আলী, জগত তালুকদাৰ সহিতে এটি সাংবাদিকৰ দল তেওঁৰ গৃহত উপস্থিত হৈ স্বাস্থ্যৰ বুজ লয় আৰু তেওঁৰ চিকিৎসাৰ বাবে কিছু আৰ্থিক সাহায্য আগবঢ়াই প্ৰতিবিম্ব লাইভৰ সঞ্চালক সাংবাদিক তফিকউদ্দিন আহমেদে। তেওঁৰ এই কাৰ্যক সচেতন মহলে প্ৰশংসা কৰিছে।

## দুলীয়াজান আঞ্চলিক ছাত্ৰ সন্থাৰ ঊনবিংশতিতম অধিবেশনৰ বাবে অভ্যৰ্থনা সমিতি গঠন

**অগ্ৰদূত বাৰ্তা**

**দুলীয়াজান, ২৮ জুলাই ঃ** দুলীয়াজান আঞ্চলিক ছাত্ৰ সন্থাৰ ঊনবিংশতিতম সাধাৰণ অধিবেশন অহা ২৪ আৰু ২৫ আগষ্টত দুদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত কৰাৰ উদ্দেশ্যে কালি নাওশলীয়াৰ গোপীনাথ বৰদলৈ স্মৃতি উচ্চতৰ মাধ্যমিক বিদ্যালয়ত এখন ৰাজহুৱা সভা অনুষ্ঠিত হয়। কালি সভাৰ সভাপতিত্ব কৰে দুলীয়াজান আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি বুবুল তালুকদাৰে। উক্ত সভাই অনুপ বেজবৰুৱাক সভাপতি, ব্ৰজেন গগৈক কাৰ্যকৰী সভাপতি, দিগন্ত শইকীয়া, প্ৰাঞ্জল শইকীয়া, সীমান্ত পূজাৰী, মহেশ্বৰ ফুকন, দীপাংকৰ বড়া আৰু প্ৰশান্ত গগৈক উপ-সভাপতি, কনক গগৈক সাধাৰণ সম্পাদক, দীপাংকৰ গগৈ, দিগন্ত বড়া আৰু ৰবীন বড়াক সহকাৰী সম্পাদক, কোষাধ্যক্ষ হিচাপে আব্দুল ছাত্তাৰক, সাংস্কৃতিক বিভাগত সভাপতি হিচাপে প্ৰসন্ন চেতিয়া আৰু সম্পাদক হিচাপে আদিত্য ফুকন, স্মৃতিগ্ৰন্থ বিভাগৰ সভাপতি হিচাপে সঞ্জীৱ নেওগ আৰু সম্পাদক হিচাপে মানস ডেকা আৰু আনন্দ কুৰ্মীক, মঞ্চ আৰু তোৰণ বিভাগৰ সভাপতি হিচাপে প্ৰণৱ গগৈ আৰু সম্পাদক হিচাপে ৰূপাঞ্জিত ৰাজগিৰীক, খাদ্য বিভাগৰ সভাপতি হিচাপে জীৱন গগৈ আৰু সম্পাদক হিচাপে আজিত বড়া আৰু অতিথি আপ্যায়ন বিভাগত ভাৰতী চেতিয়া আৰু চিনু চেতিয়াক লৈ এখন শক্তিশালী অভ্যৰ্থনা সমিতি গঠন কৰে। কালিৰ এই ৰাজহুৱা সভাত গোপীনাথ বৰদলৈ স্মৃতি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ মানস প্ৰতিম গগৈ, চিচিয়া বকুলনী মজলীয়া বিদ্যালয়ৰ শিক্ষক বিযেশ্বৰ গগৈ, অৱসৰপ্ৰাপ্ত শিক্ষক পোনাৰাম বৰগোহাঁই, আছুৰ ডিব্ৰুগড় জিলা সমিতিৰ সাংস্কৃতিক সম্পাদক প্ৰদীপ গগৈ, জিলা ছাত্ৰ সন্থাৰ উপ-সভাপতি কনক গগৈ, জনতা উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক অনুপ বেজবৰুৱা, বাপুজী প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষয়িত্ৰী প্ৰণীতা হাতীমূৰীয়া চিত্ৰকৰ আৰু মধুটিং মধ্য ইংৰাজী বিদ্যালয়ৰ প্ৰধান শিক্ষক দেৱজিৎ চেতিয়া উপস্থিত আছিল।

## নলবাৰীৰ মুগকুছিত বিজুলী মহোৎসৱ উদ্‌যাপন

**অগ্ৰদূত বাৰ্তা**

**নলবাৰী, ২৮ জুলাই ঃ** নলবাৰী চহৰৰ সমীপৱৰ্তী মুগকুছি কামৰূপ বিদ্যাপীঠ হাইস্কুলত কালি স্বাধীনতাৰ অমৃত মহোৎসৱৰ উপলক্ষে 'উজ্জ্বল ভাৰত উজ্জ্বল ভবিষ্যত' আৰু বিদ্যুৎ দেশৰ প্ৰগতিৰ ভৱিষ্যত শীৰ্ষক বাণীৰে বিজুলী মহোৎসৱৰ উদ্‌যাপন কৰা হয়। অনুষ্ঠানত মৎস্যগন্ধা সুৰ সমলয় আৰু পিংক, ৰোজ ড্ৰামা গ্ৰুপে চুটি ছবি আৰু সাংস্কৃতিক অনুষ্ঠানেৰে বিদ্যুতৰ পৰা হ'ব পৰা লাভ আৰু ক্ষতিৰ তথ্য সমৃদ্ধ বিষয়বস্তু উপস্থাপন কৰে। অসম শক্তি বিতৰণ কোম্পানী লিমিটেডৰ নলবাৰীৰ উদ্যোগত আয়োজিত অনুষ্ঠানত মুখ্য অতিথিৰূপে নলবাৰী জিলা পৰিষদৰ অধ্যক্ষ নিতুল ডেকা, এপিডিচিএলৰ দিল্লীৰ বিষয়া এছচি গাৰ্গ, নলবাৰীৰ প্ৰকল্প বিষয়া পিংকু বৰ্মন, সহকাৰী মহাপ্ৰৱন্ধক দিগন্ত দাস, প্ৰধান শিক্ষক দীপক কুমাৰ শৰ্মা, বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি নলিনীকান্ত শীল উপস্থিত থাকে। অনুপম ডেকাই আঁত ধৰা অনুষ্ঠানত মুখ্য অতিথিৰ ভাষণত জিলা পৰিষদৰ অধ্যক্ষ নিতুল ডেকাই কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত ভাৰতবৰ্ষই সকলো দিশতে উজলি উঠিছে। দেশ যদি আগুৱাই নিব লাগে বিদ্যুতৰ দিশত গুৰুত্ব দিব লাগিব আৰু তাক উপলব্ধি কৰি প্ৰধানমন্ত্ৰীৰ নেতৃত্বত কেন্দ্ৰীয় চৰকাৰ অধিক গুৰুত্ব দিছে। তেনেদৰে অসমত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত শক্তি মন্ত্ৰী নন্দিতা গৰ্লোছা, বিভাগীয় বিষয়া-কৰ্মচাৰীৰ সহযোগত বিদ্যুতক অধিক গুৰুত্ব দিছে। কিন্তু বিগত দিনৰ কংগ্ৰেছ নেতৃত্বাধীন ভাৰত চৰকাৰে বিদ্যুতক অৱহেলা কৰাৰ বাবেই ৰাইজে কেৰাচিন তেলৰ চাকি জ্বলাব লগা হৈছিল বুলি ভাষাত উল্লেখ কৰি এয়া দূৰ্ভাগ্যজনক বুলি প্ৰকাশ কৰে।

## বিশ্বনাথ জিলা উপায়ুক্ত কাৰ্যালয়ৰ সন্মুখত মুকলি জাতীয় পতাকা বিক্ৰী কেন্দ্ৰ

**অগ্ৰদূত বাৰ্তা**

**বিশ্বনাথ চাৰিআলি, ২৮ জুলাই ঃ** দেশে স্বাধীনতা লাভ কৰাৰ ৭৫ বছৰ সম্পূৰ্ণ হোৱা উপলক্ষে কেন্দ্ৰীয় চৰকাৰে কৰা পৰিকল্পনা অনুসৰি ১৩ৰ পৰা ১৫ আগষ্টলৈ প্ৰতিটো বাসগৃহ আৰু কাৰ্যালয়ত যাতে জাতীয় পতাকা উৰুওৱা হয় তাক নিশ্চিত কৰাৰ বাবে আজি বিশ্বনাথ জিলা উপায়ুক্ত কাৰ্যালয়ৰ সন্মুখত এখন জাতীয় পতাকা বিক্ৰী কেন্দ্ৰ মুকলি কৰা হয়। অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানৰ অন্তৰ্গত বিশ্বনাথৰ খণ্ড অভিযান পৰিচালনা শাখাৰ সাকোমঠা উন্নয়ন খণ্ডৰ অন্তৰ্গত আত্মসহায়ক গোটৰ জৰিয়তে আত্মসহায়ক গোটৰ দ্বাৰা প্ৰস্তুত কৰা জাতীয় পতাকা বিক্ৰী কেন্দ্ৰ মুকলি কৰা হয়। কালি বিশ্বনাথৰ জিলা প্ৰশাসনৰ বিভিন্ন বিষয়ববীয়া, সাকোমঠা উন্নয়ন খণ্ডৰ বিভিন্ন বিষয়ববীয়া আৰু বহু সহায় গোটৰ মহিলাসকলৰ উপস্থিতিত বিশ্বনাথ জিলাৰ উপায়ুক্ত মুনিন্দ্ৰ নাথ ঙাটেই জিলা উপায়ুক্ত কাৰ্যালয়ৰ সন্মূখত এই পতাকা বিক্ৰী কেন্দ্ৰ আনুষ্ঠানিকভাৱে মুকলি কৰে। জিলাখনৰ প্ৰতিজন ব্যক্তি যাতে 'হৰ ঘৰ ত্ৰিৰংগা' কাৰ্যসূচীৰ অংশ হ'ব পাৰে। তাৰ বাবে সুলভ মূল্যত জাতীয় পতাকা পাব পৰাকৈ এই কেন্দ্ৰসমূহ মুকলি কৰা হয়।

## হৰ ঘৰ ত্ৰিৰংগা কাৰ্যসূচী ৰূপায়ণৰ সন্দৰ্ভত মৰিগাঁও জিলা প্ৰশাসনৰ সভা

**অগ্ৰদূত বাৰ্তা**

**মৰিগাঁও, ২৮ জুলাই ঃ** মৰিগাঁও জিলা উপায়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত অহা ১৩ৰ পৰা ১৫ আগষ্টলৈ পালন হ'ব লগা 'হৰ ঘৰ ত্ৰিৰংগা' কাৰ্যসূচী ৰূপায়ণৰ সন্দৰ্ভত জিলা কমিটীৰ এখন বৈঠক অনুষ্ঠিত হয়। সভাত প্ৰতি ঘৰতে উত্তোলন হ'ব লগা পতাকা কোন কোন ঠাই, অনুষ্ঠান-প্ৰতিষ্ঠান বা কাৰ্যালয়ত, কিমান পৰিমাণ আৰু কিমান দামত উপলব্ধ হ'ব সেই বিষয়ে বিতংকৈ আলোচনা কৰা হয়। দৰিদ্ৰ সীমাৰেখাৰ তলৰ পৰিয়াল যিসকলৰ ৰেছন কাৰ্ড থাকিব তেওঁলোকে ৰেহাই মূল্যত সুলভ মূল্যৰ দোকানত ত্ৰিৰংগা পতাকা কিনিব পাৰিব। পতাকা উত্তোলনত মনত ৰাখিব লাগিব যাতে জাতীয় পতাকাক সৰ্বোচ্চ সন্মান প্ৰদৰ্শন কৰা হয় আৰু পতাকাৰ মৰ্যদা অক্ষুণ্ণ থাকে। জিলা উপায়ুক্ত প্ৰকাশ ৰঞ্জন ঘৰফলীয়াৰ পৌৰোহিত্যত অনুষ্ঠিত সভাত তিৱা স্বায়ত্ত পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া দেৱানন্দ দাস, জিলা উন্নয়ন আয়ুক্ত পুনম ৰাও বৰা, পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া ক্ষিতীশ চন্দ্ৰ পেগু, অতিৰিক্ত উপায়ুক্ত অৰুন্ধতী নৰহ মিপুন, গৰ্গ মোহন দাস, অতিৰিক্ত আৰক্ষী অধীক্ষক মৌচুমী দাস, সহকাৰী আয়ুক্ত আৰু চক্ৰ বিষয়াসকল, বিভিন্ন বিভাগৰ মুৰব্বী বিষয়াসকলো উপস্থিত থাকে।



*লখিমপুৰ সাহিত্য সভাৰ উদ্যোগত পাঞ্চল ৰাজবংশী সোঁৱৰণী বক্তৃতানুষ্ঠানৰ এটি মুহূৰ্ত, বৃহস্পতিবাৰে।*

## চিত্ৰ অংকনৰ অভ্যাসে শিশুৰ হাতৰ আখৰ ভাল কৰে ঃ শৈলেন বৰ্মন

■ বেছিমাৰীৰ বিষ্ণুজ্যোতি সংস্থাৰ উদ্যোগত চিত্ৰকলা কৰ্মশালা সম্পন্ন

**অগ্ৰদূত বাৰ্তা**

**টিহু, ২৮ জুলাই ঃ** নলবাৰী জিলাৰ বেছিমাৰীৰ বিষ্ণুজ্যোতি সংস্থাৰ উদ্যোগত কৈঠালকুছি হাইস্কুল প্ৰাংগণত কণ-কণ শিশুৰ মাজত ছয়দিনীয়া চিত্ৰকলা কৰ্মশালা অনুষ্ঠিত হয়। যোৱা ২১ জুলাইৰ বিয়লি কৈঠালকুছি হাইস্কুলৰ ভাৰপ্ৰাপ্ত প্ৰধান শিক্ষক বিকাশ বেজবৰুৱাই বন্তি প্ৰজ্বলনেৰে চিত্ৰকলা কৰ্মশালাৰ আৰম্ভ কৰাৰ পাছত বিগত ছদিন বিশিষ্ট চিত্ৰশিল্পী মহেন্দ্ৰ হালৈয়ে চিত্ৰকলা কৰ্মশালাত অংশগ্ৰহণ কৰি শিশুসকলক চিত্ৰ আৰু কলা সম্পৰ্কে আভাস দিয়ে। কালি কৰ্মশালাৰ বিয়লি বিষ্ণুজ্যোতি সংস্থাৰ সভাপতি কুলদ্বীপ বৰুৱাই পৰিচালনা কৰা সামৰণি অনুষ্ঠানত সন্মানীয় অতিথিৰূপে উপস্থিত থাকি মানৰ সেৱা বঁটা প্ৰাপক সাংবাদিক শৈলেন বৰ্মনে সুকুমাৰ কলা আৰু হস্ত কলাৰ ওপৰত এক মননশীল ব্যাখ্যা দাঙি ধৰি ৰং-ৰেখা আৰু ছাঁ-পোহৰৰ সমন্বয়ত পেঞ্চিল, তুলিকা আদিৰে বিভিন্ন দৃশ্য বা বস্তু অংকন কৰিলেই একোখন চিত্ৰৰ সৃষ্টি হয় বুলি উল্লেখ কৰে। লগতে ছবি বা চিত্ৰ অংকনৰ অভ্যাসে শিশুসকলৰ হাতৰ আখৰ ভাল কৰে বুলি কয়। অনুষ্ঠানত বিশিষ্ট চিত্ৰশিল্পী মহেন্দ্ৰ হালৈয়ে ভাষণ প্ৰসংগত কয় "ছবি অংকনে শিশুৰ মনোযোগ বঢ়ায়, স্মৃতিশক্তি বঢ়ায়, ধৈৰ্য বঢ়ায় আৰু চৰিত্ৰ সংশোধনত সহায় কৰে।' বিষ্ণুজ্যোতি সংস্থাৰ সম্পাদক কৃতীময় কাশ্যপে আঁতধৰা আৰু ভাৰতীয় জনতা পাৰ্টিৰ নলবাৰী জিলা অনুসুচিত জাতি মৰ্চাৰ সভাপতি তৰণী দাসকে ধৰি বহুকেইগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থকা অনুষ্ঠানত আন এগৰাকী অতিথি কৈঠালকুছি হাইস্কুলৰ অৱসৰী শিক্ষক সুৰেন্দ্ৰ নাথ দাসে ভাষণ প্ৰদান কৰি কৰ্মশালাত অংশগ্ৰহণ কৰা শিশুসকলক বিভিন্ন পৰামৰ্শ আগবঢ়ায়। কৰ্মশালাৰ সামৰণিত বিভিন্ন বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ মাজত অনুষ্ঠিত হয় চিত্ৰাংকন প্ৰতিযোগিতা। প্ৰতিযোগিতাত 'ক' শাখাত হিয়ান শৰ্মাই প্ৰথম, হিমছায়া হালৈয়ে দ্বিতীয় আৰু হীৰক দাসে তৃতীয় পুৰস্কাৰ লাভ কৰে। আনফালে 'খ' শাখাত বাৰ্বী বেজবৰুৱাই প্ৰথম, বৰ্ণালী দাসে দ্বিতীয় আৰু মৃণাল বৈশ্যই তৃতীয় পুৰস্কাৰ লাভ কৰে। কৰ্মশালাত অংশগ্ৰহণকাৰীসকলক ট্ৰফী আৰু মানপত্ৰ প্ৰদান কৰা হয়।

কলিয়াবৰত 'ঘৰে ঘৰে ত্ৰিৰংগা' অভিযান

## কলিয়াবৰত একেদিনাই দুটাকৈ ৰাষ্ট্ৰীয় পতাকা বিক্ৰী কেন্দ্ৰ মুকলি

**অগ্ৰদূত বাৰ্তা**

**কলিয়াবৰ, ২৮ জুলাই ঃ** ভাৰতৰ স্বাধীনতা ৭৫ বছৰ সম্পূৰ্ণ হোৱা উপলক্ষে 'আজাদী কা অমৃত উৎসৱ'ৰ লগতে সংগতি ৰাখি দেশত 'ঘৰে ঘৰে ত্ৰিৰংগা' অভিযানে অসমতো এক গতি লাভ কৰিছে। কলিয়াবৰ উন্নয়ন খণ্ডৰ অন্তৰ্গত পঞ্চায়তসমূহত প্ৰস্তুত কৰি উলিওৱা পতাকাসমূহৰ বিক্ৰীৰ বাবে কালি হাটবৰ আৰু জখলাবন্ধাত দুটাকৈ বিক্ৰী কেন্দ্ৰ মুকলি কৰে। বিক্ৰী কেন্দ্ৰ দুটাৰ মুকলি অনুষ্ঠানত উপস্থিত থাকে কলিয়াবৰ মহকুমাৰ ভাৰপ্ৰাপ্ত



মহকুমাধিপতি পৱিত্ৰ কুমাৰ দাস আৰু কলিয়াবৰ উন্নয়ন খণ্ডৰ খণ্ড উন্নয়ন বিষয়া ঋতুপৰ্ণা বৰগোহাঁই। কালি পুৱা হাটবৰত মহিলা আত্মসহায়ক গোটসমূহৰ জ্ঞানোদয় মণ্ডল পৰ্যায়ৰ সংগঠনৰ বিক্ৰী কেন্দ্ৰটো মুকলি কৰে কলিয়াবৰ মহকুমাৰ ভাৰপ্ৰাপ্ত মহকুমাধিপতি পৱিত্ৰ কুমাৰ দাসে। কেন্দ্ৰটো মুকলি কৰি দাসে ভাৰতৰ স্বাধীনতা ৭৫ বছৰ সম্পূৰ্ণ হোৱা উপলক্ষে 'আজাদী কা অমৃত উৎসৱ' দৰিদ্ৰ সীমাৰেখাৰ তলত বাস কৰা পৰিয়ালসমূহৰ বাবে কলিয়াবৰৰ সকলো সুলভ মূল্যৰ দোকানতে প্ৰতিখন ৰাষ্ট্ৰীয় পতাকা কেৱল ১৮ টকাত উপলব্ধ হ'ব বুলি ঘোষণা কৰে। আনহাতে, সাধাৰণ পৰিয়ালৰ বাবে এই পতাকাৰ মূল্য ৪০ টকা ধাৰ্য কৰা হৈছে বুলি মহকুমাধিপতিজনে অৱগত কৰে। আনহাতে, জখলাবন্ধাত বিয়লি বেলা মহকুমাধিপতি দাসৰ উপস্থিতিত মহিলা আত্মসহায়ক গোটসমূহৰ পঞ্চায়তৰ নৱপ্ৰদীপ মণ্ডল পৰ্যায়ৰ সংগঠনৰ ৰাষ্ট্ৰীয় পতাকা বিক্ৰী কেন্দ্ৰটো মুকলি কৰে কলিয়াবৰ উন্নয়ন খণ্ডৰ খণ্ড উন্নয়ন বিষয়া ঋতুপৰ্ণা বৰগোহাঁয়ে। খণ্ড উন্নয়ন বিষয়াজনে পতাকা ক্ৰয় কৰি ১৩ৰ পৰা ১৫ আগষ্টলৈকে ঘৰে ঘৰে ত্ৰিৰংগা পতাকা উত্তোলন কৰাৰ লগতে এই অভিযানে দেশৰ স্বাধীনতা দিৱসৰ মৰ্ম উপলব্ধি কৰি দেশ মাতৃৰ মনোভাব জগাই তুলিব বুলি আশা প্ৰকাশ কৰে। দুয়োটা মুকলি অনুষ্ঠানতে অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানৰ বিষয়াবৰ্গৰ লগতে আত্মসহায়ক গোটৰ সদস্যাসকল উপস্থিত থাকে।

## অতুলানন্দ গোস্বামীৰ মৃত্যুত অসম সাহিত্য সভাৰ শোক

**ষ্টাফ ৰিপৰ্টাৰ**

**যোৰহাট, ২৮ জুলাই ঃ** নামঘৰীয়াৰ স্ৰষ্টা, বিশিষ্ট সাহিত্যিক অতুলানন্দ গোস্বামীৰ মৃত্যুত অসম সাহিত্য সভাই গভীৰ শোক প্ৰকাশ কৰে। সভাৰ কেন্দ্ৰীয় কাৰ্যালয়ৰ সম্পাদক ৰমানন্দন বৰাই জনায় যে সাহিত্য একাডেমী বঁটাপ্ৰাপক এইগৰাকী আসাধাৰণ কথা-সাহিত্যিকৰ প্ৰতি শ্ৰদ্ধা জনাই কালি কেন্দ্ৰীয় কাৰ্যালয়ত সভাৰ পতাকা অৰ্ধনমন কৰা হয়। যোৰহাট জিলা সাহিত্য সভাৰ সম্পাদক মাধৱ মহন্তই আঁত ধৰা অনুষ্টুপীয়া আয়োজনত সাহিত্যিকজনৰ প্ৰতিচ্ছবিত পুষ্পাঞ্জলি অৰ্পণ কৰি সন্মান প্ৰদৰ্শন কৰা হয়।

**অতুলানন্দ গোস্বামীৰ মৃত্যুত জন্মস্থান ৰংদৈত শোকৰ ছাঁ**

নামঘৰীয়াৰ স্ৰষ্টা অতুলানন্দ গোস্বামীৰ মৃত্যুত জন্মস্থান ৰংদৈ ককিলা আধাৰ সত্ৰত গভীৰ শোকৰ ছাঁ পৰে। হামদৈ পুলৰ জোনৰ কবি তথা সাহিত্য একাডেমী বঁটাপ্ৰাপকজনে ৰংদৈ অঞ্চলতে শৈশৱ কাল কটাইছিল। ভগনীয়াৰ এক নম্বৰ ককিলা কুমাৰ প্ৰাথমিক বিদ্যালয় আৰু বাহনা উচ্চ মাধ্যমিক বালক বিদ্যালয়ত শিক্ষা গ্ৰহণ কৰা প্ৰথিতযশা সাহিত্যিকজনৰ মৃত্যুত অঞ্চলটো ম্ৰিয়মান হয়। স্বেচ্ছাসেৱী অনুষ্ঠান সেৱাই সাহিত্যিকজনৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰিছে।

## চিৰাঙৰ বঙাইগাঁও শোধনাগাৰ চৌহদত চিআইএছএফৰ গছপুলি ৰোপণ

**অগ্ৰদূত বাৰ্তা**

**কাজলগাঁও, ২৮ জুলাই ঃ** চিৰাং জিলাৰ ঢালিগাঁৱস্থিত ভাৰতীয় তেল নিগমৰ অধীনৰ বঙাইগাঁও শোধনাগাৰ চৌহদৰ ৰাষ্ট্ৰীয় ঘাইপথত পাৰিপাৰ্শ্বিক অৱস্থা গঢ়ি তোলাৰ লক্ষ্যৰে কালি বিয়লি বঙাইগাঁও শোধনাগাৰৰ কেন্দ্ৰীয় উদ্যোগিক সুৰক্ষা বাহিনী চমুকৈ চিআইএছএফৰ বঙাইগাঁও শোধনাগাৰ ইউনিটৰ পৰা গছপুলি ৰোপণৰ কাৰ্যসূচী ৰূপায়ণ কৰে। জিলাখনৰ বঙাইগাঁও শোধনাগাৰৰ মাজেৰে যোৱা ২৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ ডিভাইডাৰৰ মাজৰ অংশত বাহিনীয়ে পাঁচশ জোপা বিভিন্ন ধৰণৰ গছৰ পুলি ৰোপণ কৰে।

**■ চাৰিহেজাৰ গছপুলি ৰোপণৰ লক্ষ্য**

এই গছপুলি ৰোপণ কাৰ্যসূচী আৰম্ভ কৰে কেন্দ্ৰীয় উদ্যোগিক সুৰক্ষা বাহিনীৰ বঙাইগাঁও ইউনিটৰ কমাণ্ডেণ্ট পিডি গাইছুঙে। গছপুলি ৰোপণ কাৰ্যসূচীত বাহিনীটোৰ সহকাৰী কমাণ্ডেণ্ট চি টনডুপসহ বাহিনীৰ পুৰুষ আৰু মহিলা জোৱানসকলে গছপুলি ৰোপণ কাৰ্যসূচীত অংশগ্ৰহণ কৰে। চিআইএছএফৰ বঙাইগাঁও ইউনিটৰ কমাণ্ডেণ্ট পিডি গাইছুঙে প্ৰকাশ কৰা মতে, বঙাইগাঁও শোধনাগাৰ অঞ্চলৰ ৰাষ্ট্ৰীয় ঘাইপথৰ খালী ঠাইবোৰত গছ-গছনি নথকাৰ বাবে বাহিনীয়ে কালি পাঁচশ বিভিন্ন ধৰণৰ লাগতিয়াল গছৰ পুলি ৰোপণ কৰে । এই গছৰ পুলিসমূহৰ ৰক্ষণাবেক্ষণ বাহিনীৰ তৰফৰ কৰা হ'ব । কেন্দ্ৰীয় উদ্যোগিক সুৰক্ষা বাহিনীৰ বঙাইগাঁও ইউনিটে চলিত বৰ্ষত বিভিন্ন ঠাইত চাৰিহেজাৰ গছৰ পুলি ৰোপণৰ সিদ্ধান্ত গ্ৰহণ কৰিছে বুলিও সংবাদ মাধ্যমৰ আগত প্ৰকাশ কৰে ।

## বিশ্বনাথৰ পাভৈত মুকলি হ'ল আলৈ আৰন ফাৰ্মাৰ প্ৰডিউচাৰ কোম্পানী লিমিটেডৰ কাৰ্যালয়

**অগ্ৰদূত বাৰ্তা**

**বিশ্বনাথ চাৰিআলি, ২৮ জুলাই ঃ** কালি আলৈ আৰন ফাৰ্মাৰ প্ৰডিউচাৰ কোম্পানী লিমিটেডৰ সাকোমঠা উন্নয়ন খণ্ডৰ অন্তৰ্গত পাভৈ অঞ্চলৰ ৰঙামুৰী গাঁৱত এখন কাৰ্যালয় শুভ উদ্বোধন কৰা হয়। উক্ত কাৰ্যালয় উদ্বোধনী অনুষ্ঠানত উপস্থিত থাকে বিশ্বনাথ জিলা কৃষি বিভাগ, হেণ্ডলুম বিভাগ, চেৰিকালচাৰ, এপাৰ্ট, আইকোৱা ষ্টেট হেড পুতুল ভূএগ্ৰা, বিশ্বনাথ জিলা তত্ত্বাবধায়ক নৱজ্যোতি বৰা উপস্থিত থকাৰ লগতে বহুতো কৃষক উপস্থিত থাকে।

এই ফাৰ্মাৰ প্ৰডিউচাৰ কোম্পানীটোৰ দ্বাৰা সাকোমঠা উন্নয়ন খণ্ডৰ অন্তৰ্গত যিসকল এৰীপলু পালন কৰা কৃষক আছে। এইসকল কৃষক লাভান্বিত হোৱাৰ লগতে এনে এৰিপলু পালকসকলক লৈ এই ফাৰ্মাৰ প্ৰডিউচাৰ কোম্পানীটো গঠন কৰ হয়। এপাৰ্ট প্ৰজেক্টৰ অধীনত গঠন হোৱা ৱ'ৰ্ড বেংকৰ ফাইনেন্সৰ দ্বাৰা পৰিচালিত হয় এই কোম্পানী।

# জ্ঞান বিজ্ঞান সমিতিৰ ঢেকিয়াজুলি শাখাৰ উদ্যোগত শিঙৰী চাহ বাগিচাত শিক্ষা সজাগতা অভিযান

অগ্ৰদূত বাৰ্তা

**শিঙৰী, ২৮ জুলাই ঃ** জ্ঞান বিজ্ঞান সমিতি অসমৰ ঢেকিয়াজুলি শাখাই চাহ বাগিচা অঞ্চলত শিক্ষাৰ প্ৰভাৱ বিস্তাৰৰ কাৰণে 'জ্ঞান বিজ্ঞান যাত্ৰা' শীৰ্ষক তিনিবছৰীয়া শিক্ষা সজাগতা অভিযান আৰম্ভ কৰি ২০২১ৰ আঠ ছেপ্টেম্বৰৰ পৰা শিঙৰী চাহ বাগিচাত বিভিন্ন কাৰ্যসূচী ৰূপায়ণ কৰি আহিছে। এই শিক্ষা সজাগতা অভিযানৰ অংশ হিচাপে কালি শিঙৰী চাহ বাগিচা প্ৰাথমিক বিদ্যালয়ত এখন সজাগতা সভা অনুষ্ঠিত কৰা হয়। বাগিচাখনৰ শ্ৰমিক, ৰাইজ আৰু মাতৃসকলক লৈ অনুষ্ঠিত কৰা সজাগতা সভাত ছাত্ৰ-ছাত্ৰীসকলৰ মাজত বহী, কলম আদি বিতৰণ কৰা হয় । দিনৰ ১১-৩০ বজাত জ্ঞান বিজ্ঞান সমিতি অসমৰ ঢেকিয়াজুলি শাখাৰ সভাপতি তথা লোকনায়ক অমিয় কুমাৰ দাস মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শুকদেৱ অধিকাৰীৰ সভাপতিত্বত অনুষ্ঠিত সজাগতা সভাত জ্ঞান বিজ্ঞান সমিতিৰ ঢেকিয়াজুলি শাখাৰ সম্পাদক নাৰায়ণ ফয়েলে জ্ঞান বিজ্ঞান যাত্ৰাৰ কাৰ্যসূচী সদৰী কৰে । সভাত কলাগুৰু বিষ্ণু ৰাভা উচ্চ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত শিক্ষক গোপাল মিশ্ৰ, অৱসৰপ্ৰাপ্ত বেংক বিষয়া দেৱীপ্ৰসাদ অধিকাৰী, শিঙৰী চাহ বাগিচা প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক উমাকান্ত নাগ, বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি হেমন্ত মালী, অৱসৰপ্ৰাপ্ত শিক্ষক মণিৰাম দাস, শিঙৰী শাখা সাহিত্য সভাৰ সভাপতি ললিত কুমাৰ গগৈ, আটছাৰ বৰছলা শাখাৰ উপ-সভাপতি অতুল মিৰ্ধাই বক্তব্য ৰাখে। সভাৰ কাৰ্যসূচীৰ মাজতে শিঙৰী চাহ বাগিচা প্ৰাথমিক বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত বহী, কলম আদি বিতৰণ কৰা হয়। সভাত অৱসৰপ্ৰাপ্ত শিক্ষয়িত্ৰী যোগবালা দাস, শিক্ষক বৰুণ খণ্ডিতৰ লগতে অৰ্ধশতাধিক অভিভাৱক-ৰাইজ উপস্থিত থাকে। এই সভাৰ কাৰ্যসূচী পৰিচালনাৰ ক্ষেত্ৰত শিঙৰী চাহ বাগিচা প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক উমাকান্ত নাগ, আটছাৰ বৰছলা শাখাৰ উপ-সভাপতি অতুল মিৰ্ধা, অংগনৱাড়ী সহায়িকা সূৰ্যবতী দাস, গীতা খণ্ডিতে সহযোগ কৰে। জ্ঞান বিজ্ঞান যাত্ৰা শীৰ্ষক এই কাৰ্যসূচী সন্দৰ্ভত জ্ঞান বিজ্ঞান সমিতি অসমৰ ঢেকিয়াজুলি শাখাৰ সভাপতি ড° শুকদেৱ অধিকাৰী আৰু সম্পাদক নাৰায়ণ ফয়েলে কয়, 'চাহ বাগিচা অঞ্চলৰ ৰাইজক শিক্ষা-দীক্ষাৰে আগুৱাই নিয়াৰ লক্ষ্যৰে জ্ঞান বিজ্ঞান সমিতিয়ে এই বিশেষ পদক্ষেপ গ্ৰহণ কৰিছে। এই শৈক্ষিক অভিযানত ছাত্ৰ-ছাত্ৰীৰ মাজত বহী, কলম, পেঞ্চিল আদি বিতৰণৰ উপৰি অভিভাৱকসকলক লৈ সজাগতা সভা, কৰ্মশালা, বিভিন্ন শৈক্ষিক প্ৰতিযোগিতা আদি অনুষ্ঠিত কৰা হ'ব বুলি সভাপতি-সম্পাদকে জানিবলৈ দিয়ে।

## ■ছাত্ৰ-ছাত্ৰীৰ মাজত বহী-কলম আদি বিতৰণ

# স্বাধীনতাৰ ৭৫ বৰ্ষত প্ৰথমবাৰলৈ গোলাঘাটৰ ৭৫ হেজাৰ পৰিয়ালক বিদ্যুৎ সংযোগ

## ■ গোলাঘাটৰ মৰঙিত বিজুলী মহোৎসৱ পালন ■প্ৰধানমন্ত্ৰী কাৰ্যালয়ৰ পৃষ্ঠপোষকতাত উজ্জ্বল ভাৰত উজ্জ্বল ভৱিষ্যত কাৰ্যসূচী

অগ্ৰদূত বাৰ্তা

**নুমলীগড়, ২৮ জুলাই ঃ** দেশৰ স্বাধীনতাৰ এই সুদীৰ্ঘ সময়ছোৱাত চৰকাৰৰ অমনোযোগিতাৰ বাবেই হেজাৰ হেজাৰ পৰিয়ালে বিদ্যুৎ সংযোগৰ পৰা বঞ্চিত হৈ থকাৰ সময়তে এনে পৰিয়াললৈ কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰৰ 'সৌভাগ্য' আঁচনিয়ে যথাৰ্থতে একাংশ দৰিদ্ৰ পৰিয়াললৈ সৌভাগ্য কঢ়িয়াই আনিবলৈ সক্ষম হৈছে। ভাৰতবৰ্ষৰ স্বাধীনতাৰ ৭৫ বছৰীয়া অমৃত মহোৎসৱৰ লগত সংগতি ৰাখি দেশৰ শক্তি খণ্ডৰ উত্তৰণৰ উদ্দেশ্যেৰে ভাৰত চৰকাৰে বিশেষ পদক্ষেপ গ্ৰহণ কৰিছে। ভাৰত চৰকাৰৰ প্ৰধানমন্ত্ৰী কাৰ্যালয়ৰ পৃষ্ঠপোষকতাত অসমতো শক্তি বিভাগে উজ্জ্বল ভাৰত উজ্জ্বল ভৱিষ্যত শীৰ্ষক শ্ল'গানেৰে ৰাজ্যৰ প্ৰতিটো পৰিয়ালক বিজুলী সংযোগ দিয়াৰ লক্ষ্য নিৰ্ধাৰণ কৰি ব্যাপক অভিযান আৰম্ভ কৰিছে। গোলাঘাট জিলাতো যুগ যুগ ধৰি বিদ্যুৎ সংযোগৰ পৰা বঞ্চিত মুঠ ৭৫ হেজাৰ পৰিয়ালক 'সৌভাগ্য' আঁচনিৰ জৰিয়তে বিগত আৰু চলিত বৰ্ষত বিদ্যুৎ সংযোগ সম্পূৰ্ণ কৰি তোলে অসম শক্তি বিতৰণ কোম্পানী লিমিটেডৰ গোলাঘাট কাৰ্যালয়ে। গোলাঘাট জিলাত জিলা প্ৰশাসন আৰু বিদ্যুৎ বিভাগে কালি সৰুপথাৰ সমষ্টিৰ মৰঙিৰ কোৱানী পথাৰ আৰু ফলঙনিত অনুষ্ঠিত কৰা বিজুলী মহোৎসৱৰ কাৰ্যসূচীত এই কথা উল্লেখ কৰে বিভাগটোৱে। অসম শক্তি বিতৰণ কোম্পানী লিমিটেড আৰু গোলাঘাট বৈদ্যুতিক চক্ৰৰ উদ্যোগত অনুষ্ঠিত অনুষ্ঠানত বিশ্বজনীন ঘৰুৱা বৈদ্যুতিকৰণ, গ্ৰাম্য বৈদ্যুতিকৰণ, শক্তি বিতৰণ ব্যৱস্থাৰ সৰলীকৰণ শীৰ্ষক তথ্যচিত্ৰ প্ৰদৰ্শন, নাট প্ৰদৰ্শন, হিতাধিকাৰীৰ সতে মত বিনিময় আৰু সাংস্কৃতিক অনুষ্ঠান অনুষ্ঠিত হয়। উক্ত অনুষ্ঠান উদ্বোধন কৰে গোলাঘাট জিলাৰ উন্নয়ন আয়ুক্ত অৰ্পা বাগলাৰীয়ে। সভাত সৰুপথাৰ সমষ্টিৰ বিধায়কৰ প্ৰতিনিধিৰূপে সুৰেন্দ্ৰ মোহন গগৈ, বিদ্যুৎ বিভাগৰ গোলাঘাটৰ মুখ্য কাৰ্যবাহী বিষয়া হাৰ্বেল মাৰাক, মৰঙি খণ্ড উন্নয়ন বিষয়া নিপজ্যোতি পাটিৰি, জিলা পৰিষদৰ সদস্য পূৰবী শৰ্মা, বিভাগটোৰ সহকাৰী প্ৰকল্প মহাপ্ৰবন্ধক ক্ৰমে জয়ন্ত গগৈ, ৰবাৰ্ট সন্দিকৈ, পাৰ্থ প্ৰতিম নেওগ আৰু পঞ্চায়ত সভাপতি কন্দৰ্প গগৈয়ে অংশগ্ৰহণ কৰি চৰকাৰে বিদ্যুৎ বিভাগৰ জৰিয়তে গ্ৰহণ কৰা জনমুখী আঁচনিৰ সম্পৰ্কে বক্তব্য দাঙি ধৰে।

# ছয় জনগোষ্ঠীৰ জনজাতিকৰণক লৈ ছানছুমাৰ মন্তব্যৰ বিৰোধিতা আদিবাসী ছেংগেল অভিযানৰ

অগ্ৰদূত ব্যুৰ'

**বঙাইগাঁও, ২৮ জুলাই ঃ** বিভিন্ন সামাজিক মাধ্যমত ভাইৰেল হোৱা পাঁচ নম্বৰ কোকৰাঝাৰ (জনজাতি) লোকসভা সমষ্টিৰ প্ৰাক্তন সাংসদ ছামছুমা খুংগুৰ বিছমুতাৰীয়ে ছয়জনগোষ্ঠীৰ জনজাতিকৰণক লৈ কৰা মন্তব্যক আদিবাসী ছেংগেল অভিযানৰ অসম ৰাজ্যিক সমিতিয়ে তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে। এক প্ৰেছ বিজ্ঞপ্তিযোগে অভিযানৰ ৰাজ্যিক সমিতিৰ সাধাৰণ সম্পাদক দানিয়েল হেমব্ৰমে ছয় জনগোষ্ঠীৰ তথা আদিবাসীৰ জনজাতিকৰণৰ বিছমুতিয়াৰীৰ নিচিনা এগৰাকী অভিজ্ঞ প্ৰাক্তন সাংসদৰ বিৰোধিতা দুৰ্ভাগ্যজনক আখ্যা দিয়াৰ লগতে জনজাতিকৰণ সাংসদজনৰ পৈতৃক সম্পত্তি নহয় বুলি মন্তব্য কৰে। ইয়াক বিৰোধিতা কৰাৰ নৈতিক অধিকাৰ সাংসদজনৰ নাই বুলি মন্তব্য কৰাৰ লগতে কোনো জাতি-জনগোষ্ঠীৰ জনজাতিকৰণৰ অৰ্হতা, চৰিত্ৰ বা বৈশিষ্ট আছে নে নাই সেইটো সংবিধানে নিৰ্ধাৰণ কৰিব বুলি উল্লেখ কৰে। দেশৰ সংবিধানৰ ৩৪২ অনুচ্ছেদ অনুসৰি বিহাৰ, পশ্চিমবংগ আৰু ঝাৰখণ্ডৰ আদিবাসীসকল মুৰ্মু, টুডু, চৰেণ, মুণ্ডা, লাক্ৰাসকলৰ যদি জনজাতিকৰণ হ'ব পাৰে তেন্তে সেই একে ভাৰতবৰ্ষৰ ভিতৰতে বসবাস কৰা অসমৰ মুৰ্মু, টুডু, চৰেণ, মুণ্ডা আৰু লাক্ৰাসকল কিয় আৰু কি যুক্তিত অনুসূচিত জনজাতিৰ মৰ্যাদা লাভ নকৰিব বুলি প্ৰশ্ন উত্থাপন কৰে সম্পাদকজনে। আনহাতে, অসম তথা বিটিআৰত বসবাস কৰা আদিবাসীসকলৰ পোনতে ইমান জনসংখ্যা নাছিল, বিহাৰ, ওড়িয়া, ঝাৰখণ্ড আৰু পশ্চিমবংগৰ পৰা প্ৰব্ৰজন হৈ অসম তথা বিটিআৰৰ বনাঞ্চলত আদিবাসীসকলে অবৈধভাৱে বেদখল কৰা বুলি প্ৰাক্তন সাংসদজনে কৰা অভিযোগ সম্পূৰ্ণ মিছা আৰু ভিত্তিহীন বুলি খণ্ডন কৰে আদিবাসী ছেংগেল অভিযান অসম ৰাজ্যিক সমিতিয়ে। যদি সঁচাকৈয়ে হেজাৰ হেজাৰ, লাখ-লাখ অবৈধ আদিবাসী প্ৰব্ৰজনকাৰী আছে তেন্তে চিনাক্ত কৰিবলৈ দাবী জনায় হেমব্ৰমে। অন্যথা এনেধৰণৰ বিতৰ্কিত তথা সাম্প্ৰদায়িক মন্তব্য দিয়াৰ পৰা বিৰত থাকিবলৈ প্ৰেছ বিজ্ঞপ্তিৰ জৰিয়তে প্ৰাক্তন সাংসদজনক সকীয়াই দিছে সম্পাদকজনে।



হিন্দু যুৱ-ছাত্ৰ পৰিষদৰ উদ্যোগত তিনিচুকীয়াত ভিন্ন দাবীত প্ৰতিবাদী কাৰ্যসূচী, বৃহস্পতিবাৰে।

# ভাওৰাগুৰীত বিনামূলীয়া চকু পৰীক্ষা শিবিৰ অনুষ্ঠিত

অগ্ৰদূত বাৰ্তা

**দোতমা, ২৮ জুলাই ঃ** ভাৰতবৰ্ষই স্বাধীনতা লাভ কৰাৰ ৭৫ বছৰ উপলক্ষে কেন্দ্ৰীয় চৰকাৰে ঘোষণা কৰা আজাদী কা অমৃত মহোৎসৱৰ লগত সংগতি ৰাখি কালি গোসাঁইগাঁও মহকুমাৰ ভাওৰাগুৰী বজাৰস্থিত ভাওৰাগুৰী ভিচিডিচি কমিউনিটি হলত ভাৰতীয় জনতা পাৰ্টিৰ কচুগাঁও মণ্ডল আৰু ভাওৰাগুৰী ভিচিডিচিৰ উদ্যোগত বিন্যামূলীয়া চকু পৰীক্ষা শিৱিৰৰ আয়োজন কৰে। পুৱা শিৱিৰটোৰ উদ্বোধন কৰে মণ্ডল সভাপতি সিদ্ধাৰ্থ নাৰ্জাৰীয়ে। চুবুৰীয়া ৰাজ্য পশ্চিমবংগৰ চকু বিশেষজ্ঞ ডাঃ সন্দীপ অধিকাৰীয়ে চকু পৰীক্ষা কৰা উক্ত শিৱিৰত শতাধিক ৰোগীয়ে চকু পৰীক্ষা কৰে। ভাওৰাগুৰী ভিচিডিচিৰ অধ্যক্ষ পাৰ্থ পালে কয় যে ভাওৰাগুৰীৰ নিচিনা অঞ্চলত ভাল চিকিৎসা ব্যৱস্থা নথকাৰ বাবে বহুতো দুখীয়া লোকে নিজৰ চিকিৎসা কৰিব নোৱাৰি ৰোগকে সংগী হিচাপে লৈ জীৱন যাপন কৰা ৰোগীসকলৰ বাবে এনে ব্যৱস্থা লোৱা হৈছে আৰু আগন্তুক দিনতো আন আন বেমাৰৰ বাবে এনেদৰে বিন্যামূলীয়া চিকিৎসা শিৱিৰৰ আয়োজন কৰা হ'ব বুলি জানিবলৈ দিয়ে। আনহাতে, বিজেপিৰ কচুগাঁও মণ্ডলৰ সভাপতি সিদ্ধাৰ্থ নাৰ্জাৰীয়ে কয় যে জনতাৰ সেৱাৰ বাবে আয়োজন কৰা এই বিনামূলীয়া চকু পৰীক্ষা শিৱিৰত ৰাইজে যথেষ্ট সঁহাৰি জনাইছে।

# জনজাতিৰ দখলত থকা তৌজি মাটিৰ পট্টা প্ৰদানৰ ব্যৱস্থা প্ৰদানৰ ব্যৱস্থা নকৰাত অসন্তুষ্টি প্ৰকাশ তিৱা ছাত্ৰ সন্থাৰ

অগ্ৰদূত বাৰ্তা

**মৰিগাঁও, ২৮ জুলাই ঃ** জাগীৰোড ক'লা মন্দিৰত ভূমিপট্টা প্ৰদান কৰা সভাত কালি স্থানীয় বিধায়ক তথা মন্ত্ৰী পীযুষ হাজৰিকাই কৰা মন্তব্যৰ তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে সদৌ তিৱা ছাত্ৰ সন্থাই। সন্থাৰ সভাপতি দীপক আমচং আৰু সম্পাদক মুংছা বাবুল হুকাইয়ে আজি প্ৰতিক্ৰিয়া প্ৰকাশ কৰি সংবাদ মাধ্যমলৈ প্ৰেৰণ কৰা এক বিবৃতিযোগে কয় যে আমি জনজাতি তথা থলুৱা লোকসকলক ভূমি পট্টা প্ৰদান কৰাৰ বাবে মন্ত্ৰী হাজৰিকা আৰু অসম চৰকাৰক আদৰণি জনাইছো। কিন্তু যুগ যুগ ধৰি জনজাতি ভূমিপুত্ৰ আৰু খিলঞ্জীয়া লোকসকলৰ ভোগ দখলত থকা তৌজি মাটিসমূহ ২০১৫ৰ পৰা কিয় খাজনা লোৱা নাই, পট্টনৰ বাবেও কিয় কোনো ব্যৱস্থা গ্ৰহণ কৰা নাই বুলি প্ৰশ্ন উত্থাপন কৰে। শীঘ্ৰে সেই মাটিসমূহৰ পট্টা দিয়াৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ মন্ত্ৰী হাজৰিকাৰ প্ৰতি সংগঠনটোৱে দাবী জনায়। ৰাজহ গাঁওসমূহৰ ম্যাদীকৰণ হোৱা ভূমি পট্টা বিতৰণ কৰি চৰকাৰ বাহাদুৰি দেখুওৱাৰ একো লাভ নাই বুলি সন্থাই মন্তব্য কৰে। আনহাতে, ম্যাদীকৰণ প্ৰিমিয়াম কম কৰাৰ বাবে জাগীৰোড অঞ্চলক জাগীৰোড উন্নয়ন প্ৰাধিকৰণ আইনৰ আওতাৰ পৰা মুক্ত কৰা হ'ল বুলি মন্ত্ৰী হাজৰিকাই সভাত মন্তব্য কৰিছে। কিন্তু ট্ৰাইবেল বেল্ট ব্লকৰ আইনক বুঢ়া আঙুলি দেখুৱাই জাগীৰোড গাঁও পঞ্চায়ত অঞ্চলত মাটি কিনা-বেচাৰ অনুমতি আজি কোনে দি আছে? জাগীৰোড গাঁও পঞ্চায়ত থকাৰ পাছতো জাগীৰোড উন্নয়ন প্ৰাধিকৰণক তেনে কৰিবলৈ কোনে অধিকাৰ দিছে বুলি সন্থাই প্ৰশ্ন উত্থাপন কৰিছে। ইপিনে, ৰাজধানী সম্প্ৰসাৰণ হ'লে ট্ৰাইবেল ব্লকৰ কোনো ক্ষতি নহ'ব বুলি কোৱা মন্ত্ৰী হাজৰিকাই কৰা মন্তব্যৰ তীব্ৰ বিৰোধিতা কৰি সন্থাই কয়, 'আমিও অসম ৰাজ্যিক ৰাজধানী ক্ষেত্ৰ প্ৰাধিকৰণ আইন ২০১৭ ভালকৈ অধ্যয়ন কৰিছো। সকলো আইনৰ ঊৰ্দ্ধত এই আইন বুলি কোৱাৰ পাছত 'তিৱা স্বায়ত্ত পৰিষদ আইন ১৯৯৫ আৰু অসম ভূমি আৰু ৰাজহ আইন দশম অধ্যায়ৰ আইন'ৰ কি অৰ্থ থাকিব ?' আভুৱাভাঁৰা কথাৰে সহজ-সৰল জনজাতি ৰাইজক ঠগিবলৈ চেষ্টা কৰা বুলি সন্থাই অভিযোগ কৰে। ৰাজধানী সম্প্ৰসাৰণ হ'লে বহু নিবনুৱাই সংস্থাপন পাব বুলি কৰা মন্তব্যৰ সন্দৰ্ভত সন্থাই দিছপুৰত ৰাজধানী স্থানান্তৰ কৰাৰ পাছত কিমান জনজাতি লোকে সংস্থাপন পাইছিল বুলি প্ৰশ্ন কৰি সেই তথ্যৰ লগতে সেই সময়ত উচ্ছেদ হোৱা জনজাতি পৰিয়ালসকল ক'ত আৰু কেনে পৰিস্থিতিত বৰ্তমানে আছে এই তথ্যকো ৰাজহুৱা কৰিবলৈ মন্ত্ৰী হাজৰিকাক প্ৰত্যাহ্বান জনাই তিৱা ছাত্ৰ সন্থাই।

# ৰঙাপৰাৰ সোণাজুলি উপ-স্বাস্থ্য কেন্দ্ৰত জাপানী এনকেফেলাইটিছৰ সজাগতা সভা

বিশেষ সংবাদদাতা

**ৰঙাপৰা, ২৮ জুলাই ঃ** সমগ্ৰ ৰাজ্যখনত জাপানী এনকেফেলাইটিছ ৰোগৰ প্ৰাদুৰ্ভাৱ চলি থকাৰ সমান্তৰালভাৱে উক্ত ৰোগত আক্ৰান্ত হৈ ইতিমধ্যে কে'বাজনো লোকৰ অকাল মৃত্যু ঘটিছে। জাপানী এনকেফেলাইটিছৰ লগতে মেলেৰিয়া আৰু ডেংগু ৰোগৰ পৰা ৰাইজে কিদৰে সাৱধানতা অৱলম্বন বা নিজকে কেনেদৰে সজাগ থাকি জীৱন ৰক্ষা কৰিব সেই সন্দৰ্ভত ৰঙাপৰাৰ সোনাজুলি উপ-স্বাস্থ্য কেন্দ্ৰত কালি ৰাইজৰ মাজত স্বাস্থ্য বিভাগে সজাগতাৰ সৃষ্টি কৰে। সজাগতা সভাত ৰঙাপৰাৰ স্বাস্থ্য কেন্দ্ৰৰ বহুমুখী স্বাস্থ্য কৰ্মী উত্তম মাহাতু, মেলেৰিয়া পৰিদৰ্শক গোলাপ কেওঁট, ভেকচিনেটৰ স্বপন শইকীয়া, এএনএম নিৰলা বাচেৰা, আশাকৰ্মী সবিতা তাঁতী উপস্থিত থাকে। স্বাস্থ্যকৰ্মী উত্তম মাহাতুৱে উপস্থিত থকা ৰাইজক উদ্দেশ্য কৰি কয় যে ৰাইজে মহৰ পৰা সদায় সজাগ আৰু সচেতন হৈ থাকিব লাগিব। মহে কামোৰাৰ পাছত মানুহৰ অতিপাত জ্বৰ হ'ব আৰু সেয়া হৈছে জাপানী এনকেফেলাইটিছ ৰোগত আক্ৰান্ত হোৱাৰ লক্ষণ। দিনে-নিশাই শোৱাৰ সময়ত আঁঠুৱা ব্যৱহাৰ আৰু বাৰীত কাম কৰাৰ সময়ত দীঘল হাতৰ চোলা পিন্ধি কাম কৰিলে মহে কেতিয়াও কামুৰিব নোৱাৰে। পৃথিৱীত মহ বেছিদিনলৈকে জীয়াই নাথাকে। মহৰ উৎপত্তি ৰোধ কৰিবলৈ হ'লে প্ৰথমতে নিজৰ ঠাইখিনি চাফ-চিকুণ কৰি ৰাখিব লাগিব। মহে সদায় জমা হৈ থকা পানীত কণী পাৰে। মহে ঘাঁহ বা শুকান ঠাইত কেতিয়াও কণী পাৰিব নোৱাৰে। পানী জমাৰ ব্যৱস্থা নাথাকিলে মহৰ বংশ বৃদ্ধি নহয় আৰু মহৰ হ'বলগীয়া জাপানী এনকেফেলাইটিছ, মেলেৰিয়া আৰু ডেংগু ৰোগৰ পৰা মানুহ মুক্ত হৈ থাকিব। সন্ধিয়া ঘৰৰ ভিতৰত ধোঁৱা দিবলৈ স্বাস্থ্যকৰ্মীজনে ৰাইজক পৰামৰ্শ দিয়ে। ৰঙাপৰা স্বাস্থ্য কেন্দ্ৰৰ মেলেৰিয়া পৰিদৰ্শক গোলাপ কেওঁটে কয় যে এটা সাধাৰণ মহে এজন মানুহৰ জীৱন আৰু ধন-সম্পত্তি শেষ কৰি দিব পাৰে। মহৰ পৰা সদায় সাৱধান হৈ থাকিব। গাহৰিবোৰ বহু নিলগত ৰখাৰ ব্যৱস্থা কৰিব। জ্বৰত আক্ৰান্ত হোৱা ব্যক্তিজনে মাজে-সময়ে আবোল-তাবোল কথা ক'লে সকলোৱে ভূতে ধৰা বুলি অন্ধবিশ্বাসৰ কবলত পৰে। যিকোনো ব্যক্তিয়ে জ্বৰত আক্ৰান্ত হোৱাৰ লগে লগে এলাহ নকৰি তৎক্ষণাত চিকিৎসকৰ স'তে যোগাযোগ কৰিবলৈ তেওঁ পৰামৰ্শ দিয়ে। ইফালে, সজাগতা সভাখন অন্ত পৰাৰ পাছতে সোনাজুলি উপ-স্বাস্থ্য কেন্দ্ৰত অঞ্চলটোৰ জ্বৰত আক্ৰান্ত হোৱা লোকসকলৰ দেহৰ পৰা তেজ সংগ্ৰহ কৰি কিটৰ জৰিয়তে জাপানী এনকেফেলাইটিছ ৰোগৰ পৰীক্ষা কৰে স্বাস্থ্যকৰ্মীসকলে।

# জনজাতিকৰণকে ধৰি বিভিন্ন দাবীৰ সমৰ্থনত দুই আগষ্টত আছাৰ ধৰ্ণা কাৰ্যসূচী

অগ্ৰদূত বাৰ্তা

**বহলপুৰ, ২৮ জুলাই ঃ** সদৌ অসম আদিবাসী ছাত্ৰ সন্থা (আছা)ৰ কেন্দ্ৰীয় সমিতিৰ সভাপতি প্ৰদীপ নাগ আৰু সাধাৰণ সম্পাদক নোৱাছ বাৰ্লাই আজি এক বিবৃতিযোগে জনায় যে অসমৰ অতি অৱহেলিত আৰু শোষিত জনগোষ্ঠী আদিবাসীসকলৰ জনজাতিকৰণ, ভূমিপট্টা প্ৰদান, চাহ বাগিচা আৰু আদিবাসী লোকক জধে-মধে উচ্ছেদ বন্ধ কৰা, আদিবাসীসকলৰ জাতিৰ প্ৰমাণপত্ৰ 'আদিবাসী জাতীয় মঞ্চ'ক প্ৰদান কৰাৰ ব্যৱস্থা কৰা আদি বিভিন্ন দাবীৰ সমৰ্থনত সদৌ অসম আদিবাসী ছাত্ৰ সন্থাই এই ধৰ্ণাৰ কাৰ্সূচী গ্ৰহণ কৰিছে। বিবৃতিত আছাৰ নেতাদ্বয়ে এইবুলিও গুৰুতৰ অভিযোগ কৰে যে যোৱা ২৫ জুলাইত অসম চৰকাৰে ছয় জনগোষ্ঠীৰ জনজাতিকৰণ সম্পৰ্কে আলোচনা কৰাৰ বাবে আনুষ্ঠানিকভাৱে আদিবাসী, কোচৰাজবংশী, মৰাণ মটক, তাই আহোম আৰু চুতীয়া জনগোষ্ঠীৰ নেতৃবৰ্গক আমন্ত্ৰণ জনায় যদিও আশ্চৰ্যজনকভাৱে আলোচনাকালত জনগোষ্ঠীকেইটাৰ জনজাতিকৰণ সম্পৰ্কে আলোচনা কৰাৰ পৰিৱৰ্তে মেডেল কলেজত আসন সংৰক্ষণ তথা অন্যান্য পিছপৰা শ্ৰেণী হিচাপে আসন সংৰক্ষণ বৃদ্ধি আদি দিশবোৰ আলোচনা কৰিবলৈ লোৱা হয়। মূল জনজাতিকৰণৰ বিষয়টোক এৰাই এনেদৰে অন্য বিষয়হে আলোচনা কৰাৰ দ্বাৰা প্ৰতিপন্ন হয় আচলতে অসম চৰকাৰে ছয় জনগোষ্ঠীক জনজাতিকৰণৰ ক্ষেত্ৰত চৰকাৰৰ সদিচ্ছা কিমান। বিবৃতিত আছাৰ নেতাদ্বয় নাগ আৰু বাৰ্লাই এইবুলিও অভিযোগ কৰে যে অসম চৰকাৰৰ অধীনত কতো আদিবাসীৰ নামত সংৰক্ষণৰ ব্যৱস্থা নাই বৰং আদিবাসীসকলক চাহ জনগোষ্ঠী নাম দি অন্যান্য জনগোষ্ঠীৰ লগত সনাপোটোকা কৰি এক বিভ্ৰান্তিৰহে সৃষ্টি কৰিছে। আদিবাসীসকলৰ জনজাতীয় বৈশিষ্ট থকাৰ পাছতো অন্যান্য পিছপৰা শ্ৰেণী হিচাপে চিহ্নিত কৰি চৰকাৰে কেৱল ভোটৰ ৰাজনীতিহে কৰি আহিছে। আছাৰ নেতাদ্বয়ে অসম চৰকাৰক মুকলি আহ্বান জনায় যে যদিহে চৰকাৰে আদিবাসীসকলৰ সামূহিক উন্নয়ন প্ৰকৃততে বিচাৰে তেন্তে পূৰ্বপুৰুষৰ পৰা চলি অহা ব্যৱস্থা পৰিৱৰ্তন কৰি আদিবাসী জনগোষ্ঠীৰ এখন সুকীয়া তালিকা প্ৰৱৰ্তন কৰি আদিবাসীৰ নামত স্পষ্টকৈ সংৰক্ষণৰ ব্যৱস্থা কৰিব লাগে আৰু জনজাতিকৰণকে ধৰি উত্থাপিত দাবী সমাধানৰ বাবে ইতিবাচক পদক্ষেপ গ্ৰহণ কৰিব লাগে। বিবৃতিযোগে অহা দুই আগষ্টৰ ধৰ্ণা কাৰ্যসূচী সমগ্ৰ অসমজুৰি সফল কৰি তোলাৰ বাবে আছাৰ জিলা আৰু আঞ্চলিক সমিতিৰ কৰ্মকৰ্তাসকলক আছাৰ কেন্দ্ৰীয় সমিতিয়ে আহ্বান জনায়।

# ৩১ জুলাইত নলবাৰীত সাধাৰণ জাতি বিকাশ পৰিষদৰ সভা

অগ্ৰদূত বাৰ্তা

**নলবাৰী, ২৮ জুলাই ঃ** নলবাৰী জিলাৰ সাধাৰণ জাতি বিকাশ পৰিষদৰ সাধাৰণ সভাখন অহা ৩১ জুলাইত এদিনীয়া কাৰ্যসূচীৰে নলবাৰীৰ ঐতিহ্যমণ্ডিত দেৱীৰাম পাঠশালা উচ্চতৰ মাধ্যামিক বিদ্যালয়ৰ শ্ৰীগুৰু ভৱনত অনুষ্ঠিত হ'ব বুলি নলবাৰী জিলা সাধাৰণ জাতি বিকাশ পৰিষদৰ সম্পাদক ধৰ্মেশ্বৰ পাটোৱাৰীয়ে জানিবলৈ দিয়ে। অহা ৩১ জুলাইত পুৱা ন বজাত নলবাৰী জিলা সমিতিৰ সভাপতি জিতেন্দ্ৰ নাথ শৰ্মাই সাধাৰণ জাতি বিকাশ পৰিষদৰ পতাকা উত্তোলন কৰি কাৰ্যসূচীৰ আৰম্ভ কৰিব। তাৰ পাছতে স্মৃতি তৰ্পণ কৰিব দেৱীৰাম পাঠশালা উচ্চতৰ মাধ্যামিক বিদ্যালয়ৰ অধ্যক্ষ অজিত শৰ্মাই। বন্তি প্ৰজ্বলন কৰিব নলবাৰী জিলা কৰ্মচাৰী পৰিষদৰ সভাপতি বিকাশ ভট্ট আৰু সাধাৰণ জাতি বিকাশ পৰিষদৰ সম্পাদক শশীন শৰ্মাই। ১০ বজাত অনুষ্ঠিত হ'ব প্ৰতিনিধি সভা। দিনৰ ১২ বজাত অনুষ্ঠিত হ'বলগীয়া মুকলি সভাখন সঞ্চালনা কৰিব জিতেন্দ্ৰ নাথ শৰ্মাই। সভাখন উদ্বোধন কৰিব বৃক্ষৰোপণ আৰু শস্য উন্নয়ন নিগমৰ অধ্যক্ষ অশোক শৰ্মাই। বিশিষ্ট অতিথিৰূপে অংশগ্ৰহণ কৰিব জনস্বাস্থ্য কাৰিকৰী, পৰ্যটন, দক্ষতা বিকাশ মন্ত্ৰী জয়ন্ত মল্ল বৰুৱাই। আমন্ত্ৰিত অতিথিৰূপে আসন অলংকৃত কৰিব বিশিষ্ট সমাজকৰ্মী তথা নৰ্থ ইষ্ট কেন্সাৰ হাস্পতালৰ অধ্যক্ষ গণেশ তামুলী, সাধাৰণ জাতি বিকাশ পৰিষদৰ উপদেষ্টা (অসম) পদ্মনাথ শৰ্মা, মুখ্য অতিথি হ'ব সাধাৰণ জাতি বিকাশ পৰিষদৰ সভাপতি অজিত বৰ্মন, গোৱালপাৰা জিলা পৰিবহণ বিষয়া মনোজ কুমাৰ চৌধুৰী আৰু নলবাৰী মহাবিদ্যালয় অৱসৰপ্ৰাপ্ত অধ্যাপক ড° দীনমণি ভাগৱতী।



হাজোত বিনামূলীয়া স্বাস্থ্য পৰীক্ষা আৰু চিকিৎসা শিৱিৰৰ এটি মুহূৰ্ত, বৃহস্পতিবাৰে।

# টোলগেট স্থাপনৰ সিদ্ধান্ত বাতিলৰ দাবী বিশ্বনাথত

## জিলা উপায়ুক্ত কাৰ্যালয়ত বিভিন্ন জাতীয় দল-সংগঠনৰ স্মাৰকপত্ৰ

অগ্ৰদূত বাৰ্তা

**বিশ্বনাথ চাৰিআলি, ২৮ জুলাই ঃ** বিশ্বনাথ জিলাৰ মাজেদি ১৫ নম্বৰ ৰাষ্ট্ৰীয় চাৰিলেনযুক্ত ঘাইপথ নিৰ্মাণ কাৰ্য বৰ্তমানেও অব্যাহত আছে। নিৰ্মাণ সম্পূৰ্ণ হ'বলৈ বহুকাল বাকী থকা অৱস্থাত পথটো নিৰ্মাণ কাৰ্যৰ পৰিৱৰ্তে ৰতোৱা-মোনাবাৰীৰ সমীপত এখন টোলগেটহে স্থাপন কৰা এক সিদ্ধান্ত লোৱা হৈছে বুলি জানিব পৰা গৈছে। উত্তৰ অসমৰ লক্ষীমপুৰ আদিত টোলগেট স্থাপন কৰাৰ পাছত পুনৰ সীমামূৰীয়া বিশ্বনাথত আন এখন টোলগেট স্থাপন কৰা কাৰ্যই জনতাৰ মূৰত মাধমাৰ শোধাব। শ্ৰমজীৱী, কৃষিজীৱী আৰু ব্যৱসায়ীক এনে টোলগেটে সৰ্বস্বান্ত কৰিব। জনতাৰ ওপৰত এনএইছআইডিডিএলৰ দ্বাৰা এইখন টোলগেটৰ স্থাপনৰ জৰিয়তে জনতাক শোষণ কৰিব পৰা কাৰ্যক বিশ্বনাথৰ সমূহ দল-সংগঠন, সাংবাদিক বন্ধু, বৌদ্ধিক মহল, জ্যেষ্ঠ নাগৰিককে আদি কৰি সমগ্ৰ বিশ্বনাথবাসী ৰাইজে ঘোৰ বিৰোধিতা কৰি এই টোলগেট নিৰ্মাণ কাৰ্য শীঘ্ৰে বন্ধ কৰি বিশ্বনাথবাসীক সকাহ দিয়াৰ দাবী জনাই কালি বিশ্বনাথ জিলা উপায়ুক্ত কাৰ্যালয়ত বিশ্বনাথৰ বিভিন্ন জাতীয় দল সংগঠনে একত্ৰিত হৈ জিলা উপায়ুক্তৰ জৰিয়তে পথ, ভাৰত চৰকাৰৰ পৰিবহণ তথা ঘাইপথ বিভাগৰ কেন্দ্ৰীয় মন্ত্ৰী নিতীন গাডকাৰীক এখন স্মাৰকপত্ৰ প্ৰদান কৰে। বিশ্বনাথ জিলা ছাত্ৰ সন্থাৰ সভাপতি বিক্ৰম বিকাশ বৰা, সাধাৰণ সম্পাদক ধ্ৰুৱজ্যোতি বৰা স্বাক্ষৰিত এখন পেডত বিভিন্ন জাতীয় দল-সংগঠনে স্বাক্ষৰ কৰি এই স্মাৰক পত্ৰ প্ৰদান কৰে।

# বতৰ এই বছৰো কৃষকৰ বাবে অনুকূল নহয়, চিন্তিত কৃষক

## ■খৰাং বুলি ঘোষণা কৰাৰ এবছৰৰ পাছতো লাভ নকৰিলে সৰুপথাৰ সমষ্টিৰ ক্ষতিগ্ৰস্ত কৃষকে এটকাও ধন



অগ্ৰদূত বাৰ্তা

**উৰিয়ামঘাট, ২৮ জুলাই ঃ** ধনশিৰি মহকুমাত উপযুক্ত জলসিঞ্চনৰ সুবিধা নথকাত আৰু বৰষুণ নোহোৱাৰ বাবে পানীৰ অভাৱত ধানখেতি কৰিব নোৱাৰিলে মহকুমাৰ কৃষকে। প্ৰথম অৱস্থাত গাঁঠিৰ ধন ভাঙি ঠাই বিশেষে দুই-এক কৃষকে খেতি কৰিছিল যদিও বৰষুণৰ অভাৱত আৰু জলসিঞ্চনৰ উপযুক্ত ব্যৱস্থা নথকাৰ বাবে খৰাং হোৱাৰ ফলত ফচল লাভ নকৰিলে। সমগ্ৰ অসমত অভাৱনীয় পৰিস্থিতিয়ে দেখা দিছে। এফালে প্ৰৱল বানপানী, আকৌ অঞ্চল বিশেষে খৰাং। ধনশিৰি মহকুমাত এইবছৰো বতৰ কৃষকৰ অনুকূল নহয়। উদ্যানজাত শস্যৰ ওপৰতো পৰিছে খৰাং বতৰৰ প্ৰভাৱ। ধান, মৰাপাট, সৰিয়হ, তামোল, পাণ, নাৰিকল, কল, কেঁচা চাহপাত আদি প্ৰচুৰ পৰিমাণে উৎপাদন হোৱা মহকুমাটোত জলসিঞ্চনৰ পূৰ্ণ সম্ভাৱনা থকাৰ পাছতো কৃষিৰ ওপৰত নিৰ্ভৰশীল অঞ্চলটোৰ সৰহসংখ্যক ৰাইজে স্বাধীনতাৰ ৭৫ বছৰ পাছতো কৃষকে বতৰৰ ওপৰত নিৰ্ভৰ কৰিব লগা হৈছে। শেহতীয়াকৈ অঞ্চলটোৰ ৰাইজৰ আবেদন-নিবেদনৰ ফলত উৰিয়ামঘাট যোৰদলং আৰু নপথাৰ মধ্যস্থলত ৰেংমা নদীত কে'বা কোটি টকাৰ ব্যয় সাপেক্ষে এটা নদী বান্ধৰ কাম ২০১১তে আৰম্ভ হৈছিল যদিও আজি পৰ্যন্ত সম্পূৰ্ণ হৈ নুঠিল। মহকুমাটোৰ মাজেৰে বৈ যোৱা ধনশিৰি, দয়াং, ৰেংমা আদি নদীত জলসিঞ্চনৰ সুব্যৱস্থা কৰিব পৰা যায় আৰু ঠাইবিশেষে গভীৰ নলী-নাদৰো ব্যৱস্থা কৰিব পৰা যায় যদিও এইক্ষেত্ৰত অসম চৰকাৰ তথা বিভাগীয় কৰ্তৃপক্ষৰ কোনো বিজ্ঞানসন্মত পৰিকল্পনা নাই, বৰঞ্চ যি তেনেই নগণ্য সংখ্যক গভীৰ নলী-নাদৰ ব্যৱস্থা আছে প্ৰায় সংখ্যকেই বিকল অৱস্থাত আছে বুলি সচেতন মহলে মত প্ৰকাশ কৰিছে। যাৰ বাবে মহকুমাবাসী ৰাইজে বতৰৰ ওপৰত নিৰ্ভৰ কৰি গাঁঠিৰ ধন ভাঙি হতাশাত ভুগিব লগা হৈছে। এনে প্ৰতিকূল পৰিস্থিতিত বহু যুৱক-যুৱতী কৃষি ব্যৱস্থাৰ প্ৰতি মোহভংগ হৈ বহিঃ ৰাজ্যলৈ ঢাপলি মেলিছে। কিন্তু পৰিতাপৰ কথা যে, তাৰে এটা বুজনসংখ্যকে লকডাউনৰ পৰা বিভিন্ন কাৰণত কৰ্মসংস্থাপন হেৰুৱাই নিৰনুৱাৰ শাৰীত থিয় দিয়া দেখা গৈছে। এফালে নিত্য ব্যৱহাৰ্য সামগ্ৰীৰ অভাৱনীয় মূল্যবৃদ্ধি আৰু কৰ্মসংস্থাপনহীনতাৰ ফলত সাধাৰণ জনজীৱন দুৰ্বিষ হৈ পৰিছে। সৰুপথাৰ সমষ্টিৰ বিধায়ক বিশ্বজিৎ ফুকনে সদনত খৰাং পীড়িত অঞ্চল হিচাপে ঘোষণা কৰিবৰ বাবে অনুৰোধ জনাইছিল। সেই মৰ্মে অসম চৰকাৰৰ ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্ৰী যোগেন মহন আৰু জলসিঞ্চন বিভাগৰ মন্ত্ৰী আশোক সিংঘালে অঞ্চলটোৰ পথাৰসমূহ পৰিদৰ্শন কৰিছিল আৰু অসম চৰকাৰৰ কেবিনেটে খৰাং পীড়িত অঞ্চল হিচাপে ঘোষণা কৰিছিল। চিলনীজান গাঁও পঞ্চায়তৰ ৰাজহুৱা প্ৰেক্ষাগৃহত আৰু সৰুপথাৰ ব্লক অতিথিশালা প্ৰেক্ষাগৃহত হোৱা সভা দুয়োখনত সৰুপথাৰ সমষ্টিৰ ২১খন গাঁও পঞ্চায়তৰ কৃষকৰ বাবে চৰকাৰে ব্যৱস্থা গ্ৰহণ কৰিব বুলি প্ৰতিশ্ৰুতি প্ৰদান কৰিছিল। উল্লেখ্য যে সৰুপথাৰ সমষ্টিৰ বিধায়কজনে সামাজিক মাধ্যম ফেচবুকৰ যোগেদি খৰাঙৰ ক্ষতিপুৰণৰ বাবে চৰকাৰে দিয়া পাঁচকোটি টকা উপায়ুক্ত কাৰ্যালয়ত জমা হৈছে আৰু চলিত বছৰৰ মাৰ্চতেই ক্ষতিগ্ৰস্ত কৃষকে লাভ কৰিব বুলি জানিবলৈ দিছিল। আশাবাদী কৃষকে প্ৰ-পত্ৰ জমা দিয়াৰ পাছত আশা কৰাৰ দৰে বৰ্তমানলৈকে লাভ কৰা নাই উক্ত ক্ষতিপূৰণ। তেওঁলোক আশাবাদী যে সৰুপথাৰ সমষ্টিৰ বিধায়কজনে নিশ্চিতভাৱে খৰাঙৰ ক্ষতিপূৰণ পোৱাৰ ব্যৱস্থা কৰি দিব। কিন্তু পৰিতাপৰ কথা যে উন্নয়নৰ ঢাক-ঢোল বজোৱা চৰকাৰৰ প্ৰতিশ্ৰুতি ঘোষণা হোৱাৰ এবছৰৰ পাছতো অৰ্থাৎ অনুমোদন হোৱা ছয় মাহৰ পাছতো লাভ নকৰিলে ক্ষতিগ্ৰস্ত কৃষকে এটকাও ধন। এতিয়া প্ৰশ্ন হ'ল কৃষকে লাভ কৰিবনে সেই টকা? নে ঘোষণাতে শেষ হ'ব? ইফালে, শেহতীয়াকৈ বিষয়টোৰ সন্দৰ্ভত ক্ষোভ উজাৰি বিভিন্ন দল-সংগঠনে প্ৰতিবাদ সাব্যস্ত কৰা দেখিবলৈ পোৱা গৈছে। কৃষকৰ এই ক্ষতিপূৰণ আদায় নিদিলে ভাৰতৰ কমিউনিষ্ট পাৰ্টি, ছাত্ৰ মুক্তি সংগ্ৰাম সমিতি, টাই আহোম ছাত্ৰ সন্থা, ডি ৱাই এফ আই আদিয়ে আন্দোলন কৰিব বুলি হুংকাৰ প্ৰদান কৰিছে।



# গধূলি বজাৰ-কাঁহিকুছি-ভি আইপি পথৰ জৰাজীৰ্ণ অৱস্থা



## ■ অৱশেষত মেৰামতি কৰিলে ৰাইজে

অগ্ৰদূত বাৰ্তা

**আজাৰা, ২৮ জুলাই ঃ** আজাৰা অঞ্চলৰ গধূলি বজাৰৰ পৰা ভিআইপিলৈ যোৱা লোকনিৰ্মাণ বিভাগৰ 'গধূলি বজাৰ-কাঁহিকুছি-ভিআই পি'পথৰ অৱস্থা একেবাৰে জৰাজীৰ্ণ হৈ পৰিছে। পথটোৰ এনে দুৰৱস্থাৰ বাবে শেহতীয়াকৈ ৰাইজে পথটোৰ উন্নয়নৰ বাবে গাঁঠিৰ ধন ভাঙি মেৰামতি কৰি কোনো মতে অহা-যোৱাৰ ব্যৱস্থা কৰিলে। উল্লেখ্য যে গধূলি বজাৰ-কাঁহিকুছি-ভিআইপি পথটো বৃহত্তৰ অঞ্চলটোৰ অতি গুৰুত্বপূৰ্ণ পথ। উক্ত পথটোৰে অহা-যোৱা কৰিব লাগে কাঁহিকুছি প্ৰাথমিক বিদ্যালয় আৰু গুৱাহাটী এয়াৰপোৰ্ট প্ৰাথমিক বিদ্যালয়লৈ। আনকি অসম কৃষি বিশ্ববিদ্যালয়ৰ কাঁহিকুছিত থকা উদ্যান শস্য গৱেষণা কেন্দ্ৰ, কৃষি বিজ্ঞান কেন্দ্ৰ কামৰূপ, ৰাজ্য চৰকাৰৰ পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ কাঁহিকুছিত থকা সম্প্ৰসাৰণ প্ৰশিক্ষণ কেন্দ্ৰলৈও উক্ত পথেৰে অহা-যোৱা কৰিব লাগে। ইয়াৰ উপৰি পথটোৰ দাঁতিতে আছে কাঁহিকুছি বজাৰ। আনহাতে, ভিআইপি চ'কলৈ অহা-যোৱা কৰাৰ ক্ষেত্ৰত উক্ত পথটোৰ দূৰত্ব একেবাৰে কম। এনে বিভিন্ন কাৰণত পথটোৰ গুৰুত্ব যথেষ্ট বৃদ্ধি হৈছে। পিছে উক্ত পথটোৰ গধূলি বজাৰৰ ৩৭ নম্বৰ ঘাইপথ সংযোগী অংশ আৰু বৰিপাৰা শিৱমন্দিৰ অংশ তথা সূতাৰ পাৰাৰ পৰা ভিআইপি চ'কলৈ যোৱা পথছোৱাৰ অৱস্থা একেবাৰে শোচনীয় হৈ পৰিছে। লোকনিৰ্মাণ বিভাগৰ চৰম দায়িত্বহীনতাৰ বাবে পথছোৱাত মাজে মাজে বৃহৎ বৃহৎ দ' গাঁতৰ সৃষ্টি হৈছে। ইতিমধ্যে পথটোৰ এনে দুৰৱস্থাৰ বাবে কে'বাটাও দুৰ্ঘটনা সংঘটিত হোৱাৰ পাছতো সংশ্লিষ্ট ঊৰ্ধ্বতন কৰ্তৃপক্ষই কোনো ব্যৱস্থা নোলোৱাত এইবাৰ ৰাইজে নিজাববীয়াকৈ পথ মেৰামতিত লাগি গৈছে। শেহতীয়াকৈ যোৱা ২৭ জুলাইত বৰিপাৰা ৰাইজে নিজাববীয়াকৈ পথটোৰ বৰিপাৰাৰ পথছোৱা মেৰামতি কৰিছে। পিছে পথটোৰ বাকী অংশৰ অৱস্থা এতিয়াও তেনেকৈ থাকিল। এই ক্ষেত্ৰত শীঘ্ৰে উক্ত পথটো উন্নত কৰাৰ দাবী উত্থাপন কৰিছে বৃহত্তৰ অঞ্চলটোৰ জনসাধাৰণে।

# বঙাইগাঁৱত জিলা প্ৰশাসন কৰ্মচাৰী সন্থাৰ ৰাজ্যিক অধিবেশন

## ■ স্মৃতিগ্ৰন্থৰ বাবে লেখা আহ্বান

অগ্ৰদূত বাৰ্তা

**অভয়াপুৰী, ২৮ জুলাই ঃ** সদৌ অসম জিলা প্ৰশাসন কৰ্মচাৰী সন্থাৰ দ্বাদশ দ্বি-বাৰ্ষিক অধিবেশনখনি এইবেলি বঙাইগাঁৱত অহা ২৬ আৰু ২৭ নৱেম্বৰত অনুষ্ঠিত কৰা হ'ব। এই উপলক্ষে যোৱা ২৩ জুলাইত বঙাইগাঁও জিলাৰ উপায়ুক্ত কাৰ্যালয়ত অনুষ্ঠিত সাধাৰণ সভাত বঙাইগাঁও জিলাৰ উপায়ুক্তক সভাপতি, নিশিত ৰঞ্জন দাসক কাৰ্যকৰী সভাপতি, নন্দলাল বৰ্মনক সাধাৰণ সম্পাদক, উপেন বৰুৱাক স্মৃতিগ্ৰন্থ সম্পাদক হিচাপে লৈ এক শক্তিশালী অভ্যৰ্থনা সমিতি গঠন কৰা হয়। অধিবেশন উপলক্ষে অভ্যৰ্থনা সমিতিৰ প্ৰকাশ পাবলগীয়া স্মৃতিগ্ৰন্থত জিলা প্ৰশাসন কৰ্মচাৰী সন্থাৰ সদস্য-সদস্যাসকলক অহা ৩১ আগষ্টৰ ভিতৰত তেওঁলোকৰ লিখনিসমূহ পঠিয়াবলৈ স্মৃতিগ্ৰন্থৰ সম্পাদকে অনুৰোধ জনাইছে। যোগাযোগৰ ঠিকনাঃ ৰিনোৰাম ৰায়, (৯৪৩৫৩১২৪৯৮) সভাপতি, স্মৃতিগ্ৰন্থ সম্পাদনা সমিতি, মাৰফৎ উপায়ুক্তৰ কাৰ্যালয়, বঙাইগাঁও অথবা উপেন বৰুৱা ,(৯৪৩৫০২২৮৫৬) সম্পাদক, স্মৃতিগ্ৰন্থ, দ্বীজেন দত্ত বৰুৱা পথ, ৱাৰ্ড নম্বৰ-আঠ, ডাকঘৰ-অভয়াপুৰী, জিলা-বঙাইগাঁও পিন-৭৮৩৩৮৪। অধিবেশনখন সূচাৰুৰূপে সফল কৰাৰ বাবে সকলো শ্ৰেণীৰ ৰাইজৰ সহায়-সহযোগিতা কামনা কৰিছে অভ্যৰ্থনা সমিতিৰ সম্পাদক নন্দলাল বৰ্মনে।

# অবৈধ ব্যৱসায়ৰ ৰম্যভূমিলৈ পৰ্যবসিত আমগুৰি

অগ্ৰদূত বাৰ্তা

**আমগুৰি, ২৮ জুলাই ঃ** শিৱসাগৰ জিলাৰ আমগুৰি আৰক্ষী থানাৰ অন্তৰ্গত চামগুৰি জেহেনীয়া গাঁৱৰ তিনিআলিত পৰহি ৰাতি স্থানীয় গাঁওৰক্ষী বাহিনীয়ে লালীগুৰ কঢ়িওৱা এখন বাহন জব্দ কৰি আমগুৰি আৰক্ষীক চমজাই দিয়া ঘটনাই ৰাইজৰ মাজত প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। তথ্য মতে, পৰহি ৰাতি এএছ -০৪ বিচি-৬৯৫৬ নম্বৰৰ এখন বাহনত ২৫ টিন লালীগুৰ কঢ়িয়াই নি থকা অৱস্থাত সেই সময়ত কৰ্তব্যৰত গাঁওৰক্ষী বাহিনীৰ লোকৰ সন্দেহ হোৱাত বাহনখন চোৱাত বাহনত লালীগুৰ দেখা পোৱাত স্থানীয় আৰক্ষীক অৱগত কৰি লালীগুৰৰ স'তে বাহনখন আৰক্ষীক চমজাই দিয়ে। আমগুৰি আৰক্ষীয়ে ঘটনা সন্দৰ্ভত ৭৪/২০২২ নম্বৰত এটা গোচৰ পঞ্জীয়ন কৰা বুলি জানিব পৰা গৈছে যদিও লালীগুৰৰ মালিক, বাহনখন চালকক অদ্যাপি কৰায়ত্ত কৰিব পৰা নাই। লক্ষ্যণীয় যে শিৱসাগৰ জিলাৰ আমগুৰি অঞ্চলৰ লগতে সমীপৱৰ্তী হালোৱাটিং, চামগুৰি আদি ঠাই সম্প্ৰতি বিভিন্ন অবৈধ ব্যৱসায়ৰ ৰম্যভূমিলৈ পৰ্যবসিত হোৱাটোৱে অঞ্চলটোৰ শৈক্ষিক-সামাজিক পৰিৱেশ কলুষিত কৰিছে যদিও এনে কাৰ্য কোনোটো পক্ষই প্ৰতিৰোধ নকৰাটো পৰিতাপৰ বিষয় হৈ পৰিছে। প্ৰশাসনৰ গা এৰা দিয়া মনোভাৱ তথা নিষ্ক্ৰিয়তাৰ সুযোগ লৈ অবৈধ অৰুণাচলী সুৰা, লালীগুৰ আৰু বহিঃৰাজ্যৰ গাহৰিৰ লাখ লাখ টকীয়া ব্যৱসায় অবাধে চলি থকাত সৰ্বসাধাৰণ ৰাইজৰ চকু কপালত উঠিছে।

## ■ লালীগুৰ, অৰুণাচলী সুৰাৰ ৰমৰমীয়া ব্যৱসায়, লালীগুৰৰ স'তে জব্দ বাহন

# মাটিয়া ৰাজহ চক্ৰত ভূ-মাফিয়াৰ দপ্‌দপনি বৃদ্ধি

অগ্ৰদূত বাৰ্তা

**মাটিয়া, ২৮ জুলাই ঃ** গোৱালপাৰা জিলাৰ মাটিয়া ৰাজহ চক্ৰৰ অন্তৰ্গত ১২ নম্বৰ লাটৰ পশ্চিম মাটিয়া আৰু ১৪ নম্বৰ লাটৰ বৰবালুপাৰাত জমিৰ পট্টাদাৰৰ অজ্ঞাতে বে-আইনীভাৱে চৰকাৰী নিয়ম উলংঘা কৰি কিছুমান দালাল প্ৰকৃতিৰ ভূ-মাফিয়াৰ নামত সন্মতি নামজাৰি কৰা বুলি ৰাজহুৱা অভিযোগ উত্থাপিত হৈছে। এই সন্দৰ্ভত কালি জামিনী নাথ, নিউটন মমিন, মনোজ চাংমা আদিকে ধৰি ১৫০ গৰাকী লোকে জিলা উপায়ুক্তক এখন লিখিত অভিযোগ দাখিল কৰে। উক্ত অভিযোগ উল্লেখ কৰা মতে পশ্চিম মাটিয়া ৰাজহ গাঁৱৰ ৬১৭ নম্বৰ দাগ আৰু ২৬৪ নম্বৰ পট্টাভুক্ত তিনি বিঘা চাৰি কঠা এক লেচা জমিৰ পট্টাদাৰৰ ৫০ বছৰ পূৰ্বে মৃত্যু হৈছে। কিন্তু প্ৰকৃত পট্টাদাৰৰ ওৱাৰিশৰ অজ্ঞাতে যোৱা ২৪ মে'ত কবিৰ হুছেইন আৰু আব্দুল হালিমৰ নামত সন্মতি নামজাৰি কৰি হৈছে। এই সন্দৰ্ভত অৱগত হৈ ওৱাৰিশগণে দায়িত্বৰত লাটমণ্ডল গুণেন্দ্ৰ কলিতা, ছুপাৰভাইজৰ কাননগো চমুকৈ এছ কে অমৃত হাজোৱাৰী আৰু সন্মতি নামজাৰি হোৱা কবিৰ হুছেইন আৰু আব্দুল হালিমৰ বিৰুদ্ধে উপযুক্ত কাৰ্যালয়ত লিখিত অভিযোগ দাখিলৰ লগতে মাটিয়া আৰক্ষী থানাত এখন এজাহাৰ দাখিল কৰে যদিও আজিলৈকে কোনো ধৰণৰ সুফল নোপোৱা বুলি অভিযোগ পত্ৰত উল্লেখ কৰিছে। ইপিনে, একেই লাটৰ একেই ৰাজহ গাঁৱৰ ৯১৬ নম্বৰ দাগ আৰু ১৮৫ নম্বৰ পট্টাভুক্ত পাঁচ বিঘা তিনি কঠা তিনি লেছা জমিৰ পট্টাদাৰ বীৰেন্দ্ৰ কলিতাৰ ২০১৮ত মৃত্যু হয় যদিও উক্ত জমিৰ ওৱাৰিশগণৰ নামত নামজাৰি হোৱা নাছিল। কিন্তু যোৱা ২৪ মে'ত তদানীন্তন চক্ৰ বিষয়া জিতেন্দ্ৰ টাইড আৰু লাট মণ্ডল গুণেন্দ্ৰ কলিতাৰ সহযোগত আব্দুল আজিজ আহমেদৰ পুত্ৰ কবিৰ হুছেইনৰ নামত সন্মতি কৰে। কেৱল এয়াই নহয় ১৪ নম্বৰ লাটৰ বৰবালুপাৰাৰ ১৭৯ নম্বৰ দাগ আৰু দুই নম্বৰ পট্টাভুক্ত তিনি বিঘা দুই কঠা ১৩ লেচা আৰু ১৮০ নম্বৰ দাগৰ তিনি বিঘা ১২ লেচা জমিৰ পট্টাদাৰ জীৱিত থকা অৱস্থাতে এজন ওৱাৰিশক বঞ্চিত কৰি বাকী ওৱাৰিশগণৰ নামত চক্ৰ বিষয়া জিতেন্দ্ৰ টাইড আৰু দায়িত্বৰত লাট মণ্ডল ছামছুল হুদাই যোৱা ২৩ মে'ত সন্মতি নামজাৰি কৰে। এই সন্দৰ্ভতো বঞ্চিত ওৱাৰিশে মাটিয়া ৰাজহ চক্ৰৰ বিষয়া আৰু জিলা উপায়ুক্তক লিখিত অভিযোগ দাখিলৰ উপৰি মাটিয়া আৰক্ষী থানাত এজাহাৰ দাখিল কৰিছে যদিও কোনো ধৰণৰ সুফল পোৱা নাই বুলি অভিযোগ পত্ৰত প্ৰকাশ।

ইপিনে, পশ্চিম মাটিয়াৰ ১০৮৪ নম্বৰ দাগৰ খাচ জমিৰ পূৰ্বৰ দখলদাৰীৰ নাম আৰু দখল থকা সত্ত্বেও লাটমণ্ডলৰ সহযোগত কবিৰ হুছেইন আৰু আছিদুৰ ৰহমানৰ নামত নোট দখল কৰি লৈছে। দখল নথকা সত্ত্বেও উক্ত জমিখিনি উল্লেখিত ব্যক্তি দুজনৰ নামত কেনেকৈ নোট দখল কৰিবলৈ সক্ষম হ'ল বুলি অভিযোগকাৰীয়ে গুৰুত্বপূৰ্ণ প্ৰশ্ন উত্থাপন কৰিছে। সেয়ে ভূ-মাফিয়া দালাল, চক্ৰ বিষয়া তথা লাট মণ্ডলসকলৰ ওপৰত বিহিত ব্যৱস্থা গ্ৰহণৰ বাবে নৱনিযুক্ত উপায়ুক্তক লিখিকভাৱে দাবী জনাইছে মাটিয়া ৰাজহ চক্ৰ অঞ্চলৰ বিভিন্ন প্ৰান্তৰ ১৫০ গৰাকীকৈ লোকে। উল্লেখ্য যে মাটিয়া ৰাজহ চক্ৰৰ পৰা বদলি হোৱাৰ পূৰ্বে বিশেষকৈ যোৱা মে'ত চক্ৰ বিষয়া জিতেন্দ্ৰ টাইড এণ্ড কোম্পানীয়ে নিয়ম বহিৰ্ভূতভাৱে প্ৰায় শতাধিক সন্মতি নামজাৰি কৰি নিজৰ নিজৰ পকেট গৰম কৰা বুলি গুৰুতৰ অভিযোগ উত্থাপিত হৈছে। বিভাগীয় নিয়ম মতে পট্টাদাৰৰ মৃত্যু হোৱাৰ পাছত প্ৰকৃত ওৱাৰিশৰ নামত নামজাৰি হ'ব লাগে। লগতে পট্টা মাটি বিক্ৰী কৰিবলৈ হ'লে ৰাজহ বিভাগৰ অনুমোদন মৰ্মে চৰকাৰী ৰাজহ আদায় দি উপ-পঞ্জীয়কৰ কাৰ্যালয়ত ৰেজিষ্টাৰ্ড দলিল কৰাটো বাধ্যতামূলক। ইয়াৰ উপৰি সন্মতি নামজাৰি কৰাৰ ক্ষেত্ৰত বিভাগীয়ভাৱে কেতবোৰ বাধা নিষেধ আৰোপ কৰা হৈছে। ইপিনে, জীৱিত অৱস্থাত পুত্ৰ বা যোগ্য উত্তৰাধিকাৰীক পট্টা মাটি দিবলগীয়া হ'লে উপ-পঞ্জীয়কৰ কাৰ্যালয়ত চৰকাৰী ৰাজহ আদায় দি দান দলিল কৰিব লাগে। কিন্তু এই সকলোবোৰ নীতি-নিয়মক সম্পূৰ্ণৰূপে ভেঙুচালি কৰি মাটিয়া ৰাজহ চক্ৰৰ সদ্য বিদায়ী চক্ৰ বিষয়া জিতেন্দ্ৰ টাইড এণ্ড কোম্পানীয়ে প্ৰায় শতাধিক সন্মতি নামজাৰি কৰা বুলি ৰাজহুৱা অভিযোগ উত্থাপিত হৈছে। অৱশ্যে বিভাগীয় উৰ্ধ্বতন কৰ্তৃপক্ষই দুৰ্নীতিগ্ৰস্ত চক্ৰটোৰ বিৰুদ্ধে বিহিত ব্যৱস্থা গ্ৰহণৰ পৰিৱৰ্তে ৰক্ষণাবেক্ষণ দিয়া বুলি গুৰুতৰ অভিযোগ উত্থাপিত হৈছে। এই ক্ষেত্ৰত নৱনিযুক্ত জিলা উপায়ুক্তৰ লগতে মুখ্যমন্ত্ৰীৰ হস্তক্ষেপ কামনা কৰিছে সচেতন মহলে।

## ■ বে-আইনীভাৱে হোৱা সন্মতি নামজাৰিৰ বিৰুদ্ধে গোৱালপাৰাৰ উপায়ুক্তক ৰাজহুৱা অভিযোগ

# শিৱসাগৰত বিনামূলীয়া স্বাস্থ্য শিবিৰ

**বিশেষ সংবাদদাতা,**

**শিৱসাগৰ, ২৮ জুলাই ঃ** কালি শিৱসাগৰৰ মিলন মন্দিৰত বিনামূলীয়া এক কেঞ্চাৰ স্কিনিং শিবিৰ আয়োজন কৰা হয়। মায়ুমৰ য়েছ দেউৰা আৰু সৌৰভ আগৰৱালা দুয়ো আহ্বায়ক মণ্ডলীৰ প্ৰচেষ্টাত লোৱা হৈছে এই পদক্ষেপ। মায়ুম আৰু মাৰোৱাড়ী পঞ্চায়ত নিজৰ সামাজিক ৰিকাশৰ বাবে এই শিবিৰ আয়োজন কৰা হৈছে। এই শিবিৰত গোটেই ভাৰতবৰ্ষ ভ্ৰমণ কৰা মায়ুমৰ কেঞ্চাৰ স্কিনিং ভেনৰ দ্বাৰা সকলো প্ৰকাৰৰ কেঞ্চাৰ বিনামূলীয়াভাৱে পৰীক্ষা কৰা হ'ব। এই শিবিৰত ১২০ৰ পঞ্জীয়ন কৰা হ'ব। সম্ভৱ হ'লে ২৭ জুলাই তাৰিখে কিছু ৰোগীৰ পঞ্জীয়ন কৰা হ'ব লগতে শিবিৰত ১৫০ ৰ পৰা ২০০ জন ৰোগী পৰীক্ষা কৰা হ'ব। এই শিবিৰত স্ত্ৰী-ৰোগ বিশেষজ্ঞ, দন্ত ৰোগ বিশেষজ্ঞ, সাধাৰণ ৰোগ বিশেষজ্ঞ উপস্থিত থাকে। সকলো ৰোগীৰ প্ৰথমে পৰীক্ষা কৰা হয়, তাৰ পাছত ডাক্তৰ দ্বাৰা পঠিওৱা কাগজৰ আধাৰত কেঞ্চাৰ স্কিনিং ভেনত সকলো টেষ্ট কৰাৰ পাছত ৰিপ'ৰ্ট তৈয়াৰ কৰি পিছদিনা ২৪ ঘণ্টাৰ পাছত ৰিপ'ৰ্ট উপলব্ধ কৰা হ'ব। ১৮ বছৰৰ ওপৰৰ যিকোনো লোকে এই বিনামূলীয়া সেৱা গ্ৰহণ কৰিব পাৰিব। শিৱসাগৰ মায়ুমৰ সভাপতি দীপক ঝাৱাৰ, সম্পাদক অমন লাহটী, জনসম্পৰ্ক বিষয়া পৱন কেজৰিৱাল, মাৰোৱাড়ী পঞ্চায়ত সভাপতি বিনোদ আগৰৱালা, সম্পাদক বিজয় চাৰাচাৰিয়া, জনসম্পৰ্ক বিষয়া নাৰায়ণ লাহটীয়ে সকলো শিৱসাগৰবাসী ৰাইজৰ সহযোগিতাত সন্তোষ প্ৰদান কৰিছে।

# চাচনীত সমবায় সমিতিৰ চাউলৰ চোৰাং ব্যৱসায়ৰ অভিযোগত ধৃত পাঁচ



**নাহৰকটীয়া, ২৮ জুলাই ঃ** কালি পুৱতি নিশা নাহৰকটীয়াৰ চাচনীত সমবায় সমিতিৰ চাউলৰ চোৰাং কাৰবাৰৰ লগত জড়িত দুজন লোকৰ লগতে তিনিজন শ্ৰমিকক আৰক্ষীয়ে আটক কৰিছে। তথ্য মতে, চাচনীৰ দেওঘৰীয়াস্থিত চাচনী সমবায় সমিতি লিমিটেডৰ চাউলৰ গুদামত ৰাজ্যৰ খাদ্য আৰু যোগান বিভাগে দৰিদ্ৰ ৰাইজৰ বাবে যোগান ধৰা চাউলৰ বস্তাসমূহ উক্ত গুদামৰ ভিতৰতে পুনৰ পেকেজিং কৰি চিলাই মেচিনৰ সহায়ত নীলা ৰঙৰ প্লাষ্টিকৰ বস্তাত ভৰাই ডিব্ৰুগড় জিলাৰ বিভিন্ন ঠাইলৈ যোগান ধৰি আহিছিল গুদামটোৰ গৰাকী তথা সমবায়খনৰ এজেন্ট ক্ষীৰেশ্বৰ সোণোৱালে। বহু বছৰৰ পৰা সমবায় সমিতিৰ চাউলক লৈ চোৰাং কাৰবাৰ চলাই অহাৰ অভিযোগ উত্থাপন হৈ থকাত আৰক্ষীয়ে পূৰ্বৰ পৰিকল্পনা অনুসৰি, অভিযান চলাই গুদামটোৰ গৰাকী ক্ষীৰেশ্বৰ সোণোৱালক আটক কৰাৰ লগতে এই চক্ৰটোৰ লগত জড়িত সমবায়খনৰ সচিব আনন্দ গগৈকো আৰক্ষীয়ে আটক কৰে। পুৱতি নিশা চৰাইদেউ জিলাৰ তিতলাগড়লৈ বুলি ১৬৫ বেগ চাউল দুখন পিক্‌আপ ভানত বোজাই কৰি থাকোতে আৰক্ষীয়ে তিনিজন শ্ৰমিকক আটক কৰিবলৈ সক্ষম হয় যদিও আৰক্ষী অহাৰ সম্ভেদ পাই বাহন দুখনৰ চালক দুজন পলাই যায়। আৰক্ষীয়ে অধিক তথ্যৰ বাবে তদন্ত অব্যাহত ৰাখিছে। ইফালে, খাদ্য আৰু অসামৰিক যোগান বিভাগৰ বিষয়াও ঘটনাস্থলীত উপস্থিত হৈ তদন্ত আৰম্ভ কৰিছে বুলি জানিব পৰা গৈছে।

# কামৰূপ জিলাৰ উপায়ুক্ত হিচাপে কীৰ্তি জল্লীৰ দায়িত্বভাৰ গ্ৰহণ

অগ্ৰদূত বাৰ্তা

**উত্তৰ গুৱাহাটী, ২৮ জুলাই ঃ** ভাৰতীয় প্ৰশাসনিক সেৱাৰ বিষয়া কীৰ্তি জল্লীয়ে আজি কামৰূপ জিলাৰ উপায়ুক্ত হিচাপে দায়িত্বভাৰ গ্ৰহণ কৰে। এই উপলক্ষে আজি সংহত উপায়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত অনুষ্ঠিত এক অনুষ্ঠানত জিলা প্ৰশাসনৰ তৰফৰ পৰা তেওঁক উষ্ম আদৰণি জনোৱাৰ উপৰি বিদায়ী উপায়ুক্ত কৈলাশ কাৰ্তিক এনক বিদায় সম্ভাষণ জনোৱা হয়। জিলা উন্নয়ন আয়ুক্ত নৰসিং বেৰ সভাপতিত্বত অনুষ্ঠিত এই অনুষ্ঠানত উপস্থিত থাকি বন আৰু পৰিৱেশ বিভাগৰ মন্ত্ৰী তথা জিলাৰ অভিভাৱক মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীয়ে বিদায়ী উপায়ুক্ত কৈলাশ কাৰ্তিক এনৰ উদ্ভৱনীমূলক চিন্তা, কৰ্মদক্ষতা, নেতৃত্ব বহনকাৰী দক্ষতাৰ শলাগ লোৱাৰ উপৰি নৱনিযুক্ত উপায়ুক্ত কীৰ্তি জল্লীৰ কষ্টসহিষ্ণুতা, কৰ্মদক্ষতাই জিলাখনক আৰু অধিক আগুৱাই লৈ যাব বুলি আশা প্ৰকাশ কৰে। সভাত বক্তব্য প্ৰদান কৰি বিদায়ী উপায়ুক্ত কৈলাশ কাৰ্তিক এনে বিগত দুটা বছৰে জিলা প্ৰশাসন তথা অন্যান্য বিষয়া-কৰ্মচাৰীসকলে আগবঢ়োৱা সহায়-সহযোগিতাৰ বাবে ধন্যবাদ জ্ঞাপন কৰাৰ লগতে নতুন উপায়ুক্তৰ বলিষ্ঠ নেতৃত্বত জিলাখনৰ বিকাশৰ গতি আৰু অধিক ত্বৰান্বিত হ'ব বুলি আশা প্ৰকাশ কৰে।

# সাপজুৰি নতুনগাঁও বৰনামঘৰত মহকুমা পালনাম সমিতিৰ সভা

অগ্ৰদূত বাৰ্তা

**বোকাখাত, ২৮ জুলাই ঃ** বোকাখাত মহকুমা পালনাম সমিতিৰ নৱগঠিত কাৰ্যনিবাহকৰ প্ৰথমখন বৈঠক বিনন্দ চন্দ্ৰ বৰুৱাৰ পৌৰোহিত্যত মুখ্য সম্পাদক দেবানন্দ বৰাৰ উদ্দেশ্য ব্যাখ্যাৰে যোৱা ২৪ জুলাইত সাপজুৰি নতুনগাঁও বৰনামঘৰত সম্পন্ন হৈ যায়। উল্লেখ যে যোৱা ছয় জুলাইত বুধবাৰী নামঘৰত আধ্যাত্মিক পৰিৱেশত ভাগৱত শাস্ত্ৰক সাক্ষী কৰি শপত গ্ৰহণেৰে বোকাখাত মহকুমা পালনাম সমিতিৰ নৱগঠিত কাৰ্যনিবাহক মণ্ডলীয়ে কাৰ্যভাৰ গ্ৰহণ কৰিছিল। মাংগলিক কাৰ্যক্ৰমেৰে আধ্যাত্মিক পৰিৱেশত আৰম্ভ হোৱা প্ৰথম কাৰ্যনিবাহক সভাৰ প্ৰাক্‌ক্ষণতে পৰলোকপ্ৰাপ্তি ঘটা সমিতিৰ প্ৰতিষ্ঠাতাসকলৰ পবিত্ৰ স্মৃতিত গভীৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। পৰৱৰ্তী কালত সামগ্ৰিক দিশৰ ওপৰত আলোচনা আৰু সিদ্ধান্ত গ্ৰহণেৰে সমিতিখনৰ নতুন দিগন্তৰ উন্মোচন ঘটে। কাৰ্যক্ৰমৰ আঁত ধৰি বিগত সাধাৰণ সভাত গঠিত উপ-সমিতিসমূহৰ বিষয়ববীয়াসকলে কাৰ্যভাৰ গ্ৰহণ কৰি নিজৰ অনুভৱ আৰু কৰ্মস্পৃহাৰ চমু বক্তব্য দাঙি ধৰে। আনহাতে, সমিতিৰ সামগ্ৰিক ক্ষেত্ৰ সুনিয়ন্ত্ৰণৰ বাবে তলত উল্লেখ কৰা ধৰণে এখন কৰ্ণধাৰ সমিতি গঠন কৰি কাৰ্যভাৰ গ্ৰহণ কৰা হৈছে। কৰ্ণধাৰ সমিতিৰ সভাপতি বিনন্দ চন্দ্ৰ বৰুৱা, সম্পাদক দেবানন্দ বড়া, সদস্য মণ্ডলী ক্ৰমে উপ-সমিতিসমূহৰ সভাপতি-সম্পাদকসকল আৰু ধনীৰাম কছাৰী, প্ৰফুল্ল দত্ত, বসন্ত দত্ত, ধীৰেণ শইকীয়া, প্ৰেমধৰ ভূএঞা আৰু লোকেশ্বৰ নাথ। সভাত কে'বাটাও গুৰুত্বপূৰ্ণ প্ৰস্তাৱ গ্ৰহণৰ লগতে আগন্তুক মহা পালনামৰ মাহেন্দ্ৰ ক্ষণত কে'বাখনো গ্ৰন্থ প্ৰকাশৰ পৰিকল্পনা যুগুত কৰিছে।

# সদৌ অসম ভিত্তিত গৱেষণাধৰ্মী প্ৰৱন্ধ প্ৰতিযোগিতা

অগ্ৰদূত বাৰ্তা

**লাহদৈগড়, ২৮ জুলাই ঃ** শ্ৰীমন্ত শংকৰদেৱ সংঘৰ যোৰহাট জিলা শাখাৰ শংকৰী গৱেষণা নিধিৰ উদ্যোগত সদৌ অসম ভিত্তিত গৱেষণাধৰ্মী প্ৰৱন্ধ প্ৰতিযোগিতাৰ আয়োজন কৰিছে। নবীন লেখক, লেখিকাৰ পৰা 'শংকৰদেৱৰ চিন্তা-চেতনাৰ প্ৰসাৰত মহাপুৰুষ মাধৱদেৱ আদি সন্তসকলৰ ভূমিকা' শীৰ্ষক গৱেষণাধৰ্মী প্ৰৱন্ধ অহা ১৫ ছেপ্টেম্বৰৰ ভিতৰত সম্পাদক, শংকৰী গৱেষণা নিধি, মাৰফৎ-শ্ৰীমন্ত শংকৰদেৱ সংঘৰ যোৰহাট জিলা শাখাৰ নামঘৰৰ। (যোৰহাট চন্দ্ৰ কমল বৰুৱা বাণিজ্য মহাবিদ্যালয় সমীপত), ডাক-যোৰহাট, জিলা-যোৰহাট-৭৮৫০০১ প্ৰৱন্ধ প্ৰেৰণ কৰিব লাগিব আৰু লেখক-লেখিকাৰ নাম-ঠিকনা, বয়স, শিক্ষাগত অৰ্হতা, পেছা, ম'বাইল নম্বৰ আদি বিতংকৈ লিখি দিব লাগিব। যিহেতু এই প্ৰতিযোগিতাত স্থান লাভ কৰা প্ৰতিযোগীক নগদ ধন আৰু মানপত্ৰ আগবঢ়োৱা হ'ব। লেখক-লেখিকাসকলে ৯৬৭৮১০৩৯৬১ নম্বৰত যোগাযোগ কৰিবলৈ শংকৰী গৱেষণা নিধিৰ সম্পাদক ৰাজীৱ কুমাৰ বৰুৱাই আহ্বান জনাইছে।



শ্ৰীৰামপুৰত বাঙালী ছাত্ৰ ফেডাৰেচনৰ স্বচ্ছ অভিযান, বৃহস্পতিবাৰে।

# আন্তঃৰাষ্ট্ৰীয় বঁটাপ্ৰাপ্ত শিক্ষক ছিৰখাত হুছেইনক দুই নম্বৰ অভয়াপুৰী বিদ্যালয়লৈ বদলি

অগ্ৰদূত বাৰ্তা

**অভয়াপুৰী, ২৮ জুলাই ঃ** আন্তঃৰাষ্ট্ৰীয় বঁটাপ্ৰাপক শিক্ষক ছিৰখাত হুছেইনক বঙাইগাঁও জিলাৰ অভয়াপুৰীস্থিত ৭৫৬ নম্বৰ দুই নম্বৰ অভয়াপুৰী প্ৰাথমিক বিদ্যালয়লৈ বদলি কৰাত সন্তুষ্টি প্ৰকাশ কৰিছে অঞ্চলটোৰ ৰাইজে। উল্লেখ্য যে জিলাখনৰ সৃজনগ্ৰাম খণ্ড প্ৰাথমিক শিক্ষা বিষয়াৰ কাৰ্যালয়ৰ অন্তৰ্গত ২৫১ নম্বৰ শ্ৰীশ্ৰী শংকৰদেৱ প্ৰাথমিক বিদ্যালয়ৰ সহকাৰী শিক্ষক ছিৰখাত হুছেইনে ডুমুৰীয়া-পিকনাপাৰা প্ৰাথমিক বিদ্যালয়ত ২০১৮ৰ পৰা ভাৰপ্ৰাপ্ত প্ৰধান শিক্ষকৰূপে কৰ্মৰত থাকি বিদ্যালয়খনক বিভিন্ন কাম-কাজৰ মাজেৰে স্থানীয় সমাজখনৰ স'তে নিবিড় সম্পৰ্ক গঢ়ি তোলা, আটকধুনীয়া তথা ডিজিটেল শ্ৰেণীকোঠা, মনোমোহা উদ্যান, উন্নত মানৰ শিক্ষা দানেৰে অতি কম দিনৰ ভিতৰতে শিশুক বিদ্যালয়মুখী কৰাত সফলতা অনাৰ বাবে ছিৰখাত হুছেইন ৰাষ্ট্ৰীয় শিক্ষকৰ বঁটাৰ বাবে মনোনীত হোৱাৰ লগতে আন্তঃৰাষ্ট্ৰীয় বঁটা লাভ কৰে। আদৰ্শ শিক্ষকৰূপে পৰিচিত হুছেইনক বাসভূমি অভয়াপুৰীস্থিত তথা উত্তৰ শালমাৰা মহকুমাৰ আটাইতকৈ বেছি ছাত্ৰ-ছাত্ৰীয়ে অধ্যয়ন কৰা দুই নম্বৰ অভয়াপুৰী প্ৰাথমিক বিদ্যালয়লৈ বদলি কৰাত জিলা প্ৰাথমিক শিক্ষা বিষয়া জ্যোৎস্না ৰাণী বৰ্মনৰ শলাগ লৈছে সচেতন লোকে। শিক্ষক হুছেইনৰ বদলিকৰণক কোচ-ৰাজবংশী সংগ্ৰাম সমিতিৰ কেন্দ্ৰীয় প্ৰচাৰ সম্পাদক সহেন ৰায়, গৰিয়া-মৰিয়া-দেশী জাতীয় পৰিষদৰ কেন্দ্ৰীয় সাধাৰণ সম্পাদক হাচিফুল ইছলামে আদৰণি জনাইছে।

# গাৰুৱালচুঙীত বিনামূলীয়া চিকিৎসা শিবিৰ

অগ্ৰদূত বাৰ্তা

**লাহদৈগড়, ২৮ জুলাই ঃ** বিশ্ব হিন্দু পৰিষদ যোৰহাট জিলাৰ উদ্যোগত আৰু সত্যম হাস্পতাল এণ্ড ৰিছাৰ্চ চেণ্টাৰ যোৰহাটৰ সহযোগত আজি টীয়কৰ কাকজানৰ ৫০১ নম্বৰ গাৰুৱালচুঙী প্ৰাথমিক বিদ্যালয়ত এটি বিনামূলীয়া স্বাস্থ্য পৰীক্ষা শিবিৰ অনুষ্ঠিত কৰা হয়। উক্ত শিবিৰটো মুকলি কৰে টীয়ক বিধান পৰিষদৰ সভাপতি বিকাশ শইকীয়াই। উক্ত আৰম্ভণি অনুষ্ঠানত চিপাহীখোলা মণ্ডল বিজেপিৰ সভাপতি ৰাতুল বৰঠাকুৰ, অগপ টীয়ক বিধান পৰিষদৰ সম্পাদক দীপক বৰা, চিপাহীখোলা মণ্ডল বিজেপিৰ উপ-সভাপতি হৰেকৃষ্ণ দত্ত, বিশ্ব হিন্দু পৰিষদ যোৰহাট জিলাৰ সম্পাদক ৰাজু বৰা, বিশ্ব হিন্দু পৰিষদ যোৰহাট জিলাৰ সহকাৰী সম্পাদক বিশ্বজিৎ বৰুৱা, সত্যম হাস্পতাল এণ্ড ৰিছাৰ্চ চেণ্টাৰ যোৰহাটৰ বিশিষ্ট চিকিৎসক ডাঃ আগৰৱালা প্ৰমুখ্যে কে'বাগৰাকীও চিকিৎসাকৰ্মী উপস্থিত থাকে।

# ডিব্ৰুগড়ৰ সাত নম্বৰ পোহাৰী খনিয়া প্ৰাথমিক বিদ্যালয়ৰ শতবৰ্ষ অনুষ্ঠানৰ প্ৰস্তুতি

## ■ কে'বাশতাধিক ৰাইজৰ উপস্থিতিত প্ৰস্তুতি সভা

বিশেষ সংবাদদাতা

**ডিব্ৰুগড়, ২৮ জুলাই ঃ** ডিব্ৰুগড় নগৰৰ উপকণ্ঠ অঞ্চল বৰপথাৰৰ পোহাৰী খনিয়াত ১৯২১ৰ পৰা শিক্ষাৰ পোহৰ বিলাই যোৱা সাত নম্বৰ পোহাৰী খনিয়া প্ৰাথমিক বিদ্যালয়ৰ শতবৰ্ষ উদ্‌যাপনৰ ব্যাপক প্ৰস্তুতি চলোৱা হৈছে। শতবৰ্ষ উদ্‌যাপনৰ সভাপতি সঞ্জীৱ হাজৰিকাৰ সভাপতিত্বত অগ্ৰগতি তথা প্ৰস্তুতি সন্দৰ্ভত এক বিশাল ৰাজহুৱা সভা অনুষ্ঠিত হয়। শিক্ষানুষ্ঠানখনৰ জ্যেষ্ঠ ছাত্ৰ তথা বিশিষ্ট সমাজকৰ্মী অতুল বৰগোহাঁই, ডিব্ৰুগড় পৌৰসভাৰ পৌৰপতি ড° চৈকত পাত্ৰ, বিশিষ্ট সমাজকৰ্মী অঞ্জন চেতিয়া, ভূৱন দত্ত, চিকিৎসক ৰিক্তম বৰগোহাঁইসহ কে'বাশতাধিক লোকৰ উপস্থিতিত অনুষ্ঠিত সভাত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ দাঁতি কাষৰীয়া বৃহত্তৰ ৰজাভেটা অঞ্চললৈ অপৰিসীম বৰঙণি আগবঢ়াই যোৱা অন্যতম শিক্ষানুষ্ঠানখনৰ শতবৰ্ষ অনুষ্ঠানৰ প্ৰস্তুতি সন্দৰ্ভত মতামত আগবঢ়ায়।
অহা ২০ আৰু ২১ আগষ্টত দুদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে শত বাৰ্ষিক উদ্‌যাপনৰ প্ৰস্তুতি চলোৱা বিদ্যালয়খন ১৯৮৩ৰ গণ আন্দোলনৰ সময়ত জ্বলাই দিয়া হৈছিল। ইয়াৰ পৰৱৰ্তী সময়ত স্থানীয় লোকৰ প্ৰেচেষ্টাত পুনৰ প্ৰাণ পাই অহা ঐতিহাসিক শিক্ষানুষ্ঠানখনত বৰ্তমান প্ৰায় শতাধিক ছাত্ৰ-ছাত্ৰী অধ্যয়নৰত অৱস্থাত আছে। শতবৰ্ষৰ অনুষ্ঠান উদ্‌যাপনৰ বাবে প্ৰাক্তন ছাত্ৰ তথা বিশিষ্ট সমাজসেৱক সঞ্জীৱ হাজৰিকাক সভাপতি আৰু জয়ন্ত দাসক সাধাৰণ সম্পাদক হিচাপে লৈ প্ৰস্তুতি অব্যাহত ৰাখিছে। প্ৰস্তুতি সভাত অঞ্চলটোৰ কে'বাশতাধিক ৰাইজ, প্ৰাক্তন ছাত্ৰ-ছাত্ৰীসহ অন্যান্য বিশিষ্ট ব্যক্তিসকল উপস্থিত থাকে। উল্লেখ্য যে শতবৰ্ষ উপলক্ষে কবিতা আবৃত্তি, ৰচনা প্ৰতিযোগিতা, কুইজ আৰু তৰ্ক প্ৰতিযোগিতাকে ধৰি ছাত্ৰ-ছাত্ৰীৰ শৈক্ষিক, বৌদ্ধিক আদি বিভিন্ন অনুষ্ঠানৰ আয়োজন কৰাৰ লগতে পংকজ বড়াৰ সম্পাদনাত এখন স্মৃতিগ্ৰন্থ প্ৰকাশৰ দিহা কৰিছে। মুকলি সভাত অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা, শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগু, জলসম্পদ মন্ত্ৰী পীযুষ হাজৰিকাকে ধৰি কে'বাজনো মন্ত্ৰী-বিধায়ক, শিক্ষাবিদ, বিশিষ্ট ব্যক্তি উপস্থিত থাকিব।

# নাজিৰাত তথ্য আৰু জনসংযোগ বিভাগৰ উদ্যোগত 'দেশ ভক্তি দিৱস' উদ্‌যাপন

অগ্ৰদূত বাৰ্তা

**নামতি, ২৮ জুলাই ঃ** সমগ্ৰ ৰাজ্যখনৰ লগতে আজি নাজিৰা মহকুমাতো তথ্য আৰু জনসংযোগ বিভাগৰ উদ্যোগত আৰু মহকুমা প্ৰশাসনৰ সহযোগত মহকুমাধিপতি কাৰ্যালয়ৰ সভাকক্ষত দেশভক্ত তৰুণৰাম ফুকনৰ স্মৃতি দিৱস উপলক্ষে 'দেশ ভক্তি দিৱস' উদ্‌যাপন কৰা হয়। অনুষ্ঠানৰ আৰম্ভণিতে নাজিৰা ৰাজহ চক্ৰ বিষয়া ভানলাল লিম্পুয়া নাম্পুয়ে বন্তি প্ৰজ্বলনেৰে অনুষ্ঠানটোৰ আৰম্ভ কৰি দেশভক্ত তৰুণৰাম ফুকনৰ প্ৰতিচ্ছবিত পুষ্পাঞ্জলি অৰ্পণ কৰে। পৰৱৰ্তী সময়ত নাজিৰা মহকুমাৰ অন্যান্য বিষয়া আৰু কৰ্মচাৰীৰ লগতে বিশিষ্ট অতিথিসকলেও মাল্যাৰ্পণ কৰে। নাজিৰাৰ ৰাজহ চক্ৰ বিষয়া ভানলাল লিম্পুয়া নাম্পুয়ে নিজৰ আদৰণি ভাষণত আজিৰ এই দিনটোৰ তাৎপৰ্যৰ কথা বৰ্ণনা কৰি কয় যে 'দেশভক্ত তৰুণৰাম ফুকন একেধাৰে মুক্তিযুঁজাৰু আৰু সাহিত্যিক আছিল। দেশক স্বাধীন কৰাৰ হকে মহাত্মা গান্ধীয়ে আৰম্ভ কৰা অসহযোগ আন্দোলনৰ তেওঁ আছিল অন্যতম সেনানী। ১৯২৩ত তৰুণৰাম ফুকনে যোগদান কৰিছিল চিত্তৰঞ্জন দাস আৰু মতিলাল নেহৰুৱে গঠন কৰা স্বৰাজ দলত। অসম সাহিত্য সভাৰ ১৯২৭ত গোৱালপাৰাত অনুষ্ঠিত অধিবেশনৰো তেওঁ সভাপতি আছিল। ইয়াৰ পাছতে উপস্থিত সকলোকে তেওঁ শুভেচ্ছা জ্ঞাপন কৰে। অনুষ্ঠানত নিৰ্দিষ্ট বক্তা হিচাপে উপস্থিত থাকি ছহিদ পিয়লি ফুকন কলেজৰ সহকাৰী অধ্যাপক ড° উমাকান্ত হাজৰিকাই কয় যে তৰুণৰাম ফুকন আছিল অসমৰ এজন সুযোগ্য সন্তান কিয়নো গভীৰ দেশপ্ৰেম কৰ্তব্যনিষ্ঠা, সততা আৰু দক্ষতাৰে ওৰে জীৱন দেশ মাতৃক সেৱা আগবঢ়াইছিল। ইয়াৰ পাছতে তৰুণ ৰাম ফুকনে লিখা 'আই মোৰ অসম' কবিতাটি আবৃত্তি কৰে সংহত শিশু উন্নয়ন প্ৰকল্পৰ ক্ষেত্ৰ পৰ্যবেক্ষিকা নিলাখী বৰুৱাই। অনুষ্ঠানত ছহিদ পিয়লি ফুকন কলেজৰ অধ্যক্ষ ধ্ৰুৱজ্যোতি নাথেও নিজৰ বক্তব্যত অসম চৰকাৰৰ এই সিদ্ধান্তক তথা নাজিৰা মহকুমা তথ্য আৰু জনসংযোগ বিভাগৰ লগতে নাজিৰা মহকমা প্ৰশাসনৰ দ্বাৰা অনুষ্ঠিত এই অনুষ্ঠানটোক প্ৰশংসা কৰে। উক্ত অনুষ্ঠানৰ শেষত শলাগৰ শৰাই আগবঢ়ায় মহকুমা তথ্য আৰু জনসংযোগ বিষয়া ড° বৰ্ণালী দত্তই।

# বকোত অসামাজিক কাৰ্যকলাপত লিপ্ত যুৱকক গ্ৰেপ্তাৰৰ দাবীত প্ৰতিবাদ

**অগ্ৰদূত বাৰ্তা**

**সোণতলী, ২৮ জুলাই ঃ** কামৰূপ জিলাৰ বকো আৰক্ষী থানাৰ অন্তৰ্গত কলহী কাষ গাঁৱৰ এগৰাকী উদণ্ড ব্যক্তি শুকচান আলীয়ে দীৰ্ঘদিনৰ পৰাই অসামাজিক কাৰ্যকলাপত লিপ্ত হৈ গাঁওখনৰ বহুতো ৰাইজক হাৰাশাস্তি কৰি থকাত কলহী কাষ গাঁৱৰ ৰাইজ ক্ষুব্ধ হৈ পৰে। আজি কে'বাশতাধিক পুৰুষ-মহিলাই সাধাৰণ কাজিয়া এটাক লৈ শুকচান আলীয়ে গাঁওখনৰে কলহী কাষ এম ই স্কুলৰ প্ৰধান শিক্ষক ছায়েদ খান, বাবু খান, মুক্তাদিৰ খান, ফাইজুৰ খান, জহিৰুল খান আৰু মজিবৰ খানৰ বিৰুদ্ধে সঁচা-মিছা মনেসজা চুৰি-ডকাইতি আদি অভিযোগ জাপি দিয়ে। উক্ত মিছা অভিযোগৰ বিষয়ক লৈ গাঁওখনৰ ৰাইজে ক্ষোভিত হৈ 'শুকচানক গ্ৰেপ্তাৰ কৰক, শুকচানৰ অসামাজিক কাৰ্যকলাপ বন্ধ কৰক, ৰাইজৰ ওপৰত হাৰাশাস্তি বন্ধ কৰক, শুকচান আলীৰ বিচাৰ লাগে' আদি বিভিন্ন শ্ল'গানেৰে পৰিৱেশ উত্তাল কৰি তোলে। উল্লেখ্য শুকচানে সঘনাই একাংশ ব্যক্তিৰ ওপৰত নাৰী ধৰ্ষণৰ বলি সজোৱাই বিভিন্ন ধৰণে একাংশ লোকক হাৰাশাস্তি কৰি থকাত শুকচানক আৰক্ষী-প্ৰশাসনে কৰায়ত্ত কৰি বিহিত ব্যৱস্থা গ্ৰহণৰ দাবী জনায়।

# বাঘমাৰাচৰত জলজলীৰ খহনীয়াই উটুৱাই নিয়া দুখনকৈ চৰকাৰী শিক্ষানুষ্ঠানৰ আজিও নহ'ল পুনৰ নিৰ্মাণ

## আন্তঃগাঁথনিৰ অভাৱত শতাধিক শিক্ষাৰ্থীয়ে শিক্ষা গ্ৰহণত দুৰ্ভোগ ভুগিছে

**অগ্ৰদূত বাৰ্তা**

**আলোপতি, ২৮ জুলাই ঃ** বৰপেটা জিলাৰ বাঘবৰ সমষ্টিৰ দক্ষিণ প্ৰান্তৰ এক নম্বৰ বাঘমাৰাচৰ অঞ্চলত জলজলীৰ খহনীয়াই দুখনকৈ চৰকাৰী শিক্ষানুষ্ঠান উটুৱাই পাছত সম্প্ৰতি অঞ্চলটোৰ একাংশ ছাত্ৰ-ছাত্ৰী শিক্ষা লাভৰ ক্ষেত্ৰত অসুবিধাৰ সন্মুখীন হৈছে। উল্লেখ্য যে যোৱা প্ৰায় এমাহ পূৰ্বে জলজলী নৈৰ প্ৰৱল গৰাখহনীয়াই পশ্চিম নিচানৰচৰ আৰু বাঘমাৰাচৰ অঞ্চলৰ প্ৰায় ২০ টা পৰিয়ালৰ ঘৰ-দুৱাৰ আৰু বিস্তীৰ্ণ কৃষি ভূমিৰ লগতে বাঘমাৰা



নিচানৰচৰ এম ই মাদ্ৰাছা আৰু বাঘমাৰা নিচানৰচৰ প্ৰাথমিক বিদ্যালয় দুখন খহনীয়াত জাহ যোৱাত বিদ্যালয় দুখন ঠিকনাবিহীন হৈ পৰিছে। ফলত বিদ্যালয় দুখনৰ ১০৩ জন ছাত্ৰ-ছাত্ৰীয়ে উপযুক্ত বিদ্যালয় গৃহৰ অভাৱত হাহাকাৰ কৰিবলগীয়া হৈছে। ছাত্ৰ-ছাত্ৰীৰ ভৱিষ্যত শৈক্ষিক জীৱনলৈ অহা এনে অনিশ্চয়তাত চিন্তিত হৈ পৰিছে অভিভাৱকসকল। এনে পৰিস্থিতিত চৰকাৰ তথা বিভাগীয় কৰ্তৃপক্ষই তাৎক্ষণিকভাৱে কোনো ব্যৱস্থা গ্ৰহণ নকৰাত উপায়ান্তৰ হৈ অঞ্চলটোৰ ৰাইজে ছাত্ৰ-ছাত্ৰীৰ ভৱিষ্যত জীৱনৰ প্ৰতি লক্ষ্য ৰাখি স্থানীয় নিচানৰচৰ আঞ্চলিক বজাৰ প্ৰাংগণত ব্যৱস্থা কৰি দিয়া দুটা গৃহতে নানা অসুবিধাৰ মাজতে অস্থায়ীভাৱে পাঠদান কৰিবলগীয়া হৈছে। বিদ্যালয় দুখনৰ শতাধিক ছাত্ৰ-ছাত্ৰীৰ ভৱিষ্যতৰ কথা লক্ষ্য কৰি বিদ্যালয় দুখনৰ গৃহৰ পুনৰ নিৰ্মাণৰ লগতে পৰ্যাপ্ত আন্তঃগাঁথনিৰ ব্যৱস্থা কৰিবলৈ অঞ্চলটোৰ ৰাইজে ৰাজ্যৰ শিক্ষামন্ত্ৰী, জিলা শিক্ষা বিষয়াৰ লগতে জিলা উপায়ুক্তক প্ৰয়োজনীয় পদক্ষেপ লোৱাৰ দাবী জনাইছে।

# শুৱালকুছিৰ মহেশ চন্দ্ৰ দাসৰ মৃত্যুত মুখ্যমন্ত্ৰীৰ শোক

**অগ্ৰদূত বাৰ্তা**

**শুৱালকুছি, ২৮ জুলাই ঃ** শুৱালকুছিৰ বিশিষ্ট নাগৰিক তথা সমাজকৰ্মী মহেশ চন্দ্ৰ দাসৰ অলপতে মৃত্যু হয়। তেওঁ শুৱালকুছিৰ সাংবাদিক প্ৰবীণ কুমাৰ দাসৰ পিতৃ। মহেশ চন্দ্ৰ দাসৰ মৃত্যুৰ খবৰ পাই আজি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই টেলিফোনযোগে সাংবাদিক প্ৰবীণ কুমাৰ দাসৰ লগত বাৰ্তালাপ কৰি মৃতকৰ আত্মাৰ চিৰ শান্তি কামনা কৰে আৰু শোক সন্তপ্ত পৰিয়াললৈ গভীৰ সমবেদনা জ্ঞাপন কৰে। মুখ্যমন্ত্ৰী ড° শৰ্মাৰ এনে বদান্যতাৰ মৃতকৰ পৰিয়ালবৰ্গই শলাগ লৈছে।

# জিলা প্ৰশাসনৰ সহযোগত দেশভক্তি দিৱস উদ্‌যাপন

**অগ্ৰদূত বাৰ্তা**

**হোজাই, ২৮ জুলাই ঃ** আজি হোজাই জিলা তথ্য আৰু জনসংযোগ বিভাগৰ উদ্যোগত আৰু হোজাই জিলা প্ৰশাসনৰ সহযোগত দেশভক্ত তৰুণৰাম ফুকনৰ স্মৃতিত 'দেশভক্তি দিৱস' উপায়ুক্তৰ কাৰ্যালয়ৰ সভাকক্ষত উদ্‌যাপন কৰা হয়। এই উপলক্ষে আয়োজিত অনুষ্ঠানৰ মুখ্য অতিথিৰূপে অংশগ্ৰহণ কৰে জিলাৰ উপায়ুক্ত অনুপম চৌধুৰীয়ে। অনুষ্ঠানত আমন্ত্ৰিত বিশিষ্ট অতিথিৰূপে উপস্থিত থাকে নগাঁৱৰ খাগৰিজান মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ ড° সাগৰ বৰুৱা, লংকা মহাবিদ্যালয়ৰ অধ্যক্ষ ড° ফটিক তামুলী। অনুষ্ঠানৰ আৰম্ভণিতে দেশভক্ত তৰুণৰাম ফুকনৰ প্ৰতিচ্ছবিত এগছিকৈ বন্তি প্ৰজ্বলন কৰি পুষ্পাঞ্জলি অৰ্পণ কৰে উপায়ুক্ত অনুপম চৌধুৰী, ড° সাগৰ বৰুৱা, ড° ফটিক তামুলী, গকুল চন্দ্ৰ ব্ৰহ্ম, মানসজ্যোতি নাথ আৰু আমন্ত্ৰিত অতিথিসকলে। অনুষ্ঠানৰ আৰম্ভণিতে অতিৰিক্ত উপায়ুক্ত মানসজ্যোতি নাথে আদৰণি ভাষণেৰে সভাৰ উদ্দেশ্য ব্যাখ্যা কৰি উপস্থিত অতিথিসকলক গামোচা আৰু গছপুলি এটাৰে সম্বৰ্ধনা জনায়। সভাত মুখ্য অতিথিৰ ভাষণত উপায়ুক্তজনে দেশভক্তক সোঁৱৰণ কৰি আজিৰ দেশভক্তি দিৱসৰ তাৎপৰ্য ব্যাখ্যা কৰে। সভাত মুখ্য বক্তাৰূপে ড° সাগৰ বৰুৱাই দেশভক্ত তৰুণৰাম ফুকনৰ জীৱনৰ ওপৰত এক আলোকপাত কৰাৰ লগতে নিৰ্দিষ্ট বক্তাৰূপে ড° ফটিক তামুলীয়েও উক্ত দিৱসৰ ওপৰত এক চমু ভাষণ ৰাখে। আজিৰ এই দিৱসত আমন্ত্ৰণ কৰা স্বাধীনতা সংগ্ৰামী ব্যক্তিৰ পৰিয়ালৰ ১৩ জন সদস্য ক্ৰমে পূৰ্ণকান্ত শৰ্মা, কমল বণিয়া, হেম কলিতা, ব্ৰজেন্দ্ৰ শৰ্মা, নীলমনি ফুকন, হেমকান্ত কাকতি, কিৰন্দ শইকীয়া, দিলীপ ফুকন, প্ৰফুল্ল গায়ন, লোকেন বৰা, লক্ষীৰাম বৰুৱা, সুৰজিৎ ভট্টাচাৰ্য, আবদুৰ ৰহমান আৰু হোজাই জিলাৰ একাংশ সাংবাদিক উপস্থিত থাকে। অনুষ্ঠানত আন বক্তাসকলৰ ভিতৰত স্বাধীনতা সংগ্ৰামী ব্যক্তিসকলৰ পৰিয়ালৰ মাজৰ পৰা নীলমনি ফুকন আৰু লোকেন বৰা আৰু সংবাদকৰ্মীসকলক প্ৰতিনিধিত্ব কৰি নিউজ লাইভৰ সংবাদদাতা লিটুমনি নাথেও এই দিৱসৰ ওপৰত এক চমু ভাষণ দিয়ে। উপৰোক্ত ব্যক্তিসকলৰ উপৰি আজিৰ এই দিৱসত উপস্থিত থাকে অতিৰিক্ত সহকাৰী আয়ুক্ত ৰবাৰ্ট টিউলাৰ, উপাসনা দত্ত, নিৰ্বাচনী বিষয়া জাংমিৰ ৰংফাৰপি, লংকা, ডবকা ৰাজহ চক্ৰৰ চক্ৰ বিষয়া ক্ৰমে অংকিতা বৰা আৰু ডিম্পী গগৈ আদি।

# নগাঁও জিলাত জাপানী এনকেফেলাইটিছত আক্ৰান্তৰ সংখ্যা ৪৭ জনলৈ বৃদ্ধি

## এই ৰোগ প্ৰতিৰোধৰ ব্যৱস্থা গ্ৰহণ কৰা হৈছে ঃ কেশৱ মহন্ত

**বিশেষ সংবাদদাতা**

**নগাঁও, ২৮ জুলাই ঃ** নগাঁও জিলাত ভয়াবহভাৱে বৃদ্ধি পাইছে জাপানী এনকেফেলাইটিছ ৰোগীৰ সংখ্যা। জিলাখনত নিতৌ এই ৰোগত আক্ৰান্ত লোকৰ সংখ্যা বৃদ্ধি পাবলৈ ধৰাত ৰাইজ আতংকিত হৈ পৰা পৰিলক্ষিত হৈছে। জিলাখনত এই ৰোগত বৰ্তমানলৈকে আক্ৰান্তৰ সংখ্যা ৪৭ গৰাকীলৈ বৃদ্ধি পাইছে। চৰকাৰী তথ্য অনুসৰি, এই পৰ্যন্ত জিলাখনত জাপানী এনকেফেলাইটিছ ৰোগত আক্ৰান্ত হৈ মুঠ পাঁচগৰাকী লোকৰ মৃত্যু হৈছে। অৱশ্যে বেচৰকাৰী তথ্য অনুসৰি, জিলাখনত জাপানী এনকেফেলাইটিছত আক্ৰান্তৰ লগতে এই ৰোগত মৃত্যু হোৱা লোকৰ সংখ্যা আৰু অধিক হোৱাৰ সম্ভাৱনা আছে। জিলাখনত জাপানী এনকেফেলাইটিছৰ ভয়ংকৰ প্ৰাদুৰ্ভাৱৰ পৰিপ্ৰেক্ষিতত জিলা প্ৰশাসন আৰু জিলা স্বাস্থ্য বিভাগৰ তৰফৰ পৰা কেতবোৰ পদক্ষেপ গ্ৰহণ কৰা হৈছে যদিও সেয়া মুঠেই সন্তোষজনক নহয়। জিলাখনত ৪৭ গৰাকী লোক জাপানী এনকেফেলাইটিছত আক্ৰান্ত হ'লেও ইয়াৰে ১৩ গৰাকীতকৈ অধিক ৰোগী সুস্থ হৈ ঘৰলৈ উভতি গৈছে। উল্লেখ্য যে ২৬ জুলাইলৈকে জিলাখনত ৪৪ গৰাকী লোক এই ৰোগত আক্ৰান্ত হৈছিল যদিও ২৪ ঘণ্টাত তিনিজন লোক পুনৰ আক্ৰান্ত হৈছে। ফলত আজি পৰ্যন্ত জিলাখনত আক্ৰান্তৰ সংখ্যা ৪৭ জনলৈ বৃদ্ধি পালে। ইপিনে, আজি সংবাদ মাধ্যমৰ আগত স্বাস্থ্যমন্ত্ৰী কেশৱ মহন্তই কয় যে জাপানী এনকেফেলাইটিছ ৰোগ প্ৰতিৰোধ কৰাৰ বাবে চৰকাৰে সকলো পদক্ষেপ গ্ৰহণ কৰিছে। অসমৰ চিকিৎসা মহাবিদ্যালয়কেইখনৰ লগতে ১০ খন জিলা চিকিৎসালয়ত চিকিৎসা কৰা হৈছে। ইয়াৰ ভিতৰত নগাঁৱৰ ভোগেশ্বৰী ফুকননী চিকিৎসালয়ো আছে। নগাঁৱত এই ৰোগত আক্ৰান্তৰ সংখ্যা বেছি হোৱাৰ কথা উল্লেখ কৰি মন্ত্ৰীজনে কয় যে এই ৰোগ প্ৰতিৰোধৰ ব্যৱস্থা কৰা হৈছে। এই ৰোগত আক্ৰান্তসকল যাতে সুস্থ হৈ উঠিব পাৰে তাৰ বাবে স্বাস্থ্য বিভাগে পদক্ষেপ গ্ৰহণ কৰিব।

# কামপুৰত পুনৰ জাপানী এনকেফেলাইটিছত এজনৰ মৃত্যু

**অগ্ৰদূত বাৰ্তা**

**কামপুৰ, ২৮ জুলাই ঃ** কামপুৰত জাপানী এনকেফেলাইটিছত পুনৰ এজন লোকৰ মৃত্যু হোৱাৰ বাতৰি পোৱা গৈছে। মৃত লোকজন কামপুৰৰ অমৰাৱতী গাঁৱৰ প্ৰবীণ চন্দ্ৰ বৰা বুলি জানিব পৰা গৈছে। প্ৰবীণ চন্দ্ৰ বৰা বিগত এটা মাহে অতি সংকটজনক অৱস্থাত গুৱাহাটী মেডিকেল কলেজত চিকিৎসাধীন হৈ আছিল। চিকিৎসাধীন অৱস্থাতে যোৱা কালি মৃত্যু হয়। প্ৰবীণ চন্দ্ৰ বৰাকে ধৰি বিগত ১০ দিনৰ অন্তৰালত কঠিয়াতলী মহকুমা স্বাস্থ্য বিষয়া-কাৰ্যালয়ৰ অন্তৰ্গত কামপুৰ, কঠিয়াতলি আৰু কচুৱা অঞ্চলত জাপানী এনকেফেলাইটিছত বৰ্তমানলৈকে পাঁচজন লোকৰ মৃত্যু হয়।

# ইষ্টান্তিকৰ উদ্যোগত কেৰিয়াৰ কাউন্সিলিং

**অগ্ৰদূত বাৰ্তা**

**চতিয়া, ২৮ জুলাই ঃ** চতিয়াৰ অন্যতম সাহিত্য-সংস্কৃতি-ক্ৰীড়াৰ অনুষ্ঠান ইষ্টান্তিকৰ উদ্যোগত আজি চতিয়াৰ জ্ঞান বিকাশ একাডেমীৰ প্ৰেক্ষাগৃহত কেৰিয়াৰ গাইডেঞ্চৰ ওপৰত এক আলোচনাচক্ৰ অনুষ্ঠিত হৈ যায়। জ্ঞান বিকাশ একাডেমী, ভাস্কৰ জ্যোতি আদৰ্শ বিদ্যাপীঠ আৰু চতিয়া একাডেমীৰ প্ৰায় তিনি শতাধিক ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰা আলোচনাচক্ৰখনত সমল ব্যক্তিৰূপে উপস্থিত থাকে ভাৰত চৰকাৰৰ জলজীৱন মিছনৰ উত্তৰ পূবৰ নডেল অফিচাৰ তথা চতিয়াৰ সুসন্তান হিৰণ্য বৰা। আলোচনাচক্ৰখনত ভাগ লৈ বৰাই ছাত্ৰ-ছাত্ৰীসকলক কেনেকৈ নিজৰ জীৱনত আগুৱাই যাব তাৰ ওপৰত বিশদভাৱে আলোচনা আগবঢ়ায়। তেওঁ অসামৰিক সেৱাত তথা বিভিন্ন প্ৰতিযোগিতামূলক পৰীক্ষাত ছাত্ৰ-ছাত্ৰীসকলে কেনেকৈ নিজকে প্ৰস্তুত কৰি তুলিব তাৰ ওপৰত বিশদভাৱে বক্তব্য আগবঢ়োৱাৰ লগতে ছাত্ৰ জীৱনতে কেনেকৈ এই প্ৰতিযোগিতাসমূহৰ বাবে প্ৰথম খোজটো দিব পাৰি তাৰ ওপৰতো আলোচনা আগবঢ়ায়। আজিৰ এই অনুষ্ঠান ভাগৰ আঁত ধৰে ইষ্টান্তিকৰ সম্পাদক পংকজজ্যোতি ভূঞাই। অনুষ্ঠানত ছাত্ৰ-ছাত্ৰীৰ উপৰি অভিভাৱক, শিক্ষক আৰু চতিয়াৰ সচেতন লোকসকল উপস্থিত থাকে।

# সদৌ লখিমপুৰ ছাত্ৰ সন্থাৰ কীৰ্তিমানক সম্বৰ্ধনা

## কেৱল নম্বৰৰ অভিলেখে কৃতকাৰ্য নুবুজায় ঃ শংকৰজ্যোতি



**অগ্ৰদূত বাৰ্তা**

**লখিমপুৰ, ২৮ জুলাই ঃ** 'একোজন সফল ছাত্ৰ-ছাত্ৰীয়ে দাপোণত মুখ চাই যেতিয়া নিজৰ মুখখন উজ্জ্বল-উদ্যম দেখে তেতিয়া তেওঁ নিশ্চিত হ'ব পাৰে যে তেওঁ ইপ্সিত লক্ষ্যৰ দিশত সফলতাৰে আগুৱাই গৈ আছে।' একোজন ছাত্ৰৰ প্ৰকৃত কৃতকাৰ্যতা সম্পৰ্কে উল্লেখ কৰি আজি সদৌ লখিমপুৰ ছাত্ৰ সন্থাৰ উদ্যোগত অনুষ্ঠিত হাইস্কুল শিক্ষান্ত আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত বৰ্ষত উৎকৃষ্ট ফলাফল দেখুওৱা কীৰ্তিমান ছাত্ৰ-ছাত্ৰীক বিশেষ অভিনন্দন অনুষ্ঠানত বিশিষ্ট অতিথিৰূপে উপস্থিত থাকি অনুপ্ৰেৰণামূলক ভাষণ প্ৰদান কৰি এই মন্তব্য কৰে সদৌ অসম ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক শংকৰজ্যোতি বৰুৱাই। অনুষ্ঠানটোত ছাত্ৰ সন্থাৰ দ্বাৰা প্ৰকাশিত 'বোধিদ্ৰুম' মুখপত্ৰ উন্মোচন কৰি লখিমপুৰ বালিকা মহাবিদ্যালয়ৰ অধ্যক্ষ ড° সুৰজিৎ ভূঞাই উন্মোচনী ভাষণ প্ৰসংগত কয়, 'কেৱল নম্বৰৰ অভিলেখে কৃতকাৰ্য নুবুজায়, বৰঞ্চ ছাত্ৰ-ছাত্ৰীসকলে এনে সপোন দেখিব লাগিব যি সপোনে তেওঁলোকক ভালদৰে শুবলৈ নিদি আকাংক্ষিত লক্ষ্যৰ দিশে ধাবিত কৰিব।' তদুপৰি অনুষ্ঠানটোত আমন্ত্ৰিত অতিথিৰূপে উপস্থিত থাকি বিদ্যালয়সমূহৰ পৰিদৰ্শক ড° ৰমেশ চন্দ্ৰ চুতীয়াই ছাত্ৰ-ছাত্ৰীসকলৰ শিক্ষা জীৱনৰ বহু দিশ সম্পৰ্কে সূক্ষ্ম বিশ্লেষণ আগবঢ়ায়। সদৌ লখিমপুৰ জিলা ছাত্ৰ সন্থাৰ সভাপতি সীমান্ত নেওগে পৌৰোহিত্য কৰা অনুষ্ঠানটোত কীৰ্তিমানসকলক সম্বৰ্ধনাপত্ৰ, কিতাপৰ টোপোলা, চেকৰ ধনেৰে সম্বৰ্ধিত কৰা হয়। অনুষ্ঠানটোত বাণিজ্য মহাবিদ্যালয়ৰ অধ্যক্ষ ড° লোহিত হাজৰিকা, লখিমপুৰ জিলা ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক স্বৰাজ শংকৰ বৰুৱা আদি উপস্থিত থাকে।

# নগাঁৱত দেশভক্তি দিৱস উদ্‌যাপন

**বিশেষ সংবাদদাতা**

**নগাঁও, ২৮ জুলাই ঃ** নগাঁও জিলা প্ৰশাসনৰ উদ্যোগত আৰু জিলা তথ্য আৰু জনসংযোগ বিভাগৰ সহযোগত আজি দেশভক্ত তৰুণৰাম ফুকনৰ মৃত্যু দিৱস দেশভক্তি দিৱসৰূপে উদ্‌যাপন কৰা হয়। নগাঁৱৰ কিৰণ বালা ছোৱালী হাইস্কুলত এই উপলক্ষে আয়োজিত অনুষ্ঠানৰ আৰম্ভণিতে তৰুণৰাম ফুকনৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন কৰে নগাঁও জিলা মুক্তিযুঁজাৰু সন্মিলনৰ সম্পাদক বাবুল শইকীয়াই। এই উপলক্ষে অনুষ্ঠিত সভাত অংশগ্ৰহণ কৰি গল্পকাৰ শিৱানন্দ কাকতিয়ে তৰুণৰাম ফুকনৰ জীৱন দৰ্শনৰ বিষয়ে উল্লেখ কৰি কয়, 'দেশভক্ত তৰুণৰাম ফুকনৰ দেশপ্ৰেম অতুলনীয়। নৱপ্ৰজন্ম তেওঁৰ আদৰ্শৰে অনুপ্ৰাণিত হোৱা উচিত।' সভাত অতিৰিক্ত উপায়ুক্ত ক্ৰমে প্ৰশান্ত বৰুৱা, মনোৰঞ্জন পায়েং, সান্ত্বনা বৰা, অতিৰিক্ত আৰক্ষী অধীক্ষক দুৰ্লভ চন্দ্ৰ দাস, জিলা জনসংযোগ বিষয়া (ভাৰপ্ৰাপ্ত) বিদ্যাশ্ৰী লাংঠাছা, সাংবাদিক কনক হাজৰিকা, মুক্তিযুঁজাৰু সন্মিলনৰ পদ্ম হাজৰিকা, নিত্য শইকীয়া, জয়ন্ত শইকীয়া আদিয়ে অংশগ্ৰহণ কৰে। সভাত শিক্ষানুষ্ঠানখনৰ ছাত্ৰী সঞ্জীৱনী বৰা, মাইনাই টেৰাংপি, ডেইজী বৰা, কবিতা দেৱী আদিয়ে তৰুণৰাম ফুকনৰ জীৱন সম্পৰ্কে ভাষণ প্ৰদান কৰে। সভাতেই মুক্তিযুজাৰু ৰত্নমালা গোহাঁইৰ হৈ সম্বৰ্ধনা গ্ৰহণ কৰে তেওঁৰ জীয়ৰী অপৰা ফুকনে।

# অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক ৰোহিণী কুমাৰ ডেকাৰ মৃত্যুত শোক

**অগ্ৰদূত বাৰ্তা**

**বাইহাটা চাৰিআলি, ২৮ জুলাই ঃ** কামৰূপ জিলাৰ বাইহাটা চাৰিআলি আৰক্ষী থানাৰ অন্তৰ্গত কৰৰা নিবাসী মহানগৰীৰ পাণ্ডু আদৰ্শ বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক ৰোহিণী কুমাৰ ডেকা (৯১)ৰ আজি পুৱতি নিশা শয্যাগত অৱস্থাত নিজ গৃহত মৃত্যু হয়। আজি পুৱা বাইহাটা চাৰিআলি প্ৰেছ ক্লাব, কামৰূপ জিলা আছু, কৰৰা আছু, পূব কামৰূপ আছু, বিজেপি, এজিপি, কংগ্ৰেছ আদিকে ধৰি বিভিন্ন দল-সংগঠনে প্ৰয়াত শিক্ষকজনৰ নশ্বৰদেহত শ্ৰদ্ধাঞ্জলি অৰ্পণ কৰাৰ লগতে তেওঁৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰে। ইয়াৰ পাছত এক শোকাকুল পৰিৱেশত তেওঁৰ শেষকৃত্য সম্পন্ন কৰা হয়। মৃত্যুৰ সময়ত তেওঁ বাইহাটা চাৰিআলি প্ৰেছ ক্লাবৰ সম্পাদক তথা সাংবাদিক পুত্ৰ জ্যোতিপ্ৰসাদ ডেকা, বোৱাৰী, নাতি-নাতিনীক এৰি যায়।

# উৰণীয়া সেতু সন্দৰ্ভত ত্ৰিপাক্ষিক বৈঠক সমাপ্ত

**অগ্ৰদূত বাৰ্তা**

**হোজাই, ২৮ জুলাই ঃ** আজি হোজাই জিলা সদৰ শংকৰদেৱ নগৰত অনুষ্ঠিত এক ত্ৰিপাক্ষিক বৈঠক অনুষ্ঠিত হয়। এই বৈঠকত হোজাই জিলাৰ ব্যৱসায়িক চহৰৰ দাবী অৱশেষত ৰেল বিভাগে মানি লয়। উল্লেখ্য যে

## ব্যৱসায়ীৰ দাবী মানি ল'লে ৰেল বিভাগে

হোজাইৰ পুৰণা ৰেল বিভাগে উৰণীয়া সেতুৰ ব্যৱসায় কৰি থকা অসুবিধাৰ সন্মুখীন হোজাইৰ বিধায়ক শৰণাপন্ন হয়। সেতুখনৰ পুৰণা বজাৰৰ মাজেৰে নিৰ্মাণ কৰি থকা বাবে সুদীৰ্ঘ দিন ব্যৱসায়ীসকলে হৈ আপত্তি কৰি ৰামকৃষ্ণ ঘোষৰ বিশেষকৈ উৰণীয়া বজাৰ দিশৰ আৰম্ভণিৰ প্ৰস্তাৱিত স্থানক লৈ ব্যৱসায়ীসকলে আপত্তি কৰি আহিছিল। আজি বিধায়কজনৰ মধ্যস্থতাত হোজাই জিলা উপায়ুক্ত কাৰ্যালয়ৰ সভাগৃহত উপায়ুক্ত অনুপম চৌধুৰী, জিলা আৰক্ষী প্ৰশাসনৰ অতিৰিক্ত আৰক্ষী অধীক্ষক পঞ্জীত দুৱৰা, উত্তৰ পূব সীমান্ত ৰেলৰ লামডিং ডিভিজনৰ বিষয়া আৰু হোজাই ছুপাৰ মাৰ্কেট ব্যৱসায়ী সংস্থাৰ মাজত এক ত্ৰিপাক্ষিক বৈঠক অনুষ্ঠিত হয়। উক্ত বৈঠকত উৰণীয়া সেতু নিৰ্মাণৰ পাছত উদ্ভৱ হ'ব পৰা সমস্যা সমাধানৰ বিষয়ে আলোচনা কৰা হয়। এই বৈঠকত ৰেল বিভাগে ব্যৱসায়ী সংস্থাৰ দাবী সমূহ মানি ব্যৱসায়ীসকলৰ সুবিধা মতে উৰণীয়া সেতুৰ আৰম্ভণি পথ আৰু উন্নত মানৰ ছাৰ্ভিচ ৰোড নিৰ্মাণ কৰা হ'ব বুলি সিদ্ধান্ত গ্ৰহণ কৰে।

# জাগীভকতগাঁও দুৰ্গাপূজা সমিতিৰ শতবৰ্ষ উদ্‌যাপনৰ প্ৰস্তুতি

**অগ্ৰদূত বাৰ্তা**

**জাগীৰোড, ২৮ জুলাই ঃ** জাগীৰোডৰ বাঘজাপস্থিত ডালমিয়া চিমেণ্ট কোম্পানীৰ শীৰ্ষ বিষয়াৰ স'তে জাগীভকতগাঁও আঞ্চলিক দুৰ্গা পূজা শতবৰ্ষ উদ্‌যাপন সমিতিৰ এখন বিশেষ আলোচনা সভা আজি দুৰ্গা পূজা মণ্ডপ প্ৰাংগণত অনুষ্ঠিত হয়। সভাত বাঘজাপস্থিত এলষ্ট্ৰম ইণ্ডাষ্ট্ৰিজ্‌ প্ৰাইভেট লিমিটেড তথা চিমেণ্ট উদ্যোগ ডালমিয়াৰ উত্তৰ-পূবৰ লজিষ্টিক বিভাগৰ মুৰব্বী বিষয়া সুব্ৰত মুখাৰ্জী, মহাপ্ৰবন্ধক ৰাজেশ শ্ৰীবাস্তৱ, সদ্যবিদায়ী মহাপ্ৰৱন্ধক উদয়সিং ৰাজপুতৰ লগতে দুই বিষয়াৰ পত্নী সৰিকা শ্ৰীবাস্তৱ আৰু নিকুঞ্জ ৰাজপুতক জাগীভকতগাঁও আঞ্চলিক দুৰ্গা পূজা শতবৰ্ষ উদ্‌যাপন সমিতিৰ তৰফৰ পৰা সম্বৰ্ধনা জনোৱা হয়। অনুষ্ঠানত জাগী ভকতগাঁও আঞ্চলিক দুৰ্গা পূজাৰ শতবৰ্ষ উদ্‌যাপন সমিতিৰ সভাপতি দেৱেন্দ্ৰনাথ ডেকা প্ৰমুখ্যে বিভিন্ন বিষয়ববীয়া উপস্থিত থাকি চিমেণ্ট উদ্যোগটোৰ শীৰ্ষ বিষয়াৰে মত বিনিময় কৰে। লগতে দুৰ্গা পূজা মণ্ডপৰ আন্তঃগাঁথনি উন্নয়ন সন্দৰ্ভতো আলোচনা কৰা হয়। উল্লেখ্য যে ১৯২৩ত প্ৰতিষ্ঠা লাভ কৰা ঐতিহ্যমণ্ডিত জাগীভকতগাঁও আঞ্চলিক দুৰ্গা পূজা উদ্‌যাপন সমিতিয়ে বিস্তৃতভাৱে ২০২২-২৩ত শতবৰ্ষ উপলক্ষে বছৰজোৰা কাৰ্যসূচী অনুষ্ঠিত কৰিবলৈ বিশেষ পদক্ষেপ গ্ৰহণ কৰিছে। এই বছৰজোৰা শতবৰ্ষ উদ্‌যাপনৰ লগত সংগতি ৰাখি ইতিমধ্যে জাগীৰোডৰ বিধায়ক তথা মন্ত্ৰী পীযুষ হাজৰিকাক মুখ্য পৃষ্ঠপোষক, দেৱেন্দ্ৰনাথ ডেকাক সভাপতি, মুনীন্দ্ৰ বৰাক কাৰ্যকৰী সভাপতি, পৱন ভাগৱতীক সাধাৰণ সম্পাদক হিচাপে লৈ নখন উপ-সমিতিৰে প্ৰায় ২৫১ জনীয়া এখন উদ্‌যাপন সমিতি গঠন কৰা হৈছে।

# তেজপুৰত অৰিন্দম নাট্য বিদ্যালয়ৰ শিশু শিক্ষাৰ্থীৰ দ্বাৰা 'ৰহিলা সুন্দৰীৰ বিয়া' মঞ্চায়ন

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**তেজপুৰ, ২৮ জুলাই ঃ** যোৱা ২৬ জুলাইৰ নিশা তেজপুৰৰ ঐতিহ্যমণ্ডিত বাণ থিয়েটাৰৰ প্ৰেক্ষাগৃহত কে'বাশতাধিক দৰ্শকৰ সন্মুখত ১৮ টা শিশুৰ সাৱলীল অভিনয়ৰে সফল মঞ্চায়ন হ'ল 'ৰহিলা সুন্দৰীৰ বিয়া' নামৰ নটকখন। সুন্দৰ অভিনয়, ৰজা মন্ত্ৰীৰ পৰা অৰণ্যৰ বিভিন্ন জীৱ-জন্তুলৈকে শিশুৰ মাজত সুন্দৰ বেশভূষাই অভিভূত কৰিলে সকলো শ্ৰেণীৰ দৰ্শকক। উল্লেখ্য যে ২০২১ৰ ৩০ নৱেম্বৰত তেজপুৰৰ উদীয়মান নাট্যশিল্পী অৰিন্দম কৌশিকৰ সোঁৱৰণত তেজপুৰ মাজগাঁৱত স্থাপিত 'অৰিন্দম নাট্য বিদ্যালয়' তথা ইয়াত যোৱা জানুৱাৰীৰ পৰা নাট্য কলাৰ পাঠদান গ্ৰহণ কৰা প্ৰশিক্ষাৰ্থীসকলে জাতকৰ সাধু 'দ্য এনিমেল আৰ্মি'ৰ আধাৰত নিজেই নাট্যৰূপ আৰু সংলাপ সৃষ্টিৰে ৰচনা কৰি উলিয়াইছিল এখন বিশেষ বাৰ্তাবাহক মনোগ্ৰাহী শিশু নাটক 'ৰহিলা সুন্দৰীৰ বিয়া'। অসমীয়া লোকসংস্কৃতিৰ আভাস আৰু প্ৰচেনিয়াম থিয়েটাৰৰ আৰ্হিৰে ছাত্ৰ-ছাত্ৰীসকলে ২৬ জুলাইৰ সন্ধিয়া ৬.৪৫ বজাৰ পৰা বাণ থিয়েটাৰত মঞ্চস্থ কৰি অতি সাৱলীল অভিনয়ৰে দৰ্শকৰ প্ৰশংসা বুটলিবলৈ সক্ষম হয়। নাট্য বিদ্যালয়খনৰ অধ্যক্ষ, নাট্যকাৰ-পৰিচালক দিগন্ত কুমাৰ ভূঞাৰ লগতে ৰাষ্ট্ৰীয় নাট্য বিদ্যালয়ৰ ডিপ্ল'মা প্ৰাপক দক্ষ নাট্যশিল্পী শোণিত জ্যোতি শইকীয়া আৰু অসমৰ ভ্ৰাম্যমাণ থিয়েটাৰৰ বলিষ্ঠ অভিনেত্ৰী চিমি গোস্বামী, অমৰ জ্যোতি বৰা মুখ্য প্ৰশিক্ষকৰূপে থাকি তেজপুৰৰ বিভিন্ন প্ৰান্তৰ এই ১৮ টাকৈ শিশুক নাটশিল্পৰ প্ৰতি পাৰদৰ্শী কৰি তোলাৰ পাছত ২৬ জুলাইৰ নিশা সকলোৱেই 'ৰহিলা সুন্দৰীৰ বিয়া'ত সুন্দৰ অভিনয় কৰি দৰ্শকক মুগ্ধ কৰি তোলে। দিগন্ত কুমাৰ ভূঞাৰ অভিযোজনা আৰু পৰিচালনাৰ লগতে শোণিত জ্যোতি শইকীয়া, চিমি গোস্বামী আৰু অমৰজ্যোতি বৰাৰ পৰিকল্পনাৰে আৰু অতি অৰ্থবহ সংগীত আৰু আলোকেৰে প্ৰথম প্ৰয়াসতেই শিক্ষাৰ্থীসকলে সাৰ্থক অভিনয় কৰিবলৈ সক্ষম হয়। নাটকখনৰ বিভিন্ন চৰিত্ৰসমূহ ৰূপায়ণ কৰিছিল সিদ্ধান্ত মহন্ত, অভিপ্ৰিয়া গোস্বামী, মুক্তাৱলী মহন্ত, কংকিতা ভৰালী, নিলঞ্জনা শইকীয়া, শৰণ্যা মহন্ত, পূজাশ্ৰী বৰা, বাৰ্বী বৰুৱা, কৃষ্টি বৰা, প্ৰণিত বৰা, নিয়ৰ শইকীয়া, জ্ঞানম মহন্ত, অংকিত শৰ্মা, ইয়াচমীন ফাৰহান আহমেদ, হৃত্বিক বৰা, অহিৰণ শইকীয়া, মানৱ শৰ্মাই। মনকৰিবলগীয়া যে শিক্ষাৰ্থীসকলৰ মাজৰ পৰা নিজেই ঘোষক আৰু সূত্ৰধাৰৰ ভূমিকাৰ লগতে শিশু ধ্ৰুৱজ্যোতি দাসৰ ঢোল বাদন, কৌস্তুভ মণি কলিতাৰ তালবাদনৰ তথা গণেশ বৰুৱাৰ খোলবাদন, নৃপেন শইকীয়াৰ তালবাদন, দিব্যজ্যোতি নাথৰ ৰূপসজ্জাৰে সফল মঞ্চায়ন হোৱা নাটকৰ অন্তত প্ৰশিক্ষাৰ্থীসকলক অৰিন্দম নাট্য বিদ্যালয়ৰ সভাপতি পংকজ বৰুৱা, উপদেষ্টা তথা প্ৰয়াত অৰিন্দমৰ মাতৃ, অৱসৰপ্ৰাপ্ত অধ্যাপিকা ড° জ্যোৎস্না শৰ্মা বেজবৰুৱা আৰু প্ৰশিক্ষক শিক্ষকসকলে মানপত্ৰ প্ৰদান কৰে। ইয়াৰ পাছত সকলোৱে অকাল মৃত্যুক সাবটি লোৱা প্ৰতিভাবান নাট্যশিল্পী অৰিন্দম কৌশিকৰ প্ৰতিচ্ছবিৰ সন্মুখত সমবেত হৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে।

# নলবাৰীত 'দেশ ভক্তি দিৱস' উদ্‌যাপন

## মানৱতাকেন্দ্ৰিক নৈতিকতা অবিহনে ভাল ব্যক্তি হিচাপে কেতিয়াও প্ৰতিষ্ঠা লাভ কৰিব নোৱাৰে ঃ ড° ভট্টাচাৰ্য

**অগ্ৰদূত বাৰ্তা**

**নলবাৰী, ২৮ জুলাই ঃ** নলবাৰীত আজি দেশভক্ত তৰুণ ৰাম ফুকনৰ ৮৩ সংখ্যক মৃত্যু তিথি উপলক্ষে 'দেশভক্তি দিৱস-২০২২' উদযাপন কৰা হয়। জিলা তথ্য আৰু জনসংযোগ বিভাগৰ উদ্যোগত আৰু জিলা প্ৰশাসনৰ সহযোগত জিলা উপায়ুক্তৰ কাৰ্যালয়ৰ সভাকক্ষত আয়োজিত এই উদ্‌যাপনৰ অংশৰূপে 'সাম্প্ৰতিক প্ৰেক্ষাপটত দেশ ভক্তিৰ প্ৰাসংগিকতা' শীৰ্ষক এক আলোচনাচক্ৰ অনুষ্ঠিত হয়। এই উপলক্ষে আয়োজিত অনুষ্ঠানৰ মুখ্য অতিথিৰূপে উপস্থিত থাকে বিশিষ্ট সাহিত্যিক, সাহিত্যাচাৰ্য নলবাৰী ৰত্ন ড° বসন্ত কুমাৰ ভট্টাচাৰ্য আৰু আলোচনাচক্ৰৰ সমল ব্যক্তিৰূপে উপস্থিত থাকে গুৱাহাটী বিশ্ববিদ্যালয়ৰ ভূগোল বিভাগৰ অৱসৰপ্ৰাপ্ত অধ্যাপক, বিশিষ্ট গৱেষক ড° অৱনী কুমাৰ ভাগৱতী। ইয়াৰ উপৰি আমন্ত্ৰিত অতিথিৰূপে নলবাৰী মহাবিদ্যালয়ৰ অধ্যক্ষ ড° কমল নয়ন পাটোৱাৰী আৰু একেখন শিক্ষানুষ্ঠানৰে ইংৰাজী বিভাগৰ অধ্যাপক-সহযোগী অধ্যাপিকা ড° ৰঞ্জনা ভট্টাচাৰ্য উপস্থিত থাকে। জিলা উপায়ুক্ত গীতিমণি ফুকনৰ সভাপতিত্বত অনুষ্ঠিত অনুষ্ঠানৰ উদ্দেশ্য ব্যাখ্যা কৰে জিলা তথ্য আৰু জনসংযোগ বিষয়া চুম্পী চুতীয়াই। তেওঁ আলোচনাচক্ৰৰ বিষয়বস্তু নিৰ্ধাৰণ সম্পৰ্কত সাম্প্ৰতিক ব্যস্ততাপূৰ্ণ, প্ৰতিযোগিতাপূৰ্ণ, আত্মকেন্দ্ৰিকতাৰ পয়োভৰেৰে ভাৱাক্ৰান্ত সময়ত দেশভক্তি বৰ্তমানেও স্বাৰ্থহীন চেতনা হৈয়ে আছে নে কেৱল কৰ্তব্যবোধ, দায়বদ্ধতা বা এক বাধ্যবাধকতা হিচাপে থাকি গৈছে, সেয়া ফঁহীয়াই চোৱাৰ প্ৰয়োজনীয়তা আছে বুলি মন্তব্য কৰি আলোচ্য বিষয়বস্তু সময়োপযোগী হ'ব বুলি মত পোষণ কৰে। অনুষ্ঠানত বিশিষ্ট সাহিত্যিক ড° ভট্টাচাৰ্যই তেওঁৰ ভাষাত কয়, 'মানৰ প্ৰেমেই প্ৰথম প্ৰেম হোৱা উচিত আৰু মানৱকেন্দ্ৰিক নৈতিকতা সকলোৰে থকাটো বাঞ্ছনীয়। এজন ব্যক্তি বিখ্যাত বা সফল হ'ব পাৰিব, কিন্তু এজন ব্যক্তি মানৱতাকেন্দ্ৰিক নৈতিকতা অবিহনে কেতিয়াও ভাল মানুহ হিচাপে প্ৰতিষ্ঠা লাভ কৰিব নোৱাৰে।' অনুষ্ঠানত সমল ব্যক্তিৰূপে উপস্থিত থকা গুৱাহাটী বিশ্ববিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক তথা বিশিষ্ট গৱেষক, লেখক-চিন্তাবিদ ড° ভাগৱতীয়ে দেশভক্তিৰ ধাৰণা বা দৰ্শন অত্যন্ত বিশাল আৰু একাষাৰতে উপস্থাপন সম্ভৱ নহয় বুলি মন্তব্য কৰি দেশভক্তি সন্দৰ্ভত তেওঁৰ দৃষ্টিকোণ প্ৰকাশৰ চেষ্টা কৰে। অনুষ্ঠানত আমন্ত্ৰিত অতিথিৰূপে নলবাৰী মহাবিদ্যালয়ৰ অধ্যক্ষ ড° কমল নয়ন পাটোৱাৰীয়ে তেওঁৰ চমু ভাষণত বৰ্তমান যুৱ প্ৰজন্মৰ মাজত দেশ প্ৰেম কেৱল এক বাহ্যিকতাত পৰিণত হোৱা যেন অনুভৱ কৰি খেদ প্ৰকাশ কৰে। তদুপৰি সাম্প্ৰতিক সময়ত দেশভক্তিৰ ওপৰত যি এক চামনি পৰিছে, সেয়া আঁতৰ কৰাৰ বাবে সময়ে সময়ে মহান দেশ ভক্তসকলৰ জীৱন দৰ্শনৰ ওপৰত এনে আলোচনা নিশ্চয় সহায়ক হ'ব বুলি আশা প্ৰকাশ কৰে। একেখন শিক্ষানুষ্ঠানৰে অতিথিৰূপে উপস্থিত থকা ইংৰাজী বিভাগৰ সহযোগী অধ্যাপিকা ড° ৰঞ্জনা ভট্টাচাৰ্যই তেওঁৰ বক্তব্যত দায়িত্ববোধ, কৰ্তব্যপৰায়ণতা, মানৱতাবোধ এই সকলো বিলাক উপাদানৰ সংমিশ্ৰিত ৰূপটোৱেই দেশ ভক্তি বুলি মন্তব্য কৰে। উল্লেখ্য যে অনুষ্ঠানত জিলা উন্নয়ন আয়ুক্ত মুন গগৈ, অতিৰিক্ত উপায়ুক্তদ্বয় ক্ৰমে ছয়নিকা ঠাকুৰীয়া আৰু ফিৰদৌছ আলম, জিলা প্ৰশাসনৰ মুৰব্বী বিষয়াবৰ্গ, জিলা তথ্য আৰু জনসংযোগ বিভাগৰ সমূহ কৰ্মচাৰী, জিলা সদৰৰ সাংবাদিক আদি উপস্থিত থাকে।



মৰিয়নিত কৃষক-ৰোৱণীয়ে পথাৰত ৰুইছে আশাৰ কঠীয়া।

# বৰনদীৰ বুকুত শিল-বালি খননত ব্যাপক লুণ্ঠনৰ অভিযোগ কৃষক মুক্তি সংগ্ৰাম সমিতিৰ

অগ্ৰদূত বাৰ্তা

**গোৰেশ্বৰ, ২৮ জুলাই ঃ** বিটিআৰত বন বিভাগত ব্যাপক অনিয়ম সংঘটিত হোৱাৰ অভিযোগ তুলিছে গোৰেশ্বৰ আঞ্চলিক কৃষক মুক্তি সংগ্ৰাম সমিতিয়ে। বাগ্সা বন সংমণ্ডলৰ অধীনত যোৱা ২০২১ৰ তিনি ডিচেম্বৰত মহলসমূহৰ নিবিদা দিয়া আৰম্ভ হৈছিল আৰু ২৮ জানুৱাৰী ২০২২ ত খোলা হৈছিল। কিন্তু গোপন ৰহস্যৰ বাবে এই মহলসমূহ আজি সাত মাহে অনুমোদিত নহ'ল। সেই একে সময়তে হৈ যোৱা হলটুগাঁও সংমণ্ডল কোকৰাঝাৰ, চিৰাং সংমণ্ডল আৰু ধনশ্ৰী সংমণ্ডল ওদালগুৰি ৱাৰ্ক অৰ্ডাৰ হৈ গ'ল যদিও কিন্তু আজি বাগ্সা বন সংমণ্ডলৰ কামখিনি নহ'ল। কাৰ প্ৰৰোচনাত বিষয়াসকলে এই কামবোৰ কৰিবলগীয়া হৈছে সেয়া এক ডাঙৰ প্ৰশ্ন। নৈখনৰ বুকুৰ পৰা কোটি কোটি টকাৰ শিল-বালি সৰবৰাহ হৈয়ে থাকিল এই সময়ছোৱাত। গোৰেশ্বৰ আঞ্চলিক কৃষক মুক্তি সংগ্ৰাম সমিতিয়ে চালানবিহীন শিল-বালি সৰবৰাহ কৰা ডাম্পাৰ বন বিভাগক কে'বাবাৰো গতাই দিছিল। এনেকৈ একাংশই বিনা অনুমোদনে নৈৰ বুকুৰ পৰা শিল-বালি সৰবৰাহ কৰি চৰকাৰৰ ঘৰৰ বৃহৎ ৰাজহ ফাকিৰে কাৰ ছত্ৰছায়াত এই লুণ্ঠনৰাজ চলাই আহিছে বুলি অভিযোগ উত্থাপিত কৰিছে কৃষক মুক্তি সংগ্ৰাম সমিতিয়ে। জানিব পৰা মতে পূৰ্বতে হৈ যোৱা নিবিদাসমূহ অলপতে বিটিআৰ চৰকাৰে বাতিল কৰে। কিন্তু কি কাৰণে এই নিবিদাসমূহ আজি সাত মাহ পাছত বিটিআৰ চৰকাৰে বাতিল কৰিলে সেয়াও এক ৰহস্য। অভিযোগ মতে, বিটিআৰ চৰকাৰ তথা বন বিভাগৰ কাৰ্যবাহী সদস্য ৰঞ্জিত বসুমতাৰীৰ ঘনিষ্ঠ লোকে নিবিদা অনুসৰি অনুমোদন নোপোৱাৰ বাবে বাতিল কৰিলে পূৰ্বৰ নিবিদা। এই সন্দৰ্ভত গোৰেশ্বৰ আঞ্চলিক কৃষক মুক্তি সংগ্ৰাম সমিতিৰ সভাপতি পংকজ শৰণীয়াই মন্তব্য কৰি কয় যে পৰিৱৰ্তনৰ শ্ল'গান দি বিটিচিৰ চীফৰ আসনত বহি প্ৰমোদ বড়োৱে বিটিআৰবাসী ৰাইজক চূড়ান্ত প্ৰতাৰণা কৰিছে। তেওঁ বিটিআৰত কমিছন ৰাজ আৰম্ভ কৰিছে। আজি সাত মাহে বিটিআৰৰ বন বিভাগত যি ৰাজহ ফাকিৰ দৰে কেলেংকাৰি সংঘটিত হৈছে এইসমূহত প্ৰমোদ বড়ো আৰু বন বিভাগৰ কাৰ্যবাহী সদস্য ৰঞ্জিত বসুমতাৰীৰ প্ৰত্যক্ষ সহযোগত হ'বলৈ পাইছে । এই বৰনদীখন ৰাইজৰ সম্পদ, এই ৰাজহুৱা সম্পদৰ ওপৰত একাংশ মুষ্টিমেয় লোকৰ শোষণ সহ্য কৰা নহ'ব । কৃষক মুক্তি সংগ্ৰাম সমিতিয়ে অনাগত দিনত ৰাইজৰ সহযোগত বিটিআৰ চৰকাৰ আৰু বন বিভাগৰ বিৰুদ্ধে তীব্ৰ আন্দোলন গঢ়ি তুলিব বুলি হুংকাৰ দিছে। আনহাতে, ২৭ জুলাইত তামুলপুৰ বন বিভাগৰ ভাৰপ্ৰাপ্ত বিষয়া গিৰীণ বৰ্মনৰ নেতৃত্বত চলা এক অভিযানত বৰনদীৰ অবৈধ মহলত অভিযান চলাই পাঁচটাকৈ খনন কাৰ্যত ব্যৱহৃত মেচিন আৰু আন আন সা-সামগ্ৰী জব্দ কৰে।

# মুছলপুৰত স্কুটী বিচাৰি ছাত্ৰীৰ প্ৰতিবাদ

অগ্ৰদূত বাৰ্তা

**মুছলপুৰ, ২৮ জুলাই ঃ** 'মামা আমাক স্কুটী লাগে, আমাৰ প্ৰাপ্য আমাক দিবই লাগিব, আমাৰ প্ৰাপ্যৰ পৰা আমাক বঞ্চিত নকৰিব।' এনেদৰে আজি বাগ্সা জিলাৰ সদৰ মুছলপুৰত ২০২১ত উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত উত্তীৰ্ণ একাংশ ছাত্ৰীয়ে স্কুটী বিচাৰি ধৰ্ণা কাৰ্যসূচী ৰূপায়ণ কৰে। উল্লেখ্য যে ৰাজ্য চৰকাৰে বিগত ২০২০লৈ উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত প্ৰথম বিভাত উত্তীৰ্ণ ছাত্ৰীসকলক স্কুটী প্ৰদান কৰিছিল যদিও ২০২১ত উত্তীৰ্ণ ছাত্ৰীসকলক আজিলৈকে ৰাজ্য চৰকাৰৰ শিক্ষা বিভাগে স্কুটী প্ৰদান কৰা নাই। যাৰ বাবে বঞ্চিত বাগ্সা জিলাৰ ছাত্ৰীসকলে ৰাজ্য চৰকাৰৰ শিক্ষা বিভাগৰ বিৰুদ্ধে স্কুটী বিচাৰি ধৰ্ণা কাৰ্যসূচী ৰূপায়ণ কৰে। সম্প্ৰতি বিভিন্ন মহাবিদ্যালয়ত স্নাতক শাখাত ছাত্ৰীসকলে অধ্যয়ন কৰি আছে যদিও আজি মুছলপুৰ দুৰ্গা মন্দিৰ খেলপথাৰত একত্ৰিত হৈ 'মামা আমাক স্কুটী লাগে, আমাক স্কুটী লাগিবই, আমাৰ প্ৰাপ্য আমাৰ অধিকাৰ, আমাৰ প্ৰাপ্যৰ পৰা আমাক বঞ্চিত নকৰিব' আদি ধ্বনি দি পৰিৱেশ উত্তাল কৰি তোলে। ধৰ্ণা দিয়া ছাত্ৰীসকলে তেওঁলোকৰ প্ৰাপ্য আদায় নিদিলে পুনৰ গণতান্ত্ৰিক আন্দোলন কৰিব বুলি হুংকাৰ দিয়ে। ধৰ্ণা দিয়া মুছলপুৰৰ ছাত্ৰী প্ৰিন্সী বৰ্মনে কয়, 'আমি পৰীক্ষাৰ আগমুহূৰ্তলৈকে সঠিকভাৱে পঢ়িছিলো, কিন্তু ক'ভিডৰ বাবে পৰীক্ষা নপতাটো আমাৰ দোষ নহয়। গতিকে আমাক স্কুটী লাগিবই। অইন বৰ্ষৰ ছাত্ৰীসকলক যদি দিব পাৰে আমাক কিয় নিদিব? আমাকো দিবই লাগিব।'

# ধেমাজিত বগা চাউলৰ ক'লা বেপাৰ ঃ চৰকাৰী চুৰি চাউল জব্দ

## ব্যৱসায়ীসহ এজেণ্টক আটক টি এম পি কেৰ



অগ্ৰদূত বাৰ্তা

**ধেমাজি, ২৮ জুলাই ঃ** ধেমাজিত আজিও চলি আছে বগা চাউলৰ ক'লা বেপাৰ। দুখীয়াৰ মুখৰ ভাত কাঢ়ি খোৱা সমবায়ৰ এচাম অসাধু এজেণ্টে চৰকাৰৰ নীতি-নিয়ম উলংঘাৰে সংঘটিত কৰি আহিছে দুষ্কাৰ্য। বুধবাৰে সন্ধিয়া প্ৰায় ৭-৩০ বজাত উত্তৰ ধেমাজিৰ ৰাইচাপৰি দলপা গাঁৱত চোৰাংকৈ বিক্ৰী কৰা ছয় বস্তা চাউল স্থানীয় লোকে জব্দ কৰে। ৰাইচাপৰি দলপাৰ পৰা মদাৰগুৰি কলিতা গাঁৱলৈ এখন এপে গাড়ীত লৈ গৈছিল প্ৰফুল্ল ভূঞা নামৰ লোক এজনে। এজেণ্ট তৰাণী টায়ে ওৰফে সুনীল টায়েই বি পি এলৰ চাউলখিনি বিক্ৰী কৰাৰ কথা স্বীকাৰ কৰে আটকাধীন ভূঞাই। এই ধৰণে দুবাৰকৈ চুৰি চাউল কিনা বুলিও আটকাধীন ভূঞাই স্বীকাৰ কৰে। উক্ত ঘটনা সন্দৰ্ভত আজি ৰাইচাপৰিস্থিত আঞ্চলিক মুৰং ঘৰত টি এম পি কেৰ আহ্বানত হিতাধিকাৰীৰ স'তে এখন ৰাজহুৱা সভা অনুষ্ঠিত হয়। সভাত দৰিদ্ৰ জনতাৰ মুখৰ ভাত কাঢ়ি খোৱা এজেণ্ট তথা ব্যৱসায়ীক উচিত শাস্তি দিবৰ বাবে ধেমাজি জিলা খাদ্য, অসামৰিক যোগান আৰু গ্ৰাহক পৰিক্ৰমা বিভাগৰ সহকাৰী সঞ্চালকলৈ প্ৰস্তাৱ প্ৰেৰণ কৰে।

# মৰাণত দুখন গ্ৰন্থ উন্মোচন



## কৰ্মৰ মাজেৰে নিজৰ লগতে ঠাইডোখৰৰ নাম জিলিকাই ৰাখিবলৈ আমি চেষ্টা কৰিব লাগে

অগ্ৰদূত বাৰ্তা

**মৰাণ, ২৮ জুলাই ঃ** 'একো একো গৰাকী মানুহৰ ভাল কৰ্মৰ যোগেদি একোটা অঞ্চল তথা এখন সমাজ আগবাঢ়ি যোৱাই নহয় পৃথিৱীবাসীৰ লগত পৰিচয় হ'ব পাৰে। তাৰে জ্বলন্ত উদাহৰণ মৰাণৰ ডাঃ লোহিত কুমাৰ বৰা। লোহিত কুমাৰ বৰাই নিজৰ কৰ্মৰ মাজেৰে মৰাণ নামৰ সৰু ঠাইডোখৰক অসমৰ মানচিত্ৰত জিলিকাই তুলিছে।' যোৱা ২৭ জুলাইৰ সন্ধিয়া মৰাণৰ তপন চুতীয়া সোঁৱৰণী সভাগৃহত অনুষ্ঠিত হোৱা এখন গ্ৰন্থ উন্মোচনী সভাত ডাঃ বৰাৰ এখন গ্ৰন্থ উন্মোচন কৰি বিশিষ্ট সাহিত্যিক তথা সংস্কৃতিৰ সাধক ড° অনিল শইকীয়াই এনেদৰে কয়। শইকীয়াই লগতে কয় যে এনেকুৱা জীৱন বহুতৰে আদৰ্শও হ'ব পাৰে। 'অজাত শত্ৰু' অভিধাটো লোহিত কুমাৰ বৰাৰ দৰে ব্যক্তিৰ ক্ষেত্ৰত নিঃসন্দেহে প্ৰযোজ্য। কৰ্মৰ মাজেৰে নিজৰ লগতে ঠাইডোখৰৰ নাম আমিও জিলিকাই ৰাখিবলৈ চেষ্টা কৰিব লাগে বুলি শইকীয়াই দোহাৰে। ড° অনিল শইকীয়াই উন্মোচন কৰা গ্ৰন্থখন আছিল 'সাহিত্য অৰ্ণৱ ডাঃ লোহিত কুমাৰ বৰা'। উক্ত গ্ৰন্থখনত মৰাণ তথা অসমৰ বিভিন্ন প্ৰান্তৰ ৪২গৰাকী লেখক-লেখিকাই ডাঃ লোহিত কুমাৰ বৰাৰ কৰ্ম জীৱনৰ ওপৰত আলোকপাত কৰি লিখনি প্ৰকাশ কৰিছে। একেখন মঞ্চতে ডাঃ বৰাৰ কবিতা সমগ্ৰ 'থুপিতৰা' নামৰ গ্ৰন্থখন উন্মোচন কৰে মৰাণ মহাবিদ্যালয়ৰ ইংৰাজী বিভাগৰ মুৰব্বী অধ্যাপক আত্মাৰাম কুমাৰে। দুয়োখন গ্ৰন্থ সম্পাদনা কৰিছে ড° স্বপন কুমাৰ চুতীয়াই। এক গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানটোত বিশিষ্ট অতিথিৰূপে ভাষণ দিয়ে সাহিত্যিক, ঔপন্যাসিক ইলা বৰগোহাঞিও, কবি জুলিয়ানা বেগম, অৱসৰপ্ৰাপ্ত শিক্ষক লীলা চুতীয়া, ডাঃ প্ৰতাপ শৰ্মা, মৰাণ মহিলা মহাবিদ্যালয়ৰ অধ্যক্ষা জয়শ্ৰী ফুকন, অধ্যাপক তথা কবি নিৰোদ গোহাঞিও, জনপ্ৰিয় কণ্ঠশিল্পী বিপিন চাউদাঙে। ড° স্বপন কুমাৰ চুতীয়াই আঁতধৰা অনুষ্ঠানটোত মৰাণ মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ ড°যতীন চুতীয়া, সাংবাদিক বাছা বৰা, লেঙেৰী কনিষ্ঠ মহাবিদ্যালয়ৰ অধ্যক্ষ নীলকান্ত গগৈ, বৰহাট মহাবিদ্যালয়ৰ উপাধ্যক্ষ ড° বিনিতা গগৈ, ডাঃ বিৰিঞ্চি কুমাৰ গগৈক প্ৰমুখ্যে বহুকেইজন গুণী-জ্ঞানী লোক উপস্থিত আছিল।

# বঙাইগাঁও ৰেলৱে উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ১৯৮৭ৰ মেট্ৰিক উত্তীৰ্ণ এলুমনিৰ বৈঠক

অগ্ৰদূত ব্যুৰ'

**বঙাইগাঁও, ২৮ জুলাই ঃ** বঙাইগাঁও চহৰৰ বঙাইগাঁও ৰেলৱে উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ১৯৮৭ৰ মেট্ৰিক পৰীক্ষাত উত্তীৰ্ণ ছাত্ৰ-ছাত্ৰীসকলে দেওবাৰে নৰ্থ বঙাইগাঁৱৰ হোটেল জাহ্নৱী ৰিগেন্সীত এখন সভা অনুষ্ঠিত কৰে। উল্লেখ্য যে চলিত বৰ্ষৰ ডিচেম্বৰত বঙাইগাঁও ৰেলৱে উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ১৯৮৭ৰ মেট্ৰিক পৰীক্ষাত উত্তীৰ্ণ প্ৰাক্তন ছাত্ৰ-ছাত্ৰীসকলে অনুষ্ঠিত কৰিব 'গেট টুগেদাৰ' অনুষ্ঠান সুচাৰুৰূপে পৰিচালনাৰ বাবে শিক্ষানুষ্ঠানৰ প্ৰাক্তন ছাত্ৰ হিমাদ্ৰী গুহ নিয়োগীক মুখ্য উপদেষ্টা, সুমন মুখাৰ্জীক সভাপতি, সূৰ্যকান্ত দত্তক সম্পাদক, সুব্ৰত সাহাক কোষাধ্যক্ষ হিচাপে লৈ ১৩জনীয়া কমিটী গঠন কৰে। সভাৰ আৰম্ভণিতে বিদ্যালয়খনৰ ১৯৮৭ৰ ছাত্ৰ বিশ্বজিৎ দাসৰ অকাল বিয়োগত এক মিনিট সময় মৌনতা অৱলম্বন কৰি মৃতকৰ আত্মাৰ সদ্গতি কামনা কৰি সৃষ্টিকৰ্তাৰ ওচৰত প্ৰাৰ্থনা জনায়।

# ঘগ্ৰাপাৰত স্বাধীনতা দিৱসৰ প্ৰস্তুতি

## উদ্‌যাপিত হ'ব নলবাৰী জিলা দিৱস

অগ্ৰদূত বাৰ্তা

**ঘগ্ৰাপাৰ, ২৮ জুলাই ঃ** নলবাৰী জিলাৰ ঘগ্ৰাপাৰত অৱস্থিত বড়িগোগ-বনভাগ শিক্ষাখণ্ডৰ অন্তৰ্গত এক নম্বৰ ঘগ্ৰাপাৰ সমল কেন্দ্ৰত স্বাধীনতা দিৱসৰ প্ৰস্তুতি পূৰ্ণোদ্যমে আৰম্ভ হৈছে। কেন্দ্ৰটোৰ সমন্বয়ক ৰমেন দাসৰ আহ্বান মৰ্মে ঘগ্ৰাপাৰ নিম্ন বুনিয়াদী বিদ্যালয়ত কেন্দ্ৰটোৰ অন্তৰ্গত বিদ্যালয়সমূহৰ প্ৰধান শিক্ষকসকলৰ উপস্থিতিত আজি দিনৰ ১১.৩০ বজাত এখন গাম্ভীৰ্যপূৰ্ণ সভা অনুষ্ঠিত হয়। শিক্ষাখণ্ডটোৰ সমল ব্যক্তি সুভাষ বৰ্মনৰ পৌৰোহিত্যত অনুষ্ঠিত সভাখন উদ্বোধন ধৰে খণ্ড প্ৰাথমিক শিক্ষা বিষয়া ৰাজেন্দ্ৰ কলিতাই। খণ্ডটোৰ এমআইএছ কো-অৰ্ডিনেটৰ সুশান্ত মল্ল বৰুৱাই বিদ্যালয় এপত পঞ্জীয়ন কৰাবলৈ সকলো বিদ্যালয় প্ৰধানৰ প্ৰতি আহ্বান জনায়। স্বাধীনতাৰ অমৃত মহোৎসৱ উপলক্ষে অনুষ্ঠিত হ'বলগীয়া নলবাৰী জিলা দিৱস, স্বাধীনতা দিৱস, মুখ্যমন্ত্ৰীৰ প্ৰাতিষ্ঠানিক গছপুলি ৰোপণ আঁচনি, হৰ ঘৰ ত্ৰিৰংগা আদি আঁচনি পালনৰ ক্ষেত্ৰত বিদ্যালয়ৰ কৰণীয় সন্দৰ্ভত বক্তব্য উপস্থাপন কৰে। নলবাৰী জিলা দিৱস আৰু স্বাধীনতা দিৱস উপলক্ষে আয়োজিত চিত্ৰাংকন প্ৰতিযোগিতা, ৰচনা প্ৰতিযোগিতা, শ্ৰেষ্ঠ পঢ়ুৱৈ বঁটাৰ নিৰ্বাচন-বিধি, হাতেলিখা আলোচনীৰ প্ৰস্তুতি আদি বিষয় সন্দৰ্ভতো সুভাষ বৰ্মনে ব্যাখ্যা কৰে। উল্লেখ্য যে তৃতীয় শ্ৰেণীৰ পৰা পঞ্চম শ্ৰেণীত চৰকাৰী বিদ্যালয়ত অধ্যয়নৰত ছাত্ৰ-ছাত্ৰীয়ে 'নলবাৰীৰ পৌৰাণিক কীৰ্তিচিহ্ন' বিষয়ত চিত্ৰাংকন আৰু ষষ্ঠ শ্ৰেণীৰ পৰা অষ্টম শ্ৰেণীলৈ অধ্যয়নৰত ছাত্ৰ-ছাত্ৰীয়ে 'নলবাৰীৰ কুটীৰ শিল্প' বা 'নলবাৰীৰ গৌৰৱ' সন্দৰ্ভত ৫০০ শব্দৰ ভিতৰত অসমীয়া, ইংৰাজী, বড়ো বা হিন্দী ভাষাত ৰচনা লিখিব পাৰিব। ইয়াৰ উপৰি লাচিত বৰফুকনৰ ৪০০ বছৰীয়া জন্মজয়ন্তী উপলক্ষে বীৰজনৰ বিষয়ে শিক্ষাখণ্ডটোৰ তৰফৰ পৰা লেখা আহ্বান কৰিছে।

# সোণতলীত চাৰি জুৱাৰীক জেললৈ প্ৰেৰণ কৰিলে আৰক্ষীয়ে

অগ্ৰদূত বাৰ্তা

**সোণতলী, ২৮ জুলাই ঃ** কামৰূপ জিলাৰ সোণতলী আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া ননী গোপাল সৰকাৰে যোৱা নিশা এক বিশেষ সূত্ৰৰ পমখেদি পুৰাণ গাঁৱৰ পৰা জুৱাখেল খেলি থকা অৱস্থাত চাৰিজনকৈ জুৱাৰীক আটক কৰিবলৈ সক্ষম হয়। উল্লেখ্য যে এই জুৱাৰীসকলে দীৰ্ঘদিন ধৰি সোণতলী অঞ্চলৰ ভিন্ন স্থানত জুৱা খেলি যুৱ প্ৰজন্মৰ লগতে বহু লোকক জুৰুলী কৰি পেলাইছে। আজি সোণতলী আৰক্ষীয়ে জছিম উদ্দিন, মেছেৰ উদ্দিন, ফকৰ উদ্দিন আৰু নুৰ ইছলাম নামৰ চাৰিজন জুৱাৰীক জেললৈ প্ৰেৰণ কৰে।

# গভীৰতা হ্ৰাস পাইছে জামুগুৰিহাটৰ বৰদিকৰাই নদীৰ

## নদীৰ বাঢ়নী পানীয়ে বুৰাই পেলাইছে কে'বাখনো গাঁৱৰ বিস্তীৰ্ণ অঞ্চল

অগ্ৰদূত বাৰ্তা

**নদুৱাৰ, ২৮ জুলাই ঃ** অৰুণাচলৰ সুউচ্চ পাহাৰৰ পৰা বৈ অহা বৰদিকৰাই নদীৰ বাঢ়নী পানীয়ে চতিয়া সমষ্টিৰ উত্তৰাঞ্চলৰ ১০খনৰো অধিক গাঁৱৰ বিস্তীৰ্ণ অঞ্চল বুৰাই পেলাইছে। হঠাৎ বাঢ়ি অহা নদীখনৰ বাঢ়নী পানী অঞ্চলটোৰ কে'বাখনো গাঁৱত সোমোৱাৰ ফলত চিন্তিত হৈ পৰিছে গাঁওসমূহৰ বাসিন্দাসকল। বৰদিকৰাই নদীৰ বুকু ক্ৰমান্বয়ে বাম হৈ অহাৰ ফলত এইদৰে নদীৰ বাঢ়নী পানীয়ে দক্ষিণফালে নতুন সুঁতিৰ সৃষ্টি কৰাত চিন্তিত হৈ পৰিছে চতিয়া সমষ্টিৰ উত্তৰ মুড়াদল আৰু উত্তৰ নাগশংকৰ গাঁও পঞ্চায়তৰ বাসিন্দাসকল। নদীখনৰ বুকু খান্দি নদীৰ গভীৰতা বৃদ্ধি নকৰিলে নদীখনে নতুন দিশে গতি কৰাৰ সম্ভাৱনা বৃদ্ধি পাইছে বুলিও ব্যক্ত কৰিছে স্থানীয় ৰাইজে।

# জাগীৰোডত শিশু নাট 'বামুণ-বামুণনীৰ সংসাৰ' মঞ্চস্থ



অগ্ৰদূত বাৰ্তা

**জাগীৰোড, ২৮ জুলাই ঃ** সাহিত্যৰথী ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱাৰ 'বামুণ বামুণনী' গল্পৰ আধাৰত শিশু নাট বামুণ-বামুণনীৰ সংসাৰ কালি সন্ধিয়া জাগীৰোডত মঞ্চস্থ কৰে জাগীৰোডৰ শিশুসকলে। জাগীৰোড মাধ্যমিক বিদ্যালয় প্ৰাংগণত সপ্তাহজোৰা শিশু নাট কৰ্মশালাত অংশগ্ৰহণ কৰা শিশুসকলে প্ৰদৰ্শন কৰে বামুণ-বামুনী সংসাৰ নামৰ নাটখন। জাগীৰোড ক'লা মন্দিৰত নাট মঞ্চস্থৰ পূৰ্বে বন্তি প্ৰজ্বলন কৰে বিশিষ্ট সমাজসেৱক জীতেন্দ্ৰ কুমাৰ ডেকাই। নাটখন উদ্বোধন কৰে জাগীৰোড মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ হৰমোহন কলিতাই। সাপ্তাহিক কাকত নতুন সংবাদৰ উদ্যোগত অনুষ্ঠিত কৰা নাট কৰ্মশালাৰ কণ কণ শিশুসকলে অংশগ্ৰহণ কৰা নাটখন উপভোগ কৰি দৰ্শক আপ্লুত হৈ পৰাৰ লগতে শিশু শিল্পীসকলৰ উজ্জ্বল ভৱিষ্যৎ কামনা কৰে। নাটখনৰ শেষত কণ কণ শিল্পীসকলক একোখনকৈ মানপত্ৰ প্ৰদান কৰা হয়। অসমৰ জনপ্ৰিয় ধাৰাবাহিক 'খাপলাংকাই'ৰ পৰিচালক আৰু অভিনেতা পংকজ দাস, নাট্য প্ৰশিক্ষক কুমুদ মাধৱ ডেকা, অভিনেতা ৰিজু দত্ত, অজিত বৰদলৈ, জ্যোতিৰ্ময় গোস্বামী, কন্দৰ্প বৰদলৈ আৰু বিজয় কলিতাৰ তত্ত্বাৱধানত শিশুসকলক লৈ আয়োজন কৰা সপ্তাহজোৰা কৰ্মশালাৰ অন্তত এই শিশু নাট মঞ্চস্থ কৰে শিশুসকলে।

# মুছলপুৰত দেশভক্তি দিৱস উদ্‌যাপন

অগ্ৰদূত বাৰ্তা

**মুছলপুৰ, ২৮ জুলাই ঃ** দেশভক্ত তৰুণৰাম ফুকনৰ মৃত্যু তিথি উপলক্ষে আজি বাগ্সা জিলা উপায়ুক্তৰ কাৰ্যালয় আৰু জিলা তথ্য আৰু জনসংযোগ বিষয়াৰ কাৰ্যালয়ৰ উদ্যোগত মুছলপুৰতো দেশভক্ত তৰুণৰাম ফুকনৰ মৃত্যু তিথি উপলক্ষে দেশভক্তি দিৱস পালন কৰা হয়। বাগ্সা জিলা উপায়ুক্তৰ কাৰ্যালয়ৰ সভাকক্ষত এই দিৱস উপলক্ষে জিলাৰ উপায়ুক্ত মাছান্দা মাগদালিন পাৰ্টিনে বন্তি প্ৰজ্জলন আৰু পুষ্পাঞ্জলি অৰ্পণ কৰি কাৰ্যসূচীৰ আৰম্ভ কৰে। এই অনুষ্ঠানত অতিৰিক্ত উপায়ুক্ত বন্তি তালুকদাৰ, বাগ্সা জিলা জ্যেষ্ঠ নাগৰিক পৰিষদৰ সভাপতি ব্ৰজমোহন কলিতা, মুছলপুৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ তথা শিক্ষাবিদ সুৰেন্দ্ৰ নাথ বৰ্মা, জ্যেষ্ঠ নাগৰিক মহেন্দ্ৰ নাথ দাসকে ধৰি বিভিন্ন বিভাগৰ বিষয়াসকলে অংশ লয় । ইয়াৰ পাছত এখন স্মৃতিচাৰণ সভাও অনুষ্ঠিত হয় । স্মৃতিচাৰণ সভাৰ আঁত ধৰে জিলা তথ্য আৰু জনসংযেগ বিষয়া হেমচন্দ্ৰ পাঠকে। সভাত বাগ্সা জিলা জ্যেষ্ঠ নাগৰিক সন্থাৰ সভাপতি ব্ৰজমোহন কলিতাই দেশভক্ত তৰুণৰাম ফুকনৰ জীৱন পৰিক্ৰমা, স্বাধীনতা আন্দোলন, জীৱনশৈলীৰ ওপৰত বিশদ ব্যাখ্যা কৰে। সেইদৰে সুৰেন্দ্ৰ নাথ বৰ্মাই স্বাধীনতা আন্দোলনৰ লগে লগে সাহিত্য ক্ষেত্ৰলৈ আগবঢ়োৱা অৱদানৰ বিষয়ে বক্তৃতা প্ৰদান কৰে। মহেন্দ্ৰ নাথ দাসে তৰুণৰাম ফুকনৰ বৰ্ণাঢ্য জীৱন পৰিক্ৰমাৰ ওপৰত গভীৰভাৱে আলোকপাত কৰে।




# গোলাঘাটত খৰাং পৰিস্থিতি ঃ ছন পৰি ৰৈছে শ শ বিঘা উৰ্বৰ কৃষি পথাৰ

অগ্ৰদূত বাৰ্তা

**ফৰকাটিং, ২৮ জুলাই ঃ** গোলাঘাট ৰাজহ চক্ৰৰ অন্তৰ্গত ভিন্ন প্ৰান্তৰ শ শ বিঘা উৰ্বৰ কৃষি পথাৰ ছন পৰি যোৱাৰ উপক্ৰম হোৱাত কৃষকসকলৰ মাজত হাহাকাৰ পৰিস্থিতি উদ্ভৱ হৈছে। স্মৰ্তব্য যে দীৰ্ঘদিন ধৰি কৃষি প্ৰধান অঞ্চলসমূহত পৰ্যাপ্ত বৰষুণ নোহোৱাত খেতিৰ ভৰপক তথা শাওণৰ বতৰত হেজাৰ হেজাৰ খেতিয়কে আগতীয়া ৰনজিৎ, বাহাদুৰ, আয়জুং আদি ধানৰ কঠীয়া ৰোপণ কৰিব পৰা নাই। উল্লেখ্য যে গোলাঘাট মহকুমা আৰু মেৰাপানী কৃষি মহকুমাৰ অধীনৰ ফৰকাটিঙৰ শিঙিজান, আঠগাঁও, গুৱালগাঁও, ফাটোৱাল, জামুগুৰি, ঘিলাধাৰী, বৰজান, লক্ষীবাৰী, নোগোৰা, লক্ষীজুৰি, কাছমাৰী, চাউদাং পথাৰ, চিচুপানী, সৰুপানী, ৰতনপুৰ, লক্ষীপুৰ, নাৰায়ণপুৰ, গমাৰিগুৰি, বাঘেধৰা, কলবাৰী, মধুপুৰ, গুবিনপুৰ, মেৰাচুক আদি অঞ্চলৰ খেতি পথাৰত পানীৰ অভাৱত শ শ বিঘা মাটি শুকাই কৃষিৰ অনুপযোগী হৈ পৰা পৰিলক্ষিত হৈছে। লক্ষ্যণীয় যে ৰাজ্য চৰকাৰৰ অতি গুৰুত্বপূৰ্ণ জলসিঞ্চন বিভাগে বহু কৃষি পথাৰত জলসিঞ্চনৰ প্ৰকল্প স্থাপন কৰিছে যদিও অঞ্চল অনুসৰি প্ৰকল্পসমূহ পৰিত্যক্ত হৈ কাৰ্যক্ষমৰ অৱস্থাত নথকা বুলি অভিযোগ উঠিছে। আনহাতে, চৰকাৰে বিভিন্ন আঁচনিৰ নামত কোটি কোটি টকা অৰ্থ আবণ্টনেৰে ধন খৰচ কৰি আহিছে যদিও জলসিঞ্চন বিভাগে তথা ৰাজ্য চৰকাৰে অত্যাৱশকীয় কৃষি প্ৰধান অঞ্চলসমূহত বৃহৎ জলসিঞ্চনৰ প্ৰকল্প স্থাপন কৰি কৃষক ৰাইজক সকাহ দিবলৈ আগ্ৰহী নোহোৱাত খৰাং পীড়িত ঠাইসমূহৰ কৃষকসকল সংকটত পৰিব লগা হৈছে। গতিকে দেশৰ জনগণক ভোকৰ ভাত মুঠি উৎপাদন কৰি অহা কৃষকসকলৰ অত্যাৱশ্যকীয় সমস্যাটোৰ প্ৰতি ৰাজ্য চৰকাৰৰ কৃষি আৰু জলসিঞ্চন বিভাগে কোনো গুৰুত্ব প্ৰদান নকৰাত খাটি খোৱা কৃষকসকল অনাগত দিনত আৰু সংকটৰ দিশে গতি কৰা বুলিহে সৰ্বত্ৰে বিবেচিত হৈছে। আনহাতে, ৰাজ্যৰ কৃষকসকলে কৃষি কৰ্মৰ যোগেদি ৰাজ্যখনৰ অৰ্থনৈতিক দিশত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰি আহিছে। বৰ্তমান একৈশ শতিকাৰ বিজ্ঞানৰ চৰম জয়যাত্ৰাৰ পাছতো আমাৰ মুলুকৰ কৃষকসকলে বতৰৰ ওপৰত নিৰ্ভৰ কৰি কৃষি কৰ্মত নিয়োজিত হোৱাটো অতি পৰিতাপৰ আৰু দুৰ্ভাগ্যজনক কথা। গতিকে চৰকাৰৰ অতিকে গুৰুত্বপূৰ্ণ কৃষি আৰু জলসিঞ্চন বিভাগে গঠনমুলক আৰু সদিচ্ছাৰে আগবাঢ়ি আহি কৃষকসকলৰ সমস্যাসমূহ অনুধাৱন কৰি উপযুক্ত পদক্ষেপ গ্ৰহণেৰে কৃষকসকলক সহায়ৰ হাত আগবঢ়াবলৈ খাটি খোৱা কৃষক ৰাইজে কল্যাণকামী চৰকাৰক আহ্বান জনাইছে।






## কমনৱেলথ গেমছৰ প্ৰথমদিনাই অসম সন্তান শিৱ থাপাৰ ওপৰত দেশবাসীৰ দৃষ্টি ঃ ৩০ জুলাইত অভিযান লাভলীনাৰ

# বাৰ্মিংহামৰ বক্সিং ৰিঙত আজি ভাৰত-পাকিস্তান



**বাৰ্মিংহাম, ২৮ জুলাই ঃ** বাৰ্মিংহাম কমনৱেলথ গেমছত কাইলৈ ভাৰতীয় ক্ৰীড়াপ্ৰেমীৰ দৃষ্টি থাকিব অসম সন্তান বক্সাৰ শিৱ থাপাৰ ওপৰত। উল্লেখ্য যে কাইলৈ হ'বলগা পুৰুষৰ বক্সিঙৰ ৬০ কিলোগ্ৰাম শাখাত শিৱ মুখামুখি হ'ব পাকিস্তানৰ বক্সাৰ ছুলেমানৰ বিৰুদ্ধে। ভাৰত বনাম পাকিস্তানৰ এই বক্সিং যুঁজ লৈ ইতিমধ্যে চাপ-ৰোমাঞ্চ বৃদ্ধি পাইছে ভাৰতীয় ক্ৰীড়াপ্ৰেমীৰ মাজত। উল্লেখ্য যে দুবাৰকৈ অলিম্পিক খেলা শিৱই বিশ্ব চেম্পিয়নশ্বিপত পদক লাভ কৰাৰ লগতে কেবাখনো আন্তৰ্জাতিক প্ৰতিযোগিতাত দেশক পদক দিছে যদিও পূৰ্বে কমনৱেলথ গেমছত খেলাৰ পাছতো পদক লাভ কৰা নাই। এইবাৰ অভিজ্ঞ শিৱৰ পৰা পদক আশা কৰা হৈছে। ইফালে, শিৱৰ লগতে বক্সিঙত অলিম্পিক পদক জয়ী অসম কন্যা লাভলীনা বৰগোঁহায়ো কমনৱেলথ গেমছত খেলিব। সূচী অনুসৰি অহা ৩০ জুলাইত নিউজিলেণ্ডৰ নিকলছনৰ মুখামুখি হ'ব লাভলীনা। উল্লেখ্য যে এই সময়ত চৰ্চা আৰু চাপত আছে লাভলীনা। কমনৱেলথ গেমছৰ ভিলেজত প্ৰশিক্ষক সন্ধা গুৰুঙক প্ৰৱেশ কৰিব নিদিয়াত অনুশীলনত ব্যাঘাত জন্মা বুলি লাভলীনাই চাঞ্চল্যকৰ অভিযোগ উত্থাপন কৰিছিল। প্ৰশিক্ষকৰ অনুপস্থিতিত তেওঁ মানসিক অস্থিৰতাৰ সন্মুখীন হোৱা বুলি কৈ এয়া ৰাজনীতি বুলিও টুইটাৰত লাভলীনাই উল্লেখ কৰিছিল। এই বিষয় লৈ ক্ৰীড়াৰ পৰা ৰাজনীতিলৈ হৈ-চৈ লগাত প্ৰশিক্ষক গুৰুঙে ভিলেজত প্ৰৱেশৰ অনুমতি পত্ৰ লাভ কৰিছে। কিন্তু ইয়াৰ বাবে ভাৰতীয় বক্সিং দলৰ পৰা বাদ পৰি গ'ল চিকিৎসক আৰু মহিলাৰ মুখ্য প্ৰশিক্ষক ভাস্কৰ ভাট। উল্লেখ্য যে শিৱ-লাভলীনাৰ লগতে এইবাৰ কমনৱেলথ গেমছত অসমৰ অভিলেখ সাতগৰাকী খেলুৱৈয়ে অংশ লৈছে। ভাৰতীয় লন বল দলত অসমৰ তিনি গৰাকী খেলুৱৈয়ে স্থান লাভ কৰিবলৈ সক্ষম হৈছে। ১২ জনীয়া দলত স্থান লাভ কৰিছে অসমৰ তানিয়া চৌধুৰী, নয়মমণি শইকীয়া আৰু মৃদুল বৰগোঁহাই। ইফালে, এথলেটিকছত হিমা দাস আৰু ভাৰোত্তোলনত পপী হাজৰিকাই বাৰ্মিংহাম কমনৱেলথ গেমছত খেলিব।



## এ ডিভিজন লীগত বৰভেটা ফাইনেলত

**যোৰহাট,২৮ জুলাই ঃ** বৰভেটা স্পৰ্টচ ক্লাবে যোৰহাট এ ডিভিজন ফুটবলৰ ফাইনেলত প্ৰৱেশ কৰিছে। যোৰহাট ষ্টেডিয়ামত আজি অনুষ্ঠিত হোৱা প্ৰথমখন ছেমিফাইনেলত বৰভেটা স্পৰ্টচ ক্লাবে অল ষ্টাৰ ক্লাবক ১-০ গ'লত পৰাভূত কৰি ফাইনেলত বৰভেটা উপনীত হয়। আজি খেলৰ আৰম্ভনিৰে পৰাই বৰভেটাই অল ষ্টাৰ ক্লাবৰ ওপৰত তীব্ৰ হেচা অব্যাহত ৰাখে বৰভেটাই । ফলত অল ষ্টাৰ ক্লাবে ৰক্ষনাত্মক ভাবে খেলাৰ বিপৰীতে বৰভেটা স্পৰ্টচ ক্লাবে অল ষ্টাৰ ক্লাবক চাপত ৰাখে। খেলৰ প্ৰথমাৰ্ধৰ ৪১ মিনিটত বৰভেটা স্পৰ্টচ ক্লাবৰ লানু তুচী লাংচাৰ সুন্দৰ হেডিঙেৰে গ'ললৈ ৰূপান্তৰিত কৰি দলক বিজয় নিশ্চিত কৰে। আজি খেল পৰিচালনা কৰে পুষ্প ৰঞ্জন বৰুৱাই , লাইনত থাকে পৰিমল বুঢ়াগোহাঁই আৰু বিমান সন্দিকৈ। চতুৰ্থ ৰেফাৰী পৱন পাঠক। ২৯ জুলাইত দ্বিতীয়খন ছেমি ফাইনেলত যোৰহাট টাউন ক্লাবে খেলিব ভিক্টোৰিয়াছ ক্লাবৰ বিৰুদ্ধে।

## দক্ষিণ কামৰূপ ফুটবল লীগ

**বকো, ২৮ জুলাই ঃ** দক্ষিণ কামৰূপ জিলা ক্ৰীড়া সন্থাৰ এ ডিভিজন আন্তঃ ক্লাব লীগ ফুটবল প্ৰতিযোগিতাৰ আজিৰ খেলত নংবাগ ফুটবল ক্লাব আৰু বনগাঁও ফুটবল ক্লাব জয়ী হৈছে। বকো ক্ৰীড়া সন্থাৰ সহযোগত বকো হাইস্কুল খেলপথাৰত চলি থকা লীগৰ আজি প্ৰথম খেলত নংবাগে ভলকেনো ফুটবল ক্লাবক ১-০ গ'লত আৰু দ্বিতীয় খেলখনত বনগাঁও ফুটবল ক্লাবে চক্ৰপাণি ফুটবল ক্লাবক ৩-১ গ'লত হৰুৱায়।

# ৱেষ্টইণ্ডিজৰ বিৰুদ্ধে তিনিখনীয়া এদিনীয়া শৃংখলা ৩-০ ত লাভ ভাৰতৰ

## আজি প্ৰথম টি-২০ মেচ

**প'ৰ্ট অব স্পেইন, ২৮ জুলাই ঃ** ভাৰতে ৱেষ্ট ইণ্ডিজৰ বিৰুদ্ধে খেলা তিনিখনীয়া এদিনীয়া শৃংখলাটো ৩-০ ৰ ব্যৱধানৰে দখল কৰিছে। যোৱানিশা হোৱা তৃতীয় তথা অন্তিম মেচত ভাৰতে ডি এল পদ্ধতিত ১১৯ ৰাণত পৰাস্ত কৰে ৱেষ্ট ইণ্ডিজক। বৰ্ষাবিঘ্নিত মেচত পোনতে বেটিং কৰা ভাৰতে ৩৬ অভাৰত তিনি উইকেটত ২২৫ ৰাণ কৰে। দলৰ হৈ অপেনাৰদ্বয় শুভমন গিলে ৯৮ আৰু শিখৰ ধৱনে ৫৮ ৰাণ কৰাৰ লগতে শ্ৰেয়াছ আয়াৰে ৪৪ ৰাণ কৰে। প্ৰত্যুত্তৰত, ৱেষ্ট ইণ্ডিজে ২৫৭ ৰাণৰ বিজয়লক্ষ্য অনুসৰণ কৰি ২৬ অভাৰত ১৩৭ ৰাণত অলআউট হয়। ভাৰতৰ হৈ চাহালে চাৰিটা আৰু চিৰাজ তথা ঠাকুৰে দুটা উইকেট পায়। উল্লেখ্য যে ভাৰতে ৱেষ্ট ইণ্ডিজৰ বিৰুদ্ধে খেলা তিনিখনীয়া এদিনীয়া শৃংখলাটো ৩-০ ৰ ব্যৱধানৰে দখল কৰাৰ পাছত এতিয়া উভয় দলে তিনিখনীয়া টি-২০ শৃংখলা খেলিব। কাইলৈ অনুষ্ঠিত হ'ব প্ৰথমখন টি-২০ মেচ।






## ভাৰতীয় দলক প্ৰতিনিধিত্ব কৰি মালয়েছিয়ালৈ জাষ্টেন'

**অগ্ৰদুত বাৰ্তা, মেৰাপানী, ২৮ জুলাই ঃ** গোলাঘাট জিলাৰ মেৰাপানী সীমান্তৰ ভিতৰুৱা গাঁৱৰ পৰা গৈ নিজস্ব ক্ৰীড়া প্ৰতিভাৰে ৰাজ্যৰ নাম উজলাবলৈ সক্ষম হৈছে এগৰাকী সুনিপুন ক্ৰীড়াবিদে। উল্লেখ্য যে শেহতীয়াকৈ ৰাষ্ট্ৰীয় মুৱাই থাই চেম্পিয়নশ্বিপত অসম দলক প্ৰতিনিধিত্ব কৰি ৪৬ কেজি শাখাত সোনৰ পদক লাভ কৰি সফলতা লাভ কৰিছে মেৰাপানীৰ জাষ্টেন' চুতীয়াই। এতিয়া অহা ন আগষ্টৰ পৰা মালয়েচিয়াত অনুস্থিত হ'বলগীয়া আন্তঃৰাষ্ট্ৰীয় প্ৰতিযোগিতাৰ বাবেও নিৰ্বাচিত হৈছে খেলুৱৈগৰাকী। দৰিদ্ৰ পৰিয়ালৰ কন্যা জাষ্টেন'ই বিগত তিনিবছৰ ধৰি অভিজ্ঞ প্ৰশিক্ষক শান্তনু ৰাজখোৱাৰ তত্বাৱধানত মুৱাই থাইৰ প্ৰশিক্ষণ গ্ৰহন কৰি আহিছে। ইফালে মুৱাই থাইৰ প্ৰচাৰ আৰু প্ৰসাৰৰ বাবে চৰকাৰী পক্ষই আজি পৰ্যন্ত কোনো ধৰণৰ পদক্ষেপ হাতত নোলোৱাত আৰ্থিক সংকটত পৰি উন্নত প্ৰশিক্ষণৰ বাবে থমকি ৰ'ব লগাত পৰিছে জাষ্টেন'। মেৰাপানীবাসীয়ে আৰ্শীবাদ আৰু শুভেচ্ছা জনাইছে যে আগন্তুক মালয়েচিয়াত অনুষ্ঠিত হ'বলগা আন্ত:ৰাষ্ট্ৰীয় প্ৰতিযোগিতাতো সোণৰ পদক আজুৰি আনি দেশলৈ কঢ়িয়াই আনক।

## এছিয়ান ব'ডী বিল্ডিঙৰ সফলতাৰে বিশ্ব চেম্পিয়নশ্বিপলৈ নিৰ্বাচিত ছায়া

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**তেজপুৰ, ২৮ জুলাই ঃ** মালদ্বীপত অনুষ্ঠিত হৈ যোৱা এছিয়ান বডি বিল্ডিং চেম্পিয়নশ্বিপত অংশ লৈ তেজপুৰৰ এগৰাকী দুটা সন্তানৰ মাতৃ ছায়া বৰুৱাই পঞ্চম স্থান অৰ্জন কৰিবলৈ সক্ষম হৈছে। উল্লেখ্য যে, এই প্ৰতিযোগিতাত এছিয়াৰ ২৪ খন দেশৰ প্ৰায় চাৰি হেজাৰ প্ৰতিযোগীয়ে অংশ লৈছিল। এই প্ৰতিযোগিতাত লাভ কৰা সফলতাৰ বাবেই তেজপুৰৰ ছায়া বৰুৱাই অহা ছয় ডিচেম্বৰৰ পৰা থাইলেণ্ডত অনুষ্ঠিত হ'ব লগা বিশ্ব বডি বিল্ডিং চেম্পিয়নশ্বিপত অংশ গ্ৰহণ কৰাৰ বাবেও ভাৰতীয় দললৈ নিৰ্বাচিত হৈছে। উল্লেখ্য যে বৰুৱাই সাংসাৰিক ব্যস্ততা, নিজৰ ব্যৱসায় প্ৰতিষ্ঠাৰ কৰ্ম ব্যস্ততাৰ মাজতো কঠোৰ



সাধনা আৰু একাগ্ৰতাৰে শৰীৰ চৰ্চাত জড়িত হৈ শেহতীয়াকৈ আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত সুনাম অৰ্জন কৰিবলৈ সক্ষম হৈছে। যোগাসন, সৌন্দৰ্য চৰ্চাৰ লগতে শৰীৰ চৰ্চাৰ ৰাজ্যিক, ৰাষ্ট্ৰীয় একাধিক প্ৰতিযোগিতাত বিগত সময়ত তেজপুৰলৈ সুনাম কঢ়িয়াই আনিছে বৰুৱাই। বৰুৱাৰ এই সাফল্যৰ বাবে ভাৰতীয় শৰীৰ চৰ্চা ফেডাৰেচনৰ লগতে অসম শৰীৰ চৰ্চা সন্থাই খেলুৱৈ গৰাকীক শুভেচ্ছা জনাইছে। বডি বিল্ডিঙৰ দৰে ক্ৰীড়াত মহিলাৰ অংশ গ্ৰহণ বহুতৰে বাবে এক প্ৰত্যাহ্বানপূৰ্ণ বিষয় হিচাপে চিহ্নিত হোৱাৰ সময়ত বৰুৱা এইক্ষেত্ৰত তেওঁৰ পৰিয়াল তথা শুভাকাংক্ষী সকলৰ উৎসাহৰ বাবেই আগবাঢ়িব পাৰিছে বুলিও ব্যক্ত কৰে।

## ছুপাৰ ডিভিজন লীগৰ ফাইনেল পাঁচ আগষ্টত

**নলবাৰী, ২৮ জুলাই ঃ** নলবাৰী ক্ৰীড়া সন্থাৰ চুপাৰ ডিভিজন ফুটবল লীগৰ ফাইনেল খেলখন অহা পাঁচ আগষ্টত চামতা আঞ্চলিক ক্ৰীড়া সংঘৰ ষ্টেডিয়ামত প্ৰথমবাৰৰ বাবে নৈশলোকত সন্ধিয়া সাত বজাত অনুষ্ঠিত কৰা হ'ব বুলি সন্থাৰ সাধাৰণ সম্পাদক বুবুল তালুকদাৰে জনাইছে। উক্ত খেলত অংশ গ্ৰহন কৰিব মুকালমুৱা আঞ্চলিক ক্ৰীড়া সংঘ আৰু ঘগ্ৰাপাৰ আঞ্চলিক ক্ৰীড়া সন্থাই। খেলখনত উপস্থিত থাকিব অসম চৰকাৰৰ মন্ত্ৰী চন্দ্ৰ মোহন পাটোৱাৰী, মন্ত্ৰী তথা নলবাৰী ক্ৰীড়া সন্থাৰ সভাপতি জয়ন্ত মল্ল বৰুৱা, অসম অলিম্পিক সন্থাৰ সাধাৰণ সম্পাদক লক্ষ্য কোঁৱৰ আদি। বঁটা বিতৰণী সভাৰ অন্তত সাংস্কৃতিক কাৰ্যসূচী ৰূপায়ন কৰা হ'ব। উক্ত অনুষ্ঠানত ৰাইজৰ উপস্থিতিত আয়োজকে কামনা কৰিছেষ উল্লেখ্য যে নলবাৰী সকলো ক্ৰীড়া বিভাগকে একেটা ছাতিৰ তলত কাম কৰি যোৱাৰ পোষকতা কৰাৰ লগতে গ্ৰাম্যাঞ্চলৰ বিভিন্ন ন ন ক্লাৱ-সংঘক স্বীকৃতি প্ৰদান কৰাত ফুটবলকে ধৰি বিভিন্ন খেল সক্ৰীয় হোৱাটো পৰিলক্ষিত হৈছে।

## ৰাজ্যিক টাইকোৱান-ড'ত নগাঁৱৰ খেলুৱৈৰ সফলতা

**অগ্ৰদূত বাৰ্তা, বেবেজীয়া, ২৮ জুলাই ঃ** অভয়াপুৰীত সদ্য সমাপ্ত অসম ৰাজ্যিক টাইকোৱান-ড' প্ৰতিযোগিতাত অংশগ্ৰহণ কৰি সদৌ নগাঁও জিলা টাইকোৱান-ড' সন্থাৰ ল'ৰা-ছোৱালী দলে চাৰিটা সোণৰ পদক, ছটা ৰূপৰ আৰু নটা ব্ৰঞ্জৰ পদকৰে সৰ্বমুঠ ১৯টা পদক লাভ কৰি জিলাখনলৈ গৌৰৱ কঢ়িয়াই আনিছে। সদৌ নগাঁও জিলা টাইকোৱান-ড' সন্থাৰ প্ৰশিক্ষক তথা ৰাষ্ট্ৰীয় ৰেফাৰী জয়প্ৰকাশ শৰ্মা আৰু মুখ্য পৰিচালক পাৰ্থপ্ৰতিম হাজৰিকাই জনোৱামতে, উক্ত প্ৰতিযোগিতাত সুকণ্যা দেবী, পৰিণীতা দাস, অস্মিতা ৰয়, ময়ুখ কাশ্যপে সোণৰ পদক, মাধুৰ্য শইকীয়া, ৰাহাট আহমেদ, নিলোৎপল কলিতা, অৰ্ণিবান পাল,গাণিছা জৈন,আয়ুচ সিঙে ৰূপৰ পদক, নীলগ্ৰীৱ ভৰদ্বাজ, নিৰ্বাণ ভৰদ্বাজ, ডিকু হাজৰিকা, হনসিনী শৰ্মা,নন্দিলৰাজ, নীল শৰ্মা (দুটা), চন্দন আৰু নিহাল পাৰভিজে ব্ৰঞ্জৰ পদক পাইছে।পদকপ্ৰাপ্ত খেলুৱৈসকলক স্থানীয় বিধায়ক ৰূপক শৰ্মাই এক বিশেষ অনুষ্ঠানত আনুষ্ঠানিকভাৱে অভিনন্দন জনায়।



## প্ৰাইজমানি ফুটবল প্ৰতিযোগিতা

**অগ্ৰদূতবাৰ্তা, শুৱালকুছি, ২৮ জুলাই ঃ** কামৰূপ জিলাৰ অন্তৰ্গত হালোগাও ক্ৰীড়া সন্থাৰ সৌজন্যত ভকতৰাম ভাণ্ডাৰ কায়স্থ সোৱৰণী প্ৰাইজমাণি ফুটবল প্ৰতিযোগিতা খন অহা সাত আগষ্টৰ পৰা আৰম্ভ হ'ব। হালোগাও অভয় চৰণ চৌধাৰী ষ্টেডিয়ামত আয়োজন কৰা উক্ত প্ৰাইজমাণি ফুটবল প্ৰতিযোগিতাত অংশ ল'ব বিচৰা ইচ্ছুক প্ৰতিযোগী দল সমূহক ৯৮৬৪০৩৭৭৭৬ নম্বৰত যোগাযোগ কৰিবলৈ অনুৰোধ জনাইছে।

## মৰিয়নি ফুটবল লীগত ড্ৰ খেলিলে কাটনিবাৰী-হাতীজুৰিয়ে

**অগ্ৰদূত বাৰ্তা, মৰিয়নি, ২৮ জুলাই ঃ** মৰিয়নি ক্ৰীড়া সন্থাৰ উদ্যোগত ইয়াৰ বাপুজী ষ্টেডিয়ামত চলি থকা নগেন বৰা ফুটবল লীগৰ আজিৰ খেল কাটনিবাৰী চাহ বাগিচা ফুটবল দল আৰু হাতীজুৰি ফুটবল ক্লাৱৰ মাজৰ খেল গ'লশূণ্য হৈ অমীমাংসিতভাৱে সমাপ্ত হয়। ফলত দুয়োটা দলে লীগৰ পইন্ট ভগাই লয় । খেলখন পৰিচালনা কৰে দিব্যজ্যোতি শইকীয়া, এন্দ্ৰিয়াছ তাঁতী, মিকু পাওগাম আৰু প্ৰাঞ্জল পাওগামে । ২৯ জুলাইৰ খেল ঃ নগাধুলি চাহ বাগিচা ফুটবল দল বনাম হোনোৱাল চাহ বাগিচা ফুটবল দল।

## যুৱ অলিম্পিকত পদক লাভ কৰা বিশ্বনাথৰ উশ্বু দলক উষ্ম আদৰণি



**অগ্ৰদূত বাৰ্তা**

**চতিয়া, ২৮ জুলাই ঃ** চতিয়া প্ৰেছ ক্লাৱৰ উদ্যোগত চতিয়া সমষ্টিৰ বিধায়ক পদ্ম হাজৰিকাৰ উপস্থিতিত অসম যুৱ অলিম্পিকত জিলিকি উঠিবলৈ সক্ষম হোৱা বিশ্বনাথ উশ্বুৰ খেলুৱৈসকল আজি উষ্ম আদৰণি জনোৱা হয় । চতিয়া ৰেলৰে ষ্টেচনত দুপৰীয়া গুৱাহাটীৰ পৰা ৰেল যোগে নিজ গৃহলৈ উভতি অহা উশ্বু খেলুৱৈসকলক উষ্ম আদৰণি জনায় চতিয়াৰ বিধায়ক পদ্ম হাজৰিকাৰ লগতে জিলা ক্ৰীড়া বিষয়া খনিন্দ্ৰ মুদৈ , চতিয়া পৌৰসভা , চতিয়া আঞ্চলিক ছাত্ৰ সন্থা , চতিয়া আঞ্চলিক গোৰ্খা ছাত্ৰ সন্থাকে ধৰি বহু বিশিষ্ট ব্যক্তিয়ে। উল্লেখ্য যে বিশ্বনাথৰ ১৬ জনীয়া উশ্বু দলে অসম যুৱ অলিম্পিকত অংশগ্ৰহণ কৰি নটা সোণ , ১১ টা ৰূপ আৰু ১১ টা ব্ৰঞ্জসহ মুঠ ৩১ টাকৈ পদকৰে দ্বিতীয় শ্ৰেষ্ঠ দলৰ সন্মান লাভ কৰিবলৈ সক্ষম হয় । এই সফলতাকলৈ বিশ্বনাথ উশ্বুৰ প্ৰশিক্ষক পদ্ম জায়ৰু যথেষ্ট উৎফুল্লিত।

## যুৱ অলিম্পিকত ১১ টা পদক লাভ শিৱসাগৰ টাং চু ডু দলৰ

**বিশেষ সংবাদদাতা, শিৱসাগৰ, ২৮ জুলাই ঃ** অসম অলিম্পিক সন্থাৰ উদ্যোগত অনুষ্ঠিত হোৱা অসম অলিম্পিকৰ টাং চু ডু খেলত অসমৰ ভিতৰত প্ৰথম স্থান অধিকাৰ কৰি শিৱসাগৰ দলটোৱে ছটা সোন দুটা ৰূপ আৰু তিনিটা ব্ৰঞ্জৰ পদক লাভ কৰি জিলাখনলৈ গৌৰৱ কঢ়িয়াই আনিছে। উল্লেখ্য যে প্ৰতিযোগিতাত অনুৰণ বুঢ়াগোহাঁই, দ্বীপজ্যোতি গগৈ, বিজয় গোৱালা, অৰ্ঘা বুঢ়াগোহাঁই, অন্বেষা বৰা আৰু চাহিন পাৰবিনে সোণৰ পদক লাভ কৰাৰ বিপৰীতে অভিষেক শইকীয়া আৰু অৰিন্দম দিহিঙীয়াই ৰূপৰ পদক লাভ কৰে। একেদৰে দলটোৰ ৰিদিপ কোৱৰ, সংঘামিত্ৰা বৰুৱা আৰু মুহিনী কটকীয়ে লাভ কৰে ব্ৰঞ্জৰ পদক। টিম মেনেজাৰ হাৰুণ আলিৰ তত্বাৱধানত যোৱা দলটোত নিৰ্মল বৰা প্ৰশিক্ষক আৰু ৰেফাৰী হিচাপে যোৱা বিচিত্ৰ বুঢ়াগোহাঁই, দীপাংকৰ চেতিয়া, শিৱানী প্ৰিয়দৰ্শিনী বুঢ়াগোহাঁই আৰু মানস প্ৰতীম কোৱৰে দলটোৰ এনে কৃতিত্বক খেলুৱৈসকলক প্ৰশংসা কৰিছে।



## ৰাষ্ট্ৰীয় কাৰাটেত সাফল্য

**অগ্ৰদূত বাৰ্তা**

**ছয়গাঁও, ২৮ জুলাই ঃ** অল ষ্টাইল কাৰাটে ডো এছোছিয়েচন অসম চমুকৈ আচকাৰ তত্বাৱধানত বিলাসপুৰত অনুষ্ঠিত অল ইণ্ডিয়া কাৰাটে প্ৰতিযোগিতাত অসমৰ হৈ প্ৰতিনিধিত্ব কৰা ১৩ বছৰৰ অনূৰ্ধ্ব ১৪ গৰাকী কিশোৰে পদক লাভ কৰি অসমলৈ গৌৰৱ কঢ়িয়াই আনিবলৈ সক্ষম হৈছে । দলটোৰ নেতৃত্ব লোৱা মুখ্য প্ৰশিক্ষক আবুল হাজৰিকা, প্ৰশিক্ষক কিশোৰ কুমাৰ পাঠক আৰু পৰিচালক প্ৰদীপ ৰাভাৰ নেতৃত্বত দলটো চত্তিছগড়লৈ গৈছিল । সোণ, ৰূপ, ব্ৰঞ্জৰ পদক লাভ কৰা খেলুৱৈসকল হ'ল বৰষা দাস, জুমন দাস, মাইনা দাস, সোণমণি ৰাভা, প্ৰণতি শীল, ইনাচ আহমেদ, মানৱ কুমাৰ ডেকা, টনভি ডেকা, ময়ুৰী কাশ্যপ, সুভাষণা দাস, হিমাংশু দাস, দেৱৰাজ শীল আৰু ৰীতুৰাজ ৰাজবংশী।



# তৃতীয় ডিভিজন ফুটবল আৰম্ভ, বঢ়মপুৰৰ জয়

## প্ৰশান্ত লালুঙৰ অনবদ্য হেট্ৰিক অৰ্জন

**অগ্ৰদূত বাৰ্তা, বেবেজীয়া, ২৮ জুলাই ঃ** নগাঁও ক্ৰীড়া সংস্থাৰ উদ্যোগত নুৰুল আমিন ষ্টেডিয়ামত আজিৰে পৰা নৱ কুমাৰ ভূএগ তৃতীয় ডিভিজন আন্তঃক্লাব ফুটবল লীগ আৰম্ভ হৈছে। এই লীগৰ আজিৰ উদ্বোধনী খেলত বঢ়মপুৰ স্প'ৰ্টছ ক্লাবে প্ৰশান্ত লালুঙৰ অনবদ্য হেট্ৰিকৰ সহায়ত এছ টি ক্লাবক ৪-০ গ'লত সহজেই হৰুৱাই সম্পূৰ্ণ পইণ্ট অৰ্জন কৰিছে। দলৰ হৈ চাহাবুদ্দিন আহমেদে আনটো গ'ল দিয়ে। উল্লেখ্য যে নগাঁও ক্ৰীড়া সংস্থাৰ তৃতীয় ডিভিজনৰ মুঠ সাতটা ক্লাবৰ মাজত ৰাউণ্ড ৰবীন লীগ পদ্ধতিত আয়োজিত এই লীগৰ আজিৰ খেলখন পৰিচালনা কৰাত ৰেফাৰী অভিজিৎ ৰংহাঙক সহায় কৰে ৰিয়াজ আহমেদ, কৃষ্ণকান্ত দাস আৰু অ'হিদুজ জামানে। উল্লেখ্য যে, লীগ আনুষ্ঠানিকভাৱে উদ্বোধন কৰে প্ৰাক্তন ফুটবলাৰ আব্দুল মতিনে। উদ্বোধনী অনুষ্ঠানত ক্ৰীড়া সংগঠক অসীম ভাৱাল, ৰমেশ আগৰৱালা, দিলীপ তালুকদাৰ আৰু মৃণাল কুমাৰ হাজৰিকা আদি উপস্থিত থাকে।



## গুৱাহাটী চিটী কাজিৰঙা এফ চি ফাইনেলত

**গুৱাহাটী, ২৮ জুলাই ঃ** নেহৰু ষ্টেডিয়ামত চলি থকা গুৱাহাটী ক্ৰীড়া সন্থাৰ ১৩ অনুৰ্ধ ফুটবল প্ৰতিযোগিতাৰ দ্বিতীয় ছিজনৰ ফাইনেলত নিজৰ স্থান নিশ্চিত কৰিছে ডিফেণ্ডিং চেম্পিয়ন গুৱাহাটী চিটী এফ চি আৰু কাজিৰঙা এফচিচিয়ে । আজি অনুষ্ঠিত প্ৰথম ছেমিফাইনেলত গুৱাহাটী চিটী এফচিয়ে নাৰেংগী এফচিচিক ৩-২ গ'লৰ ব্যৱধানত পৰাস্ত কৰি ফাইনেলত প্ৰৱেশ কৰে । গুৱাহাটী চিটী এফচিৰ হৈ দিশান্ত তালুকদাৰ, উজ্জেইল ইয়াংৰাই আৰু তুষাৰদীপ বৰ্মনে গ'ল কৰাৰ বিপৰীতে নাৰেংগী এফচিচিৰ হৈ গ'ল কৰে ৰক্তিম নাৰ্জাৰী আৰু ৰাজদীপ শৰ্মাই । দ্বিতীয়খন ছেমিফাইনেল খেলত কাজিৰঙা এফচিয়ে উদয়ন কৃষ্টি সংঘক ৬-১ গ'লত পৰাস্ত কৰে । কাজিৰঙাৰ হৈ পাঁচটা গ'ল কৰে জিত শৰ্মাই । আনহতে, অভিষেক বড়োৱে এটা গ'ল দিয়ে । উদয়নৰ হৈ একমাত্ৰ গ'লটো কৰে এ ঠাকুৰীয়াই। অহা ৩০ জুলাইত নেহৰু ষ্টেডিয়ামত ফাইনেল খেলখন অনুষ্ঠিত হ'ব।

## বিল্যসনন্দন চ'ৰা



# ককা-আইতাৰ কথাবোৰ মিছা

ঃ হেৰা, আজি-কালি কিছুমান পুৰণি কথা নতুনকৈ চিন্তা কৰিবৰ হ'ল।
ঃ কি পুৰণি কথা?
ঃ এই যে আগতে আমাৰ ককা-আইতাহঁতে কৈছিল।
ঃ কি কৈছিলনো?
ঃ কৈছিল যে ভুকুতে কল নপকে।
ঃ অ' কৈছিল।
ঃ আজি-কালি এইবোৰ কথা নেচেল বুজিছা।
ঃ কিয়?
ঃ আজি-কালি আমাৰ ৰজা-মহাৰজাবোৰৰ ভুকুবোৰ অলপ বেলেগ ধৰণৰ হয়।
ঃ কি বেলেগ হয়?
ঃ তেওঁলোকৰ ভুকুবোৰত কিবা বেলেগ ধৰণৰ মেজিক এটা আছে বুজিছা।
ঃ মেজিক মানে।
ঃ নহয় মানে তেওঁলোকে ভুকু এটা মাৰে, ফ্লাই অ'ভাৰৰ কলটো পকি যায়। ভুকু মাৰে, দলঙৰ কলটো পকি যায়। ভুকু মাৰে, ভঙা মথাউৰিৰ কলটো পকি যায়। ভুকু মাৰে, বানপীড়িতই লগালগ টকা পাই যায়।
ঃ সেইটো অৱশ্যে হয়।
ঃ ভুকু মাৰে, বেকাৰ সমস্যাৰ কলটো পকি যায়। ভুকু মাৰে, সীমা সমস্যাৰ কলটো পকি যায়। মুঠতে এভুকু মাৰিলেই হ'ল, এটা এটাকৈ সব কল পকি যায়।
ঃ কথাটো মিছা নহয়।
ঃ আৰু যদি ভুকু মাৰোতে দুই-এটা কল নপকে, সেইকেইটা লগালগ দছ জনপথ বা ৰাজীৱ ভৱনলৈ দলিয়াই দিয়ে। সেই নপকা কলকেইটা বোলে সিহঁতৰ গছৰহে!
ঃ এতিয়া বাৰু বুজিলো যে ভুকুতো আজি-কালি কল পকে। বেলেগ কিবা?
ঃ আছে।
ঃ কি আছে?
ঃ আগৰ ককা-আইতাহঁতে কৈছিল যে আকাশত চাং পাতিব নোৱাৰি।
ঃ নোৱাৰিতো!
ঃ নহয়, পাৰি।
ঃ কেনেকৈ পাৰি?
ঃ বাদশ্বাহহঁতে দেখুৱাই দিছে নহয় পাৰি বুলি!
ঃ কি বুলি?
ঃ কিয়, বাদশ্বাহে আকাশতে অচ্ছে দিনৰ চাংখন পাতি দিয়া নাই জানো?
ঃ দিছে।
ঃ ফৰেইনৰ পৰা আনি ক'লা টকাৰ চাংখন পাতি দিয়া নাই জানো?
ঃ দিছে।
ঃ আকাশতে পতা নাই জানো?
ঃ পাতিছে।
ঃ আৰু যে আমাৰ ককা-আইতাহঁতে আগেয়ে সদায় কৈছিল যে মিছা ক'লে ঠেং চুটি হয়।
ঃ কৈছিলতো!
ঃ আজিৰ ৰজা-মহাৰজাৰ পৰা বাদশ্বাহলৈকে আটায়ে প্ৰমাণ কৰি দিছে যে এইটো মিছা কথা।
ঃ মিছা ক'লে ঠেং চুটি নহয়।
ঃ কেনেকৈ প্ৰমাণ কৰিছে?
ঃ প্ৰমাণ কৰি দিছে যে মিছা ক'লে যদি সঁচাই ঠেং চুটি হ'লহেঁতেন, তেন্তে ইমানদিনে তেওঁলোক বাওনা হৈ যাব লাগিলহেঁতেন।
ঃ সেইটো হয়।
ঃ কিন্তু এতিয়ালৈকেতো কোনো এজনে বাওনা হোৱা নাই, লেংথ্ একেই আছে।
ঃ সেইটো হয়।
ঃ আৰু যে ককা-আইতাহঁতে কৈছিল...
ঃ কি কৈছিল?
ঃ কৈছিল যে লোভেই পাপ, পাপেই মৃত্যু!
ঃ সেইটোও মিছা নেকি?
ঃ একেবাৰে মিছা। চাপ্পন ইঞ্চিৰ চিনাৰ এক ইঞ্চিও কমা নাই। তাতোকৈ ডাঙৰ কথাটো কি জানা?
ঃ কি?
ঃ ককা-আইতাহঁতে কৈছিল যে লংকালৈ যিয়ে যায়, সিয়ে ৰাৱণ হয়। মিছা কথা। লংকালৈ গ'লে কিবা ৰাৱণ নহয়, ৰাম নাম জপ কৰা ৰাৱণহে হয়।



ক'ভিডৰ প্ৰতিষেধকে মৃত্যুৰ গতি হ্ৰাস কৰিবলৈ সক্ষম হ'লেও সংক্ৰমণ ৰোধ কৰিব পৰা নাই। এই কথা জনাইছে বিশ্ব স্বাস্থ্য সংস্থা (হু)ই। অতিমাৰীৰ পৰা মুক্তি এতিয়াও সুদূৰ পৰাহত বুলি উল্লেখ কৰি 'হু'ৰে কৈছে, 'এনে কোনো প্ৰতিষেধক তৈয়াৰ কৰিব লাগিব যি ক'ভিড ৰোগীসকলৰ জীৱন ৰক্ষা কৰাৰ সমান্তৰালকৈ সংক্ৰমণো ৰোধ কৰিব পাৰিব।'

**কৰ'নাৰ নতুন প্ৰতিষেধক তৈয়াৰৰ পৰামৰ্শ 'হু'ৰ**

# মৃত্যু কমিলেও বৃদ্ধি পাইছে ক'ভিডৰ সংক্ৰমণ



**নিউজ ব্যুৰ'**
**জেনেভা, ২৮ জুলাই ঃ** ক'ভিডৰ প্ৰতিষেধকে মৃত্যুৰ গতি হ্ৰাস কৰিবলৈ সক্ষম হ'লেও সংক্ৰমণ ৰোধ কৰিব পৰা নাই। এই কথা জনাইছে বিশ্ব স্বাস্থ্য সংস্থা (হু)ই। অতিমাৰীৰ পৰা মুক্তি এতিয়াও সুদূৰ পৰাহত বুলি উল্লেখ কৰি 'হু'ৰে কৈছে, 'এনে কোনো প্ৰতিষেধক তৈয়াৰ কৰিব লাগিব যি ক'ভিড ৰোগীসকলৰ জীৱন ৰক্ষা কৰাৰ সমান্তৰালকৈ সংক্ৰমণো ৰোধ কৰিব পাৰিব।' এই সন্দৰ্ভত 'হু'ৰ তৰফৰ পৰা প্ৰতিখন দেশৰ প্ৰশাসনক সতৰ্ক কৰি দিছে। বিশ্ব স্বাস্থ্য সংস্থাই কৈছে যে দেশসমূহে যাতে অবিলম্বে নতুন প্ৰতিষেধক আৱিষ্কাৰৰ দিশত মনোযোগ দিয়ে তথা প্ৰয়োজনীয় ধন বিনিয়োগ কৰে।

এই পৰামৰ্শ কিয় দিছে তাৰো কাৰণ ব্যাখ্যা কৰিছে 'হু'ৰে। এক সাম্প্ৰতিক পৰিসংখ্যাৰ জৰিয়তে তেওঁলোকে জনাইছে যে বিগত পাঁচ সপ্তাহত কৰ'নাত মৃত্যুৰ সংখ্যা বহুখিনি বাঢ়িছে। 'হু'ৰ প্ৰধান টেড্ৰ'ছ এধানম গেব্ৰিয়েছাছে এক সংবাদমেলত কয়, 'অতিমাৰী শেষ হ'বলৈ এতিয়াও বহু দেৰি আছে। এতিয়াই ক'ভিডৰ পৰা মুক্তিৰ কোনো সম্ভাৱনা নাই। বৰঞ্চ এবছৰৰ পূৰ্বে আমি যি স্থানত আছিলো, তাৰ পৰা বিশেষ উন্নতি হোৱা নাই। বিপৰীতে এতিয়া পৰিস্থিতি সম্পূৰ্ণ অন্য ধৰণৰ।' গেব্ৰিয়েছাছে লগতে কয়, 'বিগত এটা বছৰত কৰ'নাৰ মোকাবিলাত আমাৰ নতুন শিক্ষা লাভ হৈছে। আমি এতিয়া বুজিব পাৰিছো, কেৱল ৭০ শতাংশ দেশবাসীক প্ৰতিষেধক দিয়াৰ কাম সম্পূৰ্ণ কৰিলেই নহ'ব। আগতে তেওঁলোকক প্ৰতিষেধক দিব লাগিব যাৰ বিপদৰ আশংকা সবাতোকৈ বেছি। সেয়া নহ'লে কৰ'নাত মৃত্যুৰ সংখ্যা বাঢ়িয়েই থাকিব। বহু দেশে ৭০ শতাংশ টিকাকৰণৰ লক্ষ্য পূৰণ কৰিছে। কিন্তু বহু কেইখন দেশে স্বাস্থ্যকৰ্মী, বিভিন্ন সেৱাৰ কৰ্মী তথা বয়স্কসকলক প্ৰতিষেধক দিয়াৰ কাম সম্পূৰ্ণ কৰা নাই। সেইবাবেই মৃত্যুৰ সংখ্যা বাঢ়ি আছে।'

# এইবাৰ বানত নগাঁৱত বিনষ্ট হ'ল ৩৫০০ বিঘা মাটিৰ মৰাপাটৰ খেতি

**বিশেষ সংবাদদাতা**
**নগাঁও, ২৮ জুলাই ঃ** কৃষিপ্ৰধান জিলা নগাঁৱৰ ধিং, ৰূপহী, চামগুৰি, কলিয়াবৰ, ৰহা, নগাঁও সদৰ আৰু কামপুৰ ৰাজহ চক্ৰৰ বৃহৎ সংখ্যক কৃষকে বিভিন্ন প্ৰতিবন্ধকতাকো নেওচি প্ৰতি বছৰে শ শ হেক্টৰ মাটিত মৰাপাট খেতি কৰি জিলাখনৰ কৃষি অৰ্থনীতি টনকিয়াল কৰি আহিছে। উল্লেখ্য যে ৰাজ্যখনৰ মুঠ উৎপাদনৰ প্ৰায় ২০ ভাগ মৰাপাট উৎপন্ন হয় নগাঁও জিলাত। জিলাখনৰ কৰ্মঠ কৃষকে কঠোৰ পৰিশ্ৰমেৰে বছৰি দুই লাখ আঠ হেজাৰ বেল পৰ্যন্ত মৰাপাট উৎপাদন কৰিবলৈ সক্ষম হৈছিল; কিন্তু অতি পৰিতাপৰ বিষয় যে এই কৃষকসকলে হাড়ভগা পৰিশ্ৰম কৰি মৰাপাটৰ খেতি কৰা জিলাখনৰ বিভিন্ন ঠাইৰ লগতে ৪২টা চৰৰ কৃষক ৰাইজে কোনোদিনাই মৰাপাটৰ উচিত মূল্য লাভ কৰিবলৈ সক্ষম হোৱা নাছিল। ফলত উৎপাদনৰ ব্যয়ৰ তুলনাত উপাৰ্জন সন্তোষজনক নোহোৱাত বহুসংখ্যক কৃষকে মৰাপাট খেতি কৰিবলৈ বাদ দি বিভিন্ন তৰহৰ পাচলি আৰু গোমধান খেতি কৰিবলৈ বাধ্য হয়। অৱশ্যে তাৰ মাজতো জিলাখনৰ শ শ কৃষকে এতিয়াও মৰাপাটৰ খেতি কৰি আহিছে। স্মৰ্তব্য যে বিগত ১৯৯৫-৯৬লৈকে নগাঁও জিলাত দুই লাখ আঠ হেজাৰ ২৭৬ বেল মৰাপাট উৎপাদন হৈছিল। এতিয়া জিলাখনৰ ধিং, বটদ্ৰৱা, জুৰীয়া, ৰূপহী, চামগুৰি প্ৰমুখ্যে মৰাপাট খেতিৰ বাবে প্ৰসিদ্ধ ঠাইসমূহৰ শ শ কৃষকৰ লগতে জিলাখনৰ ৪২টা চৰৰ অধিকাংশ চৰতেই মৰাপাট খেতি নকৰাত সেই উৎপাদন যথেষ্ট হ্ৰাস পায়, কিন্তু এইবাৰ জিলাখনৰ শ শ কৃষকে পুনৰ মৰাপাট খেতি কৰিছিল। কিন্তু এইবাৰ প্ৰলয়ংকৰী বানে জিলাখনৰ নগাঁও সদৰ ৰাজহ চক্ৰ, ৰহা ৰাজহ চক্ৰ আৰু কামপুৰ ৰাজহ চক্ৰৰ শ শ মৰাপাট খেতিয়কৰ সপোন তচনচ কৰিলে। চলিত বৰ্ষৰ বানত জিলাখনৰ এই তিনিটা ৰাজহ চক্ৰত প্ৰায় ৩৫০০ বিঘা মাটিৰ মৰাপাট খেতি নষ্ট কৰে। প্ৰাপ্ত তথ্য অনুসৰি, এইবাৰৰ প্ৰলয়ংকৰী বানত নগাঁও সদৰ ৰাজহ চক্ৰৰ প্ৰায় ২৬০০ বিঘা মাটি, ৰহা ৰাজহ চক্ৰৰ চাৰিশ বিঘা মাটি আৰু কামপুৰ ৰাজহ চক্ৰৰ প্ৰায় দুশ বিঘা মাটিৰ মৰাপাট খেতি বিনষ্ট কৰে। ইতিমধ্যে এই খেতিৰ বাবদ প্ৰতিজন কৃষকে ট্ৰেক্টৰেৰে হাল বোৱা, বীজ ক্ৰয় কৰা, সাৰ, কীটনাশক ঔষধ ক্ৰয় কৰা, মাৰাপাটৰ খেতি চিকণুৱা কামত শ্ৰমিক নিয়োগ কৰা আদিত হেজাৰ হেজাৰ টকাৰ খৰচ হৈছিল। সেয়েহে বানত মৰাপাটৰ খেতি নষ্ট হোৱাৰ পাছত সেই কৃষকসকলে এতিয়া চকুৰে ধোঁৱা-কোঁৱা দেখিছে। জিলাখনৰ ধিং, নগাঁও সদৰ ৰাজহ চক্ৰৰ বানাক্ৰান্ত কৃষকসকলে গ্ৰীষ্মকালীন আৰু শীতকালীন পাচলিৰ খেতি কৰি মৰাপাট খেতিত হোৱা লোকচানৰ জোৰাটাপলি মাৰিবলৈ চেষ্টা কৰিব যদিও ৰহা আৰু কামপুৰ ৰাজহ চক্ৰৰ কৃষকসকলে সেই ক্ষতিপূৰণ কৰিবলৈ সক্ষম নহ'ব। এইবাৰৰ বানত জিলাখনত প্ৰায় তিনি হেজাৰ বিঘা মাটিৰ মৰাপাটৰ খেতি নষ্ট হোৱাত জিলাখনৰ শিলঘাটত অৱস্থিত অসম সমবায় মৰাপাট কলৰ প্ৰতিও কিছু সংকট নমাই অনাৰ সম্ভাৱনা আছে।



**PHYSIOTHERAPY CENTRE**
H.No-51, Basisthapur Bye lane 4, Survey, Beltola

Contact for all kinds of pain, Spine problem, movement problem, joint stiffness etc. for best treatment by our experienced Physiotherapists.

Contact No- 70021-60730, 7002316720




অগ্ৰদূত পাব্লিচাৰ্ছ প্ৰাইভেট লিমিটেড, গুৱাহাটী-৬ৰ হৈ বি এছ ডেকাৰ দ্বাৰা অগ্ৰদূত ভৱন, দিছপুৰ, গুৱাহাটী-৬, তৰাজান, যোৰহাট আৰু দোলাবাৰী, তেজপুৰত মুদ্ৰিত আৰু প্ৰকাশিত। সম্পাদক ঃ প্ৰাঞ্জলসেন ডেকা। মুখ্য সম্পাদক ঃ কনকসেন ডেকা।
ফোন ঃ (গুৱাহাটী) সম্পাদনা ঃ (০৩৬১) ২২৬১৯২৩, ২২২৪৯৩৩, চাৰ্কুলেচন- ২২৩৪২০৯ ফেক্স ঃ (০৩৬১) ২২৬০৬৫৫, ২২৬৯১৪৭, আৰু বিজ্ঞাপন - ৯৮৬৪৮৯৭১৭৫। ফোন (যোৰহাট) ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯।
E-MAIL : agradoot@gmail.com, editor.agradoot@gmail.com